www.newsnextone.com
# ই-সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

MONDAY, DECEMBER 9, 2024 ■ সোমবাৰ, ২৩ আঘোণ, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ৩৩৬ Guwahati, Assam ।। মূল্যঃ এটকা

## এনএছইউআইৰ ৰাজ্যিক সমিতি ভংগ

ই-সংবাদ, ৮ ডিচেম্বৰঃ ২০২৬ চনৰ বিধানসভা নিৰ্বাচনলৈ সাজু হৈছে কংগ্ৰেছ। নিৰ্বাচনলৈ সাজু হোৱা ২ পৃষ্ঠাত চাওক

## ডিব্ৰুগড়তো গছ ৰক্ষাৰ বাবে আন্দোলন




ই-সংবাদ, ৮ ডিচেম্বৰঃ গুৱাহাটী মহানগৰীৰ নাগৰিক সমাজৰ দৰেই ডিব্ৰুগড়তো নাগৰিক শেষাংশ ২ পৃষ্ঠাত

## বিচাৰিলেই দিয়া নহয় সমষ্টি! কমলা-সত্যব্ৰত-জয়নাথৰ আশাত চেঁচাপানী ঢালিলে মুখ্যমন্ত্ৰীয়ে

ই-সংবাদ, গুৱাহাটী, ৮ ডিচেম্বৰঃ ৰাজ্যৰ মুখ্য আঞ্চলিক দল তথা বিজেপিৰ সহযোগী দল অসম গণ পৰিষদৰ স্থান ক'ত সেয়া আজি স্পষ্ট কৰি দিলে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। বিজেপি তথা শেষাংশ ৫ পৃষ্ঠাত







## শুৱালকুছি-পলাশবাৰী দলঙৰ ভূমি পূজন



ই-সংবাদ শুৱালকুছি, ৮ ডিচেম্বৰঃ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি ব্ৰহ্মপুত্ৰৰ ওপৰত শেষাংশ ৪ পৃষ্ঠাত

### মধ্য প্ৰাচ্যত আন এক সংকট ■ দেশ এৰি পলায়ন ৰাষ্ট্ৰপতি বাছাৰৰ

# ছিৰিয়াত আছাদ যুগৰ অন্ত, বিদ্ৰোহীৰ হাতলৈ গ'ল ডামাস্কাছ





ডামাস্কাছ, ৮ ডিচেম্বৰঃ বাংলাদেশৰ পিছত চলিত বছৰতে পতন ঘটিল বিশ্বৰ আন এখন ৰাষ্ট্ৰৰ ক্ষমতাসীন চৰকাৰৰ। এইবাৰ ছিৰিয়াত ক্ষমতাচ্যুত হ'ল আছাদ পৰিয়াল। বিগত পাঁচ দশকৰো অধিক সময় ধৰি দেশখনৰ হৰ্তাকৰ্তা হৈ শেষাংশ ২ পৃষ্ঠাত

## বীমাৰ ধনৰ বাবে ভিখাৰীক হত্যা কৰি জেললৈ যুৱক

জয়পুৰ, ৮ ডিচেম্বৰঃ বীমাৰ ধন লাভৰ বাবে নিজৰ মৃত্যুৰ ভুৱা কাহিনী ৰচি গ্ৰেপ্তাৰ হ'ল ৰাজস্থানৰ শেষাংশ ৪ পৃষ্ঠাত

### প্ৰহাৰ নে পৰিল সেই লৈ ৰহস্য


## ৰক্তৰঞ্জিত বিধায়ক আৱাস

ই-সংবাদ, গুৱাহাটী, ৮ ডিচেম্বৰঃ চাৰি বিধায়কে মন্ত্ৰীৰূপে শপত লোৱাৰ পিছৰে পৰা দিছপুৰত ৰাজনৈতিক গুজবৰ পাৰা বৃদ্ধি হৈছে। বিগত দুই-তিনিটা দিন শেষাংশ ৪ পৃষ্ঠাত

### শুৱালকুছিত ৬ বিঘা মাটিত কাৰ্যালয় মুকলি

## ১২০০ কোটি! মণ্ডলে মণ্ডলে হ'ব বিজেপিৰ অফিচ

ই-সংবাদ, ৮ ডিচেম্বৰঃ বিশ্বৰ বৃহৎ দল বুলি দাবী কৰা বিজেপিয়ে অসমত প্ৰথমবাৰ শাসনৰ বাঘজৰী হাতত লৈয়ে গুৱাহাটীত পঞ্চতাৰকা শেষাংশ ৫ পৃষ্ঠাত



## বিচিচিআইৰ ভাঃ সচিব পদত দেৱজিৎ লন

ই-সংবাদ, ৮ ডিচেম্বৰঃ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ ঘনিষ্ঠ ৰাজ্যৰ প্ৰাক্তন ৰঞ্জি খেলুৱৈ, শেষাংশ ৩ পৃষ্ঠাত

## ঢাকাত ভাৰতীয় দূতাবাসত প্ৰতিবাদ

ঢাকা, ৮ ডিচেম্বৰঃ ভাৰতৰ বৈদেশিক মন্ত্ৰীৰ বাংলাদেশ ভ্ৰমণৰ পূৰ্বে চুবুৰীয়া ৰাষ্ট্ৰখনত পুনৰ বৃদ্ধি পাইছে উত্তেজনা। সোমবাৰে ঢাকাত অনুষ্ঠিত হ'বলগীয়া শেষাংশ ৩ পৃষ্ঠাত

## ঐ ৰাম! পদ্মে আতা-জয়া আবুৰ বিয়াহে

ই-সংবাদ, ৮ ডিচেম্বৰঃ মাজত আৰু দিন বেছি নাই। সেয়ে এইখিনি সময়ত ব্যস্ততা বাঢ়িছে পদ্মেশ্বৰ গোৱালাৰ। লাজ লাজ ভাৱ এটা মনটো আৱৰি ধৰিবলৈ আৰম্ভ কৰিছে জয়াপ্ৰভা বৰাৱো। অহা মাঘতে তেওঁলোকৰ বিয়া। ইংৰাজী ২৪ জানুৱাৰী পৰিছে। বিয়াৰ চিঠি এতিয়াও ছপোৱা হোৱা নাই যদিও প্ৰস্তুতি পূৰ্ণদ্যমেই চলিছে। অলেখ শুভাকাংক্ষীয়ে আগবাঢ়ি আহি ভাগে ভাগে মূৰ পাতি লৈছে বিয়াৰ দায়িত্ববোৰ। এই কেইদিন মানুহেই মানুহ বিয়াঘৰৰ শেষাংশ ৩ পৃষ্ঠাত

প্ৰথম পৃষ্ঠাৰ পৰা...

# ছিৰিয়াত আছাদ যুগৰ অন্ত, বিদ্ৰোহীৰ

ক্ষমতাত অধিষ্ঠিত হৈ থকা আছাদ পৰিয়াল বাধ্য হৈ পৰিল দীৰ্ঘদিনীয়া গৃহযুদ্ধৰ ওচৰত নতি স্বীকাৰ কৰিবলৈ। বিভিন্ন আন্তঃৰাষ্ট্ৰীয় সংবাদ সংস্থাই দেওবাৰে প্ৰকাশ কৰা অনুসৰি, ক্ষমতাচ্যুত হোৱাৰ পিছতে দেশ এৰি পলায়ন কৰে ৰাষ্ট্ৰপতি বাছাৰ আল আছাদে। অৱশ্যে তেওঁ পলায়ন কৰি ক'ত আশ্ৰয় গ্ৰহণ কৰি আছে সেয়া জানিব পৰা হোৱা নাই। উল্লেখ্য যে, আছাদৰ শাসনৰ পূৰ্বে তেওঁৰ পিতৃ হাফেজ আল আছাদে ১৯৭০ চনৰ পৰা ২০০০ চনলৈকে ছিৰিয়াত শাসন কৰিছিল। ২০০০ চনত পিতৃৰ মৃত্যুৰ পিছত বাছাৰে তেওঁৰ উত্তৰাধিকাৰী হিচাপে ছিৰিয়াত ৰাজত্ব আৰম্ভ কৰে। বিশেষকৈ সামৰিক শক্তি আৰু ৰাছিয়া আৰু ইৰাণকে ধৰি আঞ্চলিক শক্তিসমূহৰ সৈতে কৌশলগত মিত্ৰতাৰ জৰিয়তে তেওঁৰ পৰিয়ালে ৰাজনৈতিক ক্ষমতাৰ ওপৰত নিজৰ দখল বজাই ৰাখিবলৈ সক্ষম হয়। কিন্তু ছিৰিয়া আৰু ইয়াৰ জনসাধাৰণৰ বাবে দুৰ্যোগ হিচাপে পৰিগণিত হোৱা ১২ বছৰীয়া সশস্ত্ৰ সংঘাতৰ ফলত অৱশেষত কেৱল ক্ষমতাচ্যুত হোৱাই নহয়, দেশ এৰি পলায়ন কৰিবলৈ বাধ্য হৈ পৰে ৰাষ্ট্ৰপতি বাছাৰ আল আছাদ। প্ৰণিধানযোগ্য যে, ২০১১ চনত ছিৰিয়াত শান্তিপূৰ্ণ প্ৰতিবাদ আৰু গণতান্ত্ৰিক সংস্কাৰৰ দাবীত প্ৰতিবাদ আৰম্ভ হয়। আৰব বসন্তৰ প্ৰতিফলন হিচাপে সমগ্ৰ মধ্যপ্ৰাচ্যত প্ৰতিবাদ বিয়পি পৰাৰ লগে লগে ছিৰিয়াৰ পৰাও গণতান্ত্ৰিক সংস্কাৰৰ দাবী উঠে। কিন্তু এই প্ৰতিবাদৰ সময়ত আছাদ চৰকাৰৰ ৰক্তাক্ত দমন কৌশলৰ পৰিণতিত ক্ৰমাৎ চৰকাৰ আৰু সাধাৰণ জনতাৰ মাজৰ দূৰত্ব বৃদ্ধি পাবলৈ আৰম্ভ কৰে। প্ৰথমাৱস্থাত এই প্ৰতিবাদ শান্তিপূৰ্ণ আছিল যদিও সময়ৰ লগে লগে ই ব্যাপক হিংসা আৰু সশস্ত্ৰ সংঘৰ্ষলৈ ৰূপান্তৰিত হয়। অন্যহাতে পশ্চিমীয়া দেশ, তুৰস্ক আৰু একাংশ আৰৱ দেশে ছিৰিয়াৰ চৰকাৰ বিৰোধী বিদ্ৰোহী গোটক সমৰ্থন আগবঢ়োৱাৰ বিপৰীতে ইৰাণ, ৰাছিয়াৰ দৰে দেশে বিদ্ৰোহীক দমনৰ বাবে আছাদ শাসনক বিভিন্ন ধৰণৰ সামৰিক সহায় আগবঢ়োৱাৰ পিছতে দেশখনৰ গৃহযুদ্ধই আন্তঃৰাষ্ট্ৰীয় চৰ্চা লাভ কৰে। একে সময়তে, ছিৰিয়া বিশ্বৰ শক্তিশালী দেশসমূহৰ আগ্ৰাসনৰ সন্মুখীন হোৱাৰ পৰিপ্ৰেক্ষিতত ভয়াবহ সংকটৰ সন্মুখীন হ'বলগীয়া হয় জনসাধাৰণ। গৃহযুদ্ধ দমনৰ আঁৰ লৈ ২০১৫ চনত ছিৰিয়াৰ গৃহযুদ্ধত সামৰিক হস্তক্ষেপ আৰম্ভ কৰে ৰাছিয়াই। পুটিনৰ দেশে ছিৰিয়াত চলোৱা বিমান আক্ৰমণ আৰু ইৰাণৰ সমৰ্থিত মিলিচিয়াৰ সহায়ত ২০১৭ চনলৈকে ছিৰিয়াৰ বেছিভাগ অঞ্চল পুনৰ আছাদ শাসনৰ নিয়ন্ত্ৰণলৈ আহে যদিও কেতবোৰ অঞ্চল ইডলিব আৰু বিশেষকৈ কুৰ্দি গোটৰ নিয়ন্ত্ৰণতে থাকে। কিন্তু ৰাছিয়া, ইৰাণৰ দৰে দেশেও অৱশেষত ৰক্ষা কৰিবলৈ সক্ষম নহ'ল বাছাৰ আল আছাদৰ শাসন ব্যৱস্থা। শনিবাৰে হায়াত তাহৰিৰ আল-ছাম (এইচটিএছ) আৰু জৈছ আল ইজ্জাহৰ দৰে বিদ্ৰোহী সংগঠনে এক বৃহৎ সামৰিক আক্ৰমণৰ জৰিয়তে এসময়ত আছাদ শাসনৰ দুৰ্গ হিচাপে পৰিচিত দামাস্কাছ চহৰ আৰু ছিৰিয়াৰ অন্যান্য গুৰুত্বপূৰ্ণ অঞ্চল নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হয়। আছাদৰ সেনাবাহিনীয়ে অঞ্চলটোৰ পৰা পিছুৱাই যোৱাৰ পিছতে চহৰখনৰ চৰকাৰী কাৰ্যালয় আৰু মূল প্ৰতিষ্ঠানসমূহ দখল কৰে বিদ্ৰোহীয়ে। ইফালে, আছাদ শাসনৰ পতনৰ পিছত ছিৰিয়াৰ বিদ্ৰোহী সংগঠনসমূহে দেশখনৰ ৰাজনৈতিক আৰু সামৰিক আন্তঃগাঁথনিৰ ওপৰত নিজৰ কৰ্তৃত্ব দখল কৰিবলৈ আৰম্ভ কৰিছে। বিদ্ৰোহী সংগঠনটোৰ নতুন মুখ্য কাৰ্যালয়ৰ পৰা ভাষণ দি ছিৰিয়াৰ প্ৰধানমন্ত্ৰী মহম্মদ গাজী আল জালালীয়ে কয় যে তেওঁ নতুন শাসন ব্যৱস্থাক সমৰ্থন কৰিবলৈ সাজু, কিন্তু দেশ এৰি যোৱাৰ পক্ষত নহয়। দেওবাৰে সুদীৰ্ঘ পাঁচ দশকীয় আছাদ পৰিয়ালৰ শাসনৰ অন্ত পৰাৰ পিছতে দামাস্কাছৰ ৰাজপথত চৰকাৰ বিৰোধী শ্লোগান দি বিজয় উৎসৱ পালন কৰে হাজাৰ হাজাৰ জনতাই। আছাদ শাসনৰ পতনৰ পিছত আন্তঃৰাষ্ট্ৰীয় মঞ্চতো প্ৰতিক্ৰিয়া হৈছে। ছিৰিয়া চৰকাৰক সমৰ্থন কৰা ৰাছিয়া, ইৰাণ আৰু হিজবুল্লাহে অৱশ্যে এতিয়াও ছিৰিয়াৰ সাম্প্ৰতিক পৰিস্থিতিক লৈ কোনো প্ৰতিক্ৰিয়া প্ৰকাশ কৰা নাই। কূটনৈতিক বিশেষজ্ঞসকলৰ মতে, দেশখনৰ এই পৰিৱৰ্তনে ছিৰিয়া আৰু সমগ্ৰ মধ্যপ্ৰাচ্যৰ ৰাজনৈতিক পৰিৱেশক নতুন ৰূপ দিব। একে সময়তে, বিদ্ৰোহী গোটসমূহৰ ঐক্যবদ্ধ নেতৃত্বৰ অভাৱৰ পৰিপ্ৰেক্ষিতত এতিয়াও ছিৰিয়াৰ ভৱিষ্যত অনিশ্চিত বুলি দাবী কৰে বিশেষজ্ঞসকলে। বিগত পাঁচ দশকৰো অধিক সময় ধৰি এটা পৰিয়ালৰ দখলত থকা দেশখনৰ পুনৰ্গঠন আৰু সাধাৰণ জনতাৰ মাজলৈ যোৱাটো নতুন চৰকাৰৰ বাবে এক ডাঙৰ প্ৰত্যাহ্বান হ'ব বুলি মত প্ৰকাশ কৰিছে বহু কূটনৈতিক বিশেষজ্ঞই। ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত আছাদ বিৰোধী গোটসমূহৰ মাজত কেনেধৰণৰ ৰাজনৈতিক সহমত গঢ় লৈ উঠে তাৰ ওপৰত দেশখনৰ ভৱিষ্যত নিৰ্ভৰ কৰিব বুলি তেওঁলোকে মন্তব্য কৰে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ডিব্ৰুগড়তো গছ ৰক্ষাৰ বাবে আন্দোলন

সমাজ গছ ৰক্ষাৰ দাবীত ৰাজপথলৈ ওলাই আহিছে। আজি ডিব্ৰুগড়ত প্ৰকৃতিপ্ৰেমী লোকৰ লগতে একাধিক দল-সংগঠনে গছ ৰক্ষাৰ বাবে আন্দোলন কৰে। হাতে হাতে বেনাৰ, ফেষ্টুন লৈ চহৰখনৰ সচেতন লোকসকলে চৌকিডিঙীত প্ৰতিবাদী সমদল উলিয়াই চাহ বাগিচা আৰু বাগিচাৰ গছ নাকাটিবলৈ দাবী জনাইছে। উল্লেখ্য যে, নাগৰিক সমাজে চাহ বাগিচা ধ্বংস কৰিবলৈ দিয়া নহ'ব বুলি বিগত কিছুদিন ধৰি হুংকাৰ দি আহিছিল। তাৰ মাজতে আজি ডিব্ৰুগড়ত ৰাইজে প্ৰতিবাদ সাব্যস্ত কৰিছে। প্ৰতিবাদত অংশ লোৱা কেবাগৰাকী জ্যেষ্ঠ নাগৰিকে কয় যে বাগিচাৰ চাহ গছ যে ধ্বংস হ'ব তেনে নহয়। চাহ গছৰ মাজত শ-শ প্ৰকাণ্ড প্ৰকাণ্ড গছ আছে। যদি সেইবোৰ ধ্বংস কৰি হাস্পতাল, হোটেল আদি নিৰ্মাণ কৰা হয় তেন্তে ডিব্ৰুগড়ৰ পৰিৱেশ অত্যন্ত বেয়া হ'ব। চাহ বাগিচাৰ বাবে জনাজাত ডিব্ৰুগড় চহৰৰ জালান নগৰ টি ইষ্টেট প্ৰাইভেট লিমিটেডৰ দক্ষিণ জালান চাহ বাগিচা ধ্বংস কৰিব খোজা হৈছে। চাহ বাগিচাৰ ঠাইত অট্টালিকা নিৰ্মাণ কৰি অন্য ব্যৱসায় প্ৰতিষ্ঠান নিৰ্মাণৰ বাবে যো-জা চলাইছে জালান নগৰ টি ইষ্টেট প্ৰাইভেট লিমিটেডে। চাহ বাগিচা ধ্বংস কৰাৰ ফলত পাৰিপাৰ্শ্বিকতা ধ্বংস কৰিব খোজাত উদগ্ৰীৱ হৈ পৰিছে নাগৰিক সমাজ। এই খবৰে চিন্তিত কৰিছে নাগৰিকক। জালান চাহ বাগিচা কৰ্তৃপক্ষই বিজেপিৰ কাৰ্যালয় আৰু ধৰ্মীয় অনুষ্ঠানক মাটি বিক্ৰী কৰিছে। সেই মাটিত কেইবাটাও অট্টালিকা নিৰ্মাণ কৰিব বুলি জানিব পৰা গৈছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# এনএছইউআইৰ ৰাজ্যিক সমিতি ভংগ

কংগ্ৰেছে ব্যাপক সাংগঠনিক সাল-সলনি কৰিবলৈ প্ৰস্তুত হৈছে। আজি তাৰ প্ৰথমটো পদক্ষেপ দেখা গ'ল। কংগ্ৰেছত ব্যাপক ৰদ-বদল হোৱাৰ চৰ্চা মাজতে ছাত্ৰ সংগঠন ভাৰতীয় ৰাষ্ট্ৰীয় ছাত্ৰ সংস্থা চমুকৈ এনএছইউআইৰ ৰাজ্যিক সমিতি আজি ভংগ কৰা হৈছে। ৰাষ্ট্ৰীয় সমিতিয়ে জৰুৰী নিৰ্দেশযোগে তৎকালে ভংগ কৰিছে ৰাজ্যিক সমিতিখন। এনএছইউআইৰ ৰাষ্ট্ৰীয় তত্ত্বাৱধায়ক কানহায়া কুমাৰ আৰু সভাপতি বৰুণ চৌধুৰীৰ নিৰ্দেশত অসম ৰাজ্যিক সমিতিখন ভংগ কৰা হৈছে। ভংগ কৰাৰ কেইবাটাও কাৰণৰ মাজত সাংগঠনিক নিষ্ক্ৰিয়তা অন্যতম বুলি জানিব পৰা গৈছে। যেনেদৰে ছাত্ৰ সমাজক লৈ তথা ছাত্ৰ সমাজৰ সমস্যাক লৈ আগবাঢ়িব লাগিছিল তেনেদৰে আগবাঢ়িব নোৱাৰাৰ ফলতে ২০২৬ চনৰ নিৰ্বাচনৰ পূৰ্বে নকৈ ৰাজ্যিক সমিতি গন কৰা হ'ব বুলি জানিব পৰা গৈছে। ইপিনে এনএছইউআই ৰাজ্যিক সমিতিখনক বৰ্তমান কংগ্ৰেছৰ নেতৃত্বই দিহা-পৰামৰ্শ নিদিয়াৰো অভিযোগ উত্থাপন হৈ আহিছিল। নতুন সমিতি গঠনৰ বাবে শীঘ্ৰে ৰাষ্ট্ৰীয় এটা পৰ্যবেক্ষকৰ দল অসমলৈ আহিব। পৰ্যবেক্ষকৰ দলটোৱে পৰিস্থিতি, যুৱ কৰ্মী, নেতাক সাক্ষাৎ কৰি নতুন সভাপতিসহ বিভিন্ন পদবীত নিযুক্তি দিব বুলি জানিব পৰা গৈছে। সভাপতি পদ আৰু ৰাজ্যিক সমিতি পদসমূহৰ বাবে নিৰ্বাচন অনুষ্ঠিত হ'ব পাৰে বুলিও এটা সূত্ৰই দাবী কৰিছে। ৰাজ্যিক সমিতিত বৰ্তমান কাৰ্যনিৰ্বাহ কৰি থকা একাংশ নেতাই পদবী পোৱাৰ পিছতো সক্ৰিয়ভাৱে ছাত্ৰ সমাজৰ হকে কাম নকৰাৰ অভিযোগ উত্থাপন হৈ আছিল। নতুন সমিতিত কোনে দায়িত্ব লাভ কৰিব সেয়া লক্ষণীয় হ'ব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ঐ ৰাম! পদ্মে আতা-জয়া আবুৰ বিয়াহে

চোতালত। পাহৰি পেলোৱা বিয়াগীতবোৰ পুনৰ মনত পেলাবলৈ চেষ্টা কৰিছে আইতাসকলেও। ৰভাঘৰত বিয়াগীত এটা গাব নোৱাৰিলে গোটেই বিয়াখনেই চোন উকা উকা হে ৰ'ব! সেয়ে ৰ'দৰ উম লৈ জোৰ কৰি হ'লেও বয়সে পাহৰাই পেলোৱা গীতবোৰ মনত পেলোৱাৰ চেষ্টা কৰিছে আইতাসকলে। সকলোৰে হেঁপাহ এই বিশেষ বিয়াখনৰ অংশ হোৱাৰ। দৰাৰ বয়স ৭১, কইনাৰ ৬৫। জীৱনৰ ভাটি বয়সত তেওঁলোক সাজু হৈছে হাতে হাত ধৰি আগুৱাবলৈ। বোকাখাতত ঘৰ আছিল দৰা পদ্মেশ্বৰ গোৱালাৰ। গোটেই জীৱন আনৰ ঘৰত বনকৰাকৈ থাকি তেওঁ যেন হেৰুৱাই পেলাইছিল নিজৰ জীৱনৰ ছন্দ। শেষ বয়সত বেলতলাৰ প্ৰমোদ তালুকদাৰ সোঁৱৰণী বৃদ্ধাৱাসত থাকিবলৈ অহাৰ পিছতেই তেওঁ লগ পায় কইনা জয়াপ্ৰভা বৰাক। কইনা জয়াপ্ৰভা বৰাৰো যেন একেই কাহিনী। জীৱনৰ ইটো-সিটো সমস্যাক অতিক্ৰম কৰিবলৈ যাওতে এদিনৰ সমাজৰ দৃষ্টিত বিয়াৰ বয়স পাৰ হৈছিল তেওঁৰ। দুই ভাতৃৰ বিয়োগৰ পিছতে তেৰোঁ গুচি আহে মঠঘৰীয়াৰ মাতৃ নিৱাসলৈ। তাতেই এদিন হাঁহিমুখীয়া গীত গাই ভাল পোৱা পদ্মেশ্বৰক দেখি জয়াপ্ৰভাৰ বুকুত উকমুকাই উঠে অতদিন সামৰি ৰাখি থোৱা ভালপোৱাৰ শিঁহৰণ। তাৰ পিছত লাহে লাহে দুয়োৰে মাজত আৰম্ভ হয় চেনেহৰ আদান-প্ৰদান। যেতিয়া তেওঁলোকৰ প্ৰেমৰ বিষয়ে তেওঁলোকৰ বৃদ্ধাশ্ৰম কৰ্তৃপক্ষই জানিব পাৰিলে, তাৰ পিছতে দুটি মনক এক কৰাৰ প্ৰস্তাৱ ৰখা হ'ল। লাজে লাজে এই প্ৰস্তাৱত সম্মতি জনালে পদ্মেশ্বৰ আৰু জয়াপ্ৰভাইও। তাৰ পিছতে বিয়াৰ বাবে এটা নিৰ্দিষ্ট দিন ঠিক কৰা হয়। শুভাকাংক্ষীসকলে নিজে নিজে আগবাঢ়ি আহি বিয়াখনৰ বাবে যা-যোগাৰ চলোৱাৰ দায়িত্ব মূৰ পাতি লৈছে। প্ৰমোদ তালুকদাৰ সোঁৱৰণী বৃদ্ধাশ্ৰমৰ পৰা ককা-আইতাসকল জোৰণ লৈ যোৱাৰ পূৰ্বে আইনী পদ্ধতিৰে বিয়াখন সম্পূৰ্ণ কৰা হ'ব। দৰা আৰু কইনাপক্ষৰ অভ্যৰ্থনা অনুষ্ঠানত প্ৰায় এহাজাৰ অতিথি উপস্থিত থাকিব বুলি অনুমান কৰা হৈছে। অৱশ্যে বিয়াৰ অভ্যৰ্থনাত নিৰামিষ আহাৰেৰে অপ্যায়িত কৰা হ'ব অতিথিসকলক। দুখনকৈ দাইল, এখন ভাজি, চালাদ আৰু পনীৰৰ তৰকাৰীৰেই সজোৱা হৈছে বিয়াৰ মেন্যুখন। বিয়ালৈ দিন যিমানেই চমু চাপিছে, সিমানেই ব্যস্ততা বাঢ়িছে দৰা-কইনা আৰু দুয়োখন বৃদ্ধাৱাসৰ আন আন সদস্যসকলৰো। জীৱনৰ ভাটি বয়সৰ নিসংগতা দূৰ কৰি পদ্মেশ্বৰ গোৱালা আৰু জয়াপ্ৰভা বৰাই এক হোৱাৰ প্ৰতিশ্ৰুতিৰে অনুষ্ঠিত কৰিবলৈ ওলোৱা এই বিশেষ বিয়াখনে এতিয়া চৰ্চা লাভ কৰিছে সামাজিক মাধ্যমতো।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিচিচিআইৰ ভাঃ সচিব পদত দেৱজিৎ লন

অসম ক্ৰিকেট সন্থাৰ প্ৰাক্তন সাধাৰণ সম্পাদক, অসম চৰকাৰৰ মহাধিবক্তা দেৱজিৎ লন শইকীয়াক ভাৰতীয় ক্ৰিকেটৰ সৰ্বোচ্চ সংস্থা বিচিচিআইৰ ভাৰপ্ৰাপ্ত সচিবৰ দায়িত্ব প্ৰদান কৰা হৈছে। দুদিন পূৰ্বে বিশ্ব ক্ৰিকেটৰ আন্তঃৰাষ্ট্ৰীয় সংস্থা আইচিচিৰ ব'ৰ্ড ডাইৰেক্টৰ পদ লাভ কৰা দেৱজিৎ লন শইকীয়াক বিচিচিআইত সচিবৰ দৰে গুৰুতৰ দায়িত্ব প্ৰদান কৰা হৈছে। বিচিচিআইৰ অধ্যক্ষ ৰ'জাৰ বিন্নীয়ে ভাৰপ্ৰাপ্ত সচিব হিচাপে নিযুক্তি দিছে দেৱজিৎ লন শইকীয়া। পূৰ্বে বিচিচিআইৰ যুটীয়া সচিব পদত কাৰ্যনিৰ্বাহ কৰা শইকীয়া বিচিচিআইৰ সচিব পদত অধিষ্ঠিত হোৱাত অসমৰ ক্ৰীড়া ক্ষেত্ৰৰ বাবে আশাব্যঞ্জক খবৰ। প্ৰাক্তন ৰঞ্জি খেলুৱৈ হিচাপে ক্ৰীড়া ক্ষেত্ৰখনত যাত্ৰা আৰম্ভ কৰা শইকীয়া প্ৰথমগৰাকী অসমীয়া যিয়ে বিচিচিআইৰ সচিবৰ দৰে পদ লাভ কৰিছে। ১ ডিচেম্বৰত জয় শ্বাহে আইচিচিৰ অধ্যক্ষ হিচাপে দায়িত্ব গ্ৰহণৰ পাছতে খালী হৈছিল বিচিচিআইৰ সচিব পদ। বিচিচিআইৰ সচিব নিৰ্বাচিত নোহোৱা পৰ্যন্ত ছেপ্টেম্বৰ মাহলৈ এই পদত কাৰ্যনিৰ্বাহ কৰি থাকিব শইকীয়াই। উল্লেখ্য যে, আইচিচিৰ অধ্যক্ষ পদত অধিষ্ঠিত হৈছে জয় শ্বাহ। শ্বাহে ডুবাইৰ আইচিচিৰ মুখ্য কাৰ্যালয়ত এই পদ চম্ভালি লয়। জয় শ্বাহে দেৱজিৎ শইকীয়াই আইচিচিৰ ব'ৰ্ড সঞ্চালকৰ দায়িত্ব দিয়াৰ লগতে বিচিচিআইৰ অধ্যক্ষ ৰ'জাৰ বিন্নীয়ে এজন অসমীয়াক বিচিচিআইৰ দৰে বৃহৎ সংস্থাৰ সচিব পদত বহুৱাই। শইকীয়াই দীৰ্ঘদিন ধৰি অসম ক্ৰিকেট সন্থা, গুৱাহাটী ক্ৰীড়া সন্থা আৰু গুৱাহাটী টাউন ক্লাবৰ সৈতে জড়িত হৈ ক্ৰীড়াক্ষেত্ৰৰ হকে কাম কৰি গৈছে। এই খবৰে উৎফুল্লিত কৰিছে অসমবাসীক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ঢাকাত ভাৰতীয় দূতাবাসত প্ৰতিবাদ

ভাৰত-বাংলাদেশৰ বৈদেশিক সচিব পৰ্যায়ৰ বৈঠকৰ পূৰ্বে দেওবাৰে ঢাকাস্থিত ভাৰতীয় দূতাবাস অভিমুখে বাংলাদেশ নেশ্যনেলিষ্ট পাৰ্টিৰ সমদলক লৈ পুনৰ সৃষ্টি হয় উত্তেজনাৰ। নয়া পল্টনত থকা দলৰ কেন্দ্ৰীয় কাৰ্যালয়ৰ সন্মুখৰ পৰা আৰম্ভ হোৱা এই সমদলত ছাত্ৰ দল, যুৱ দল আৰু স্বচ্ছ সেৱক দলৰ কৰ্মীসকলে অংশগ্ৰহণ কৰে। ৰামপুৰা ব্ৰীজৰ সমীপত আৰক্ষীৰ বেৰিকেডত সমদল ৰৈ যায়। তাৰ পৰা বিএনপিৰ এটা প্ৰতিনিধি দল ভাৰতীয় দূতাবাসলৈ গৈ স্মাৰক পত্ৰখন দাখিল কৰে। স্মাৰক পত্ৰখনত বাংলাদেশৰ শেহতীয়া পৰিস্থিতি আৰু দুয়োখন দেশৰ মাজত অসুবিধাজনক সম্পৰ্কৰ কথা উল্লেখ কৰা হৈছে। আগৰতলাত থকা বাংলাদেশৰ সহকাৰী দূতাবাসৰ অনুপ্ৰৱেশৰ বিষয়টোও উল্লেখ কৰা হয় স্মাৰক পত্ৰত। বিএনপিৰ দাবী, শ্বেখ হাছিনাৰ চৰকাৰৰ বিৰুদ্ধে বিভিন্ন অভিযোগৰ বাবে ৰাইজে গ্ৰহণ কৰা নাই। তেওঁলোকে আৰু অভিযোগ কৰে যে হাছিনাই বৰ্তমান ভাৰতত আশ্ৰয় লৈ বাংলাদেশৰ পৰিস্থিতি অস্থিৰ কৰিবলৈ চেষ্টা চলাইছে। ইফালে, দেওবাৰৰ দলটোৰ সমদলৰ ফলত ঢাকাৰ ৰামপুৰা ব্ৰীজ আৰু ইয়াৰ আশে-পাশে থকা অঞ্চলসমূহ কাৰ্যতঃ এঘণ্টাৰো অধিক সময় ধৰি স্তব্ধ হৈ পৰে। অন্যহাতে বিশেষজ্ঞসকলৰ মতে, বাংলাদেশৰ ৰাজনৈতিক মেৰুকৰণৰ পৰিপ্ৰেক্ষিতত এতিয়া বিএনপি এক প্ৰধান শক্তি হিচাপে আত্মপ্ৰকাশ কৰিছে। শেহতীয়াকৈ মহম্মদ ইউনুছৰ উদ্যোগত অনুষ্ঠিত এখন বৈঠকত বিভিন্ন দলৰ প্ৰতিনিধি উপস্থিত আছিল যদিও আৱামী লীগ বা জাতীয় পাৰ্টি (এৰছাদ) কোনোৱে অংশগ্ৰহণ কৰা নাছিল। তাত বিএনপিৰ উপস্থিতিয়ে তেওঁলোকৰ ৰাজনৈতিক স্থিতি অধিক শক্তিশালী কৰি তুলিছে। প্ৰণিধানযোগ্য যে, সোমবাৰে বাংলাদেশ ভ্ৰমণ কৰিব ভাৰতৰ বৈদেশিক মন্ত্ৰী বিক্ৰম মিশ্ৰীয়ে। তাৰ তেওঁ বাংলাদেশৰ বৈদেশিক সচিবৰ লগতে এক বৈঠকত অংশ লোৱাৰ লগতে আন কেইবাখনো শীৰ্ষ পৰ্যায়ৰ বৈঠকত ভাৰতৰ বৈদেশিক মন্ত্ৰীগৰাকীয়ে অংশ ল'ব বুলি ইতিমধ্যে জানিবলৈ দিছে বৈদেশিক মন্ত্ৰালয়ে। শেহতীয়াকৈ বাংলাদেশৰ হিন্দু ধৰ্মগুৰু চিন্ময়কৃষ্ণ দাসৰ গ্ৰেপ্তাৰ আৰু দেশখনত সংখ্যালঘুসকলৰ ওপৰত সংঘটিত আক্ৰমণৰ পৰিপ্ৰেক্ষিতত এই বৈঠক অত্যন্ত গুৰুত্বপূৰ্ণ বিবেচিত হ'ব বুলি আশা কৰা হৈছে। একে সময়তে কূটনৈতিক মহলৰ মতে দেওবাৰে বিএনপিৰ পদযাত্ৰা আৰু তেওঁলোকৰ স্মাৰকপত্ৰ প্ৰদানৰ ঘটনাক কেন্দ্ৰ কৰি দুয়োখন দেশৰ মাজত হ'বলগীয়া বৈঠকখনৰ গুৰুত্ব বৃদ্ধি পাইছে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বীমাৰ ধনৰ বাবে ভিখাৰীক হত্যা কৰি

বনস্বৰাৰ এজন যুৱক। এজন ভিক্ষাৰীক নৃশংসভাৱে হত্যা কৰি নিজৰ মৃতদেহ সজাবলৈ চেষ্টা কৰিছিল অভিযুক্তজনে। এই ঘটনাৰ তদন্তত সত্য উদঘাটন হোৱাৰ পিছতে নৰেন্দ্ৰ সিং ৰাৱাট নামৰ অভিযুক্ত যুৱকজনক গ্ৰেপ্তাৰ কৰে আৰক্ষীয়ে। জানিব পৰা মতে, নিজৰ ওপৰত থকা ঋণৰ বোজা দূৰ কৰিবলৈ বীমাৰ ধন লাভৰ বাবে এই ভয়ংকৰ ষড়যন্ত্ৰ ৰচিছিল নৰেন্দ্ৰ সিং ৰাৱাটে। আৰক্ষীয়ে সদৰী কৰা মতে, যোৱা ১ ডিচেম্বৰত বনস্বৰাৰ ঝোৰবাৰী গাঁৱৰ সমীপত উদ্ধাৰ হৈছিল এটা অংগচ্ছেদ মৃতদেহ। মৃতদেহৰ মূৰটো ইমানেই থেতেলিয়াই পেলোৱা হৈছিল যে সহজে চিনাক্ত কৰিব পৰা নাছিল। মৃতদেহটোৰ কাষত পৰি থকা বেগটোৰ পৰা উদ্ধাৰ হয় নৰেন্দ্ৰৰ পৰিচয় পত্ৰ। এই তথ্য লাভ কৰাৰ পিছতে আৰক্ষীয়ে নৰেন্দ্ৰৰ পৰিয়ালৰ সৈতে যোগাযোগ কৰে। কিন্তু তেওঁৰ পৰিয়ালৰ লোকে স্পষ্ট কৰি দিয়ে যে মৃতদেহটো নৰেন্দ্ৰৰ নহয়। আৰক্ষীৰ মনতো সন্দেহ ঘণীভূত হয়। আৰক্ষীয়ে তদন্ত গভীৰতালৈ গৈ মৃত লোকজন টুফান সিং নামৰ এজন ভিক্ষাৰী বুলি চিনাক্ত কৰে। পিছত অঞ্চলটোৰ চিচিটিভি ফুটেজ পৰীক্ষা কৰি আৰক্ষীয়ে আটক কৰে দুজন ট্ৰাক চালকক। তেওঁলোকৰ জেৰাৰ সময়ত নৰেন্দ্ৰৰ ষড়যন্ত্ৰ ফাদিল হয়। নৰেন্দ্ৰক গ্ৰেপ্তাৰ কৰাৰ পিছত বীমাৰ ধন পাবলৈ তেওঁ এই হত্যাকাণ্ড সংঘটিত কৰা বুলি জানিব পৰা গৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰক্তৰঞ্জিত বিধায়ক আৱাস

মন্ত্ৰিত্বক লৈ সৰৱ চৰ্চা চলিছে। তেনে সময়তে দেওবাৰে দিছপুৰত শুনাগ'ল প্ৰাণ ৰক্ষাৰ বাবে কৰা আৰ্তনাদ। প্ৰাণ ৰক্ষাৰ বাবে এজন সাধাৰণ ৰান্ধনিৰ মৰণ-কাতৰ চিঞৰ শুনিলে একাংশ লোকে। ৰক্তৰঞ্জিত ৰান্ধনিয়ে চিঞৰি-বাখৰ কৰি প্ৰাণ ৰক্ষাৰ বাবে কাৰোবাৰ পৰা অকণমান সহায় বিচৰা দেখিলে একাংশ লোকে। শৰীৰ তেজেৰে তিতি যোৱা ৰান্ধনিজনৰ মৰণকাতৰ চিঞৰত কঁপি উঠে বিধায়ক আৱাস। জানিব পৰা মতে, ৰান্ধনিজন হৈছে শদিয়াৰ বিজেপিৰ বিধায়ক বলিন চেতিয়াৰ ৰান্ধনি সঞ্জীৱ সন্যাসী। বলিন চেতিয়াৰ ব্যক্তিগত সহায়ক সঞ্জীৱ গোঁহায়ে ৰান্ধনিজনক বৰ্বৰভাৱে প্ৰহাৰ কৰে। কোনো চোকা অস্ত্ৰজাতীয় সামগ্ৰীৰে আঘাত কৰাত তেজেৰে লুতুৰি-পুতুৰি হৈ পৰে ৰান্ধনি সঞ্জীৱ সন্যাসী। কিছু সময় পাছতে বলিন চেতিয়াৰ আৱাসত বসবাস কৰা অন্য একাংশ লোকে ৰান্ধনি সঞ্জীৱক হাস্পতালত ভৰ্তি কৰায়। অভিযোগ মতে, বলীন চেতিয়াৰ ব্যক্তিগত সহায়ক সঞ্জীৱ গোহাঁয়ে কোনো কথাৰ গইনা লৈ প্ৰথমে গালি-গালাজ কৰে সঞ্জীৱ সন্যাসীক। তাৰ পিছতে বৰ্বৰভাৱে প্ৰহাৰ কৰে। প্ৰহাৰৰ পিছতে তেজেৰে ৰাঙলী হৈ পৰে বিধায়ক বলিন চেতিয়াৰ বিধায়ক আৱাস। একাংশ লোকে বলিন চেতিয়াৰ বিধায়ক আৱাসত চিঞৰ-বাখৰ, হৈ-হাল্লা শুনিছিল। অভিযোগ মতে, বলিন চেতিয়াৰ ওভতগোৰে নচা ব্যক্তিগত সহায়ক সঞ্জীৱ গোঁহায়ে গুৰু-সোগাই নামনি প্ৰায়ে যাকে-তাকে আক্ৰমণ কৰিবলৈ উদ্যত হয়। আজিও তদ্ৰুপ এজন সাধাৰণ ৰান্ধনিক বৰ্বৰভাৱে প্ৰহাৰ কৰে। দিছপুৰ আৰক্ষীয়ে ঘটনা সংঘটিত হোৱাৰ প্ৰায় এঘণ্টা পাৰ হৈ যোৱাৰ পিছতো বলিন চেতিয়াৰ আৱাসত উপস্থিত হোৱা নাই বুলি জানিব পৰা গৈছে। আৰক্ষীয়ে ততাতৈয়াকৈ উপস্থিত নোহোৱা কাৰ্যত এই কথা অনুমান কৰিব পাৰি যে ঘটনাক লৈ গোচৰ ৰুজু নহ'ব পাৰে। ঘটনা সংঘটিত হোৱাৰ সময়ত বিধায়ক আৱাসত বলিন চেতিয়া আছিল নে নাই সেই কথা জানিব পৰা হোৱা নাই। শেহতীয়াকৈ ক্ষমতাই মূৰত ধৰা লোকৰ দপদপনি চলি আহিছে দিছপুৰৰ বিধায়ক আৰু মন্ত্ৰীৰ আৱাসত। মন্ত্ৰী, বিধায়কৰ ঘনিষ্ঠ হোৱা দেখুৱাই বিধায়ক আৰু মন্ত্ৰীৰ আৱাসত একাংশই অতপালি দেখুৱাই অহাৰ কথাটো নতুন কথা নহয়। বিধায়ক, মন্ত্ৰীৰ সাঁচ মানুহ হোৱাৰ সুবাদতে ক্ষমতাৰ বলত বলীয়ান হৈ থকা লোকৰ পৰা সাৰি নগ'ল ৰান্ধনিও। দৰিদ্ৰ ঘৰৰ সন্তান সঞ্জীৱ সন্যাসীয়ে বিধায়কৰ ঘৰত ৰান্ধনি হিচাপে থাকি ঘৰখন চলাই আহিছে যদিও বৰ্বৰভাৱে প্ৰহাৰৰ বলি হ'লেও ন্যায় দিবলৈ হয়তো কোনেও মাত এষাৰ নিদিব। মূৰত আৰু শৰীৰৰ কেইবাটাও স্থানত আঘাত পোৱা সঞ্জীৱ সন্যাসীয়ে বিধানসভাৰ স্বাস্থ্য সেৱা কেন্দ্ৰত চিকিৎসা কৰাৰ অন্তত বাথৰূমত পৰিহে আঘাত পোৱা বুলি মন্তব্য কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# শুৱালকুছি-পলাশবাৰী দলঙৰ ভূমি পূজন

গুৱাহাটীত নিৰ্মাণ হ'বলগীয়া আন এখন দলঙৰ ভূমি পূজন সম্পন্ন কৰে। হিন্দু ধৰ্মৰ ৰীত-নীতি অনুসৰি গুৱাহাটীত নিৰ্মাণ হ'বলগীয়া গুৰুত্বপূৰ্ণ দলংখনৰ ভূমি পূজন কৰে মুখ্যমন্ত্ৰীয়ে। মুখ্যমন্ত্ৰীয়ে ভূমি পূজন কৰাৰ পিছতে নিৰ্মাণৰ কামৰ শুভাৰম্ভ হয়। এই দলংখনে ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে থকা পলাশবাৰী আৰু শুৱালকুছিত সংযোগ কৰিব। বহিঃবিত্তীয় সাহায্য প্ৰাপ্ত অসম দলং নিৰ্মাণ প্ৰকল্পৰ অধীনত ব্ৰহ্মপুত্ৰৰ ওপৰত পলাশবাৰী-শুৱালকুছি ফৰলেনযুক্ত এক্সট্ৰা ডজড দলঙৰ নিৰ্মাণে ব্ৰহ্মপুত্ৰৰ উত্তৰ দিশ আৰু দক্ষিণ দিশক সংযোগ ঘটাব। এলএনটিয়ে নিৰ্মাণ কৰিব লগীয়া এই দলঙৰ অহা ২০২৮ চনৰ জুনৰ ভিতৰত অসমবাসীলৈ মুখ্যমন্ত্ৰীয়ে যাতায়তৰ বাবে মুকলি কৰি ৰাজ্যবাসীক উপহাৰ দিব বুলি মন্তব্য কৰে। দুয়োটা দিশৰ লোকক যোগাযোগ সহজ আৰু ব্যৱসায়িক দিশ অধিক সুচল হ'ব বুলিও কয় মুখ্যমন্ত্ৰীয়ে। ৩,১৯৭ কোটি টকা ব্যয় সাপেক্ষ নিৰ্মাণ হ'বলগীয়া দলংখনে মুখ্যমন্ত্ৰীয় তেওঁৰ সপোন সাকাৰ কৰিছে আৰু নিৰ্মাণৰত দলংখনে বিজেপিৰ প্ৰগতিৰ যাত্ৰাৰ অন্য এক মাত্ৰ বুলি কৈ মুখ্যমন্ত্ৰী কয় যে দুটো পাৰৰ দূৰত্ব হ্ৰাসে প্ৰতিবন্ধক হিচাপে থিয় দিয়া কিছুমান ব্যক্তিগত কোম্পানীৰ ব্যৱসায়ে এতিয়া দুয়োপাৰে ইচ্ছানুযায়ী ব্যৱসায় সম্প্ৰসাৰণ কৰাৰ সুবিধা থাকিব। দলংখন সম্পূৰ্ণ হোৱাৰ পিছত বিদ্যায়তনিক দিশতো এক নতুন দিগন্তৰ সূচনা হ'ব। উত্তৰ ফালৰ ছাত্ৰ-ছাত্ৰীসকলে গুৱাহাটী বিশ্ববিদ্যালয়লৈ আহিলে মাত্ৰ পোন্ধৰ মিনিটত বিশ্ববিদ্যালয় পাব। ভূমি পূজনৰ পূৰ্বে শুৱালকুছি প্ৰৱেশ পথৰ সমীপত নিৰ্মিত শুৱালকুছি বিজেপি মণ্ডলৰ কাৰ্যালয় উদ্বোধন কৰে মুখ্যমন্ত্ৰীগৰাকীয়ে। কাৰ্য্যালয় উদ্বোধন কৰি ২০২৬ৰ বিধানসভা নিৰ্বাচনৰ পূৰ্বে অসমৰ প্ৰায়বোৰ বিধানসভা সমষ্টিতে মণ্ডলত পৰ্যায়ত বিজেপিৰ মণ্ডল কাৰ্যালয় নিৰ্মাণ হ'ব। ভূমি পূজনত ৰাজ্যসভাৰ সাংসদ ভুৱনেশ্বৰ কলিতা, সাংসদ পৱিত্ৰ মাৰ্ঘেৰিটা, জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰ, অভিভাৱক মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, পৰিবহন বিষয়া গৌতম দাস, অসম অনুসূচিত জাতি মৰ্চাৰ উপ-সভাপতি প্ৰকাশ চন্দ্ৰ দাস, শুৱালকুছি মণ্ডল বিজেপিৰ সভাপতি ধীৰাজ মহন্ত (বুবু), মণ্ডল সম্পাদক মাণিক বৈশ্য, যুৱ নেতা কেশৱ কলিতা আদি উপস্থিত থাকে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
UniqueBorah.Com
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
88764 90887
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •

প্ৰথম পৃষ্ঠাৰ পৰা...

# বিচাৰিলেই দিয়া নহয় সমষ্টি! কমলা-

দিল্লীৰ নিৰ্দেশত উঠ-বহ কৰা অগপই যে মিত্ৰ দল হিচাপে বিজেপিৰ পৰা পাবলগীয়া মৰ্যাদা লাভ কৰা নাই সেয়া আজি স্পষ্ট কৰিছে মুখ্যমন্ত্ৰীয়ে। কেবাগৰাকী জ্যেষ্ঠ অগপ নেতাই দাবী কৰি অহা আসনৰ বিষয়টোক ভেঙুচালি কৰি মুখ্যমন্ত্ৰীয়ে স্পষ্ট কৰিছে যে বিজেপিৰ দখলত থকা কোনো আসন অগপক এৰি দিয়া নহ'ব। মুখ্যমন্ত্ৰীয়ে স্পষ্ট কৰি দিয়ে যে অসম গণ পৰিষদক সাংগঠনিক শক্তি চাইহে আসন এৰি দিয়া হ'ব। লগতে বিজেপিৰ দখলত থকা কমলপুৰ, পলাশবাৰী, ছিপাঝাৰ, ৰঙিয়া অগপক কোনো কাৰণত এৰি নিদিয়ে বিজেপিয়ে। বিজেপিৰ দখলত থকা কোনো সমষ্টি এৰি নিদিও বুলি স্পষ্ট কৰিছে মুখ্যমন্ত্ৰীগৰাকীয়ে। আজি সংবাদমাধ্যমৰ সৈতে মুখামুখি হৈ বিজেপিৰ দখলত থকা কোনো সমষ্টি অসম গণ পৰিষদে নাপায় বুলি কয় বিজেপিৰ অসমৰ মুখ্য নেতাগৰাকীয়ে। শেহতীয়াকৈ বিজেপিৰ বিৰুদ্ধে সক্ৰিয় অগপৰ জ্যেষ্ঠ নেতা কমলা কলিতা, জয়নাথ শৰ্মা আৰু সত্যব্ৰত কলিতাই কমলপুৰ, পলাশবাৰী, ছিপাঝাৰ, ৰঙিয়া দাবী কৰি আহিছে। মুখ্যমন্ত্ৰীয়ে আজি কয় যে বিজেপিৰ দখলত থকা কোনো সমষ্টি নাপায় অসম গণ পৰিষদে। পলাশবাৰী সমষ্টিত বিজেপি দলেই খেলিব। নেখেলাৰ প্ৰশ্নই উঠিব নোৱাৰে। আমাৰ চিটিং এমএলএ আছে। মই যদি কালি গৈ কও বোকাখাত সমষ্টিটো আমাক লাগে, সেয়া মিত্ৰতাৰ ধৰ্ম নহয়। যদি কমলা কলিতাই উঠিবই খোজে তেন্তে জালুকবাৰীত আহি উঠক। পলাশবাৰী বিজেপিৰ লগত আছে আৰু বিজেপিৰ লগত থাকিব। বোকাখাত, কলিয়াবৰ অগপৰ লগত আছে আমি সেই কেইটা নিবিচাৰো। ইপিনে, অগপই ৪৪ খন আসন দাবী কৰিম বুলি কৈ অহাৰ কথাটো নস্যাৎ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে আসন বিচাৰিলে আপত্তি কৰিবলগীয়া একো নাই। যি দলে যেনেকৈ সংগঠন কৰিব, যদি সংগঠনৰ শক্তি বৃদ্ধি পায় তেন্তে আমি এৰি দিম। আমি এটা বস্তু চাব লাগিব যে কোন দলৰ শক্তি আছে। বিৰোধীৰ বিধায়কে বিজেপিত যোগদান কৰিব নেকি সোধা এক প্ৰশ্নৰ উত্তৰ দি মুখ্যমন্ত্ৰীয়ে কয় যে বৰ্তমান সময়ত কোনো বিধায়কে বিজেপিত যোগদান নকৰে। বিধানসভাৰ নিৰ্বাচনৰ আগতে যদি প্ৰয়োজন হয় তেন্তে কোনোবাই বিজেপিত যোগদান কৰিলে আমি আদৰণি জনাম। এইকেইদিন আমি বেছি ৰাজনীতি কৰি থাকিব খোজা নাই। কোনোবা এজন বিধায়কে যোগদান কৰিলে উপ-নিৰ্বাচনত দুমাহ শেষ হ'ব। তাৰ পিছত কেইদিন থাকিল? ডেৰটা বছৰ কাম কৰিব লাগে। কোনোবাই যদি যোগদান কৰিম বুলি ভাবি আছে তেন্তে জানুৱাৰী-ফেব্ৰুৱাৰীলৈ ৰৈ থাকক। এইকেইদিনত উপ-নিৰ্বাচন খেলি থাকিলে কাম কৰাৰ সময় নোহোৱা হ'ব। পঞ্চায়ত নিৰ্বাচন আৰু মিত্ৰতা ভংগক লৈ স্থিতি স্পষ্ট কৰি মুখ্যমন্ত্ৰীয়ে কয় যে আমাৰ সৈতে থকা মিত্ৰদলৰ সৈতে মিত্ৰতা নাভাঙে, যেনেকৈ আছো তেনেকৈ থাকিব। কিন্তু পঞ্চায়ত নিৰ্বাচনত স্থানীয় পৰ্যায়ত মিত্ৰতা হ'ব। ৰাজ্যিক পৰ্যায়ত নহয়, সমষ্টি বা জিলা পৰ্যায়ত হ'ব। নলবাৰী, জালুকবাৰীত অগপৰ লগত কথা পাতিম। অগপ দলৰ অসন্তুষ্ট নেতাক লৈ প্ৰতিক্ৰিয়া দি মুখ্যমন্ত্ৰীয়ে কয় যে অগপ দলৰ যিসকল বিধায়ক আৰু নেতা অসন্তুষ্ট হৈছে, তেওঁলোকে তেওঁলোকৰ দলীয় পৰ্যায়ত অসন্তুষ্টি ৰাখিব। মই যিহেতু বিজেপিৰ নেতা মই অগপক লৈ কমেণ্ট নিদিও। এনেদৰে আজি মুখ্যমন্ত্ৰীগৰাকীয়ে অগপই বিজেপিৰ কথামতেই চলিব লাগিব বুলি একপ্ৰকাৰ কঠোৰতাৰে স্পষ্ট কৰি দিয়ে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ১২০০ কোটি! মণ্ডলে মণ্ডলে হ'ব

সদৃশ কাৰ্যালয় নিৰ্মাণ কৰি চমক দিবলৈ সক্ষম হয়। যিটো কাম প্ৰায় ৪০ বছৰে অসমত শাসনত থাকি কংগ্ৰেছে কৰিব নোৱাৰিলে, যিটো কাম অসম গণ পৰিষদ, জনতা দলে কৰিব নোৱাৰিলে, সেই কাম কেৱল বিজেপিয়ে কৰিবলৈ সক্ষম হৈছে। জাকত-জিলিকা, ৰাজমহল সদৃশ কাৰ্যালয় নিৰ্মাণ কৰি বিজেপি দল যে বিশ্বৰ বৃহৎ দল সেই কথাকেই যেন প্ৰমাণ কৰিছে। দলে যেনে বৃহৎ, কাৰ্যালয়ো তেনে বৃহৎ হিচাপেই নিৰ্মাণ কৰিছে বিজেপিয়ে। বিজেপি দলে দলৰ সাংগঠনিক ভেটি মজবুত কৰি ৰাখিবলৈ কাৰ্যালয়সমূহ ডাঙৰ ডাঙৰকৈ নিৰ্মাণ কৰিছে, যাতে দল যিমান ডাঙৰ হ'ব সিমানে দলৰ কৰ্মী, সদস্য বাঢ়িব, সিমানে কাৰ্যালয়ত মানুহৰ আহ-যাহ বাঢ়িব। যাৰ বাবে দুশ কোটি, তিনিশ কোটি যি যায় যাওক, কিন্তু কাৰ্যালয়টো এতিয়াই ডাঙৰকৈ নিৰ্মাণ কৰি থোৱাই ভাল বুলি দূৰদৰ্শী চিন্তা কৰিছে। যিহেতু বিজেপিয়ে দেশত ৫০ বছৰ শাসনত থাকিব বুলি ঘোষণাই কৰি থৈছেই, সেয়েহে দলীয় সদস্যৰ সংখ্যা বাঢ়ি যাব। সংখ্যা বাঢ়িলে কাৰ্যালয়ত বৃহৎ লাগিবই। তেনেদৰে জিলা কাৰ্যালয়সমূহো বিজেপিয়ে কেইবামহলীয়াকৈ নিৰ্মাণ কৰিছে। উজনি, নামনি আৰু বৰাকৰ জিলা কাৰ্যালয় একো একোখন থ্ৰী ষ্টাৰ হোটেলহে। ডিব্ৰুগড়, নলবাৰী যিখন জিলালৈ প্ৰত্যক্ষ কৰে প্ৰতিখন জিলাৰ সদৰত বৃহৎ বৃহৎ অট্টালিকা থিয় কৰাই দলীয় কাম-কাজ চলাই গৈছে বিজেপিয়ে। কোনেও প্ৰশ্ন কৰিবলৈ সাহস গোটাব পৰা নাই যে বিজেপিয়ে ক'ৰ পৰা, কেনেকৈ টকা সংগ্ৰহ কৰি ইমান বিশাল বিশাল কাৰ্যালয় নিৰ্মাণ কৰি গৈছে। যিয়ে নহওক বিজেপিয়ে নিজেই দাবী কৰাৰ দৰে বিশ্বৰ বৃহৎ দল যিহেতু, কেৱল জিলা কৰ্যালয়েই নহয়, মণ্ডল কাৰ্যালয়ো লাগিব। এইবাৰ বিজেপিয়ে ৰাজ্যৰ সকলো মণ্ডল এলেকাত একো একোটা মণ্ডল কাৰ্যালয় নিৰ্মাণ কৰিব। আজি এই কথা খোদ ঘোষণা কৰিছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। আজি শুৱালকুছিত বিজেপিৰ মণ্ডলৰ কাৰ্যালয় উদ্বোধন কৰে মুখ্যমন্ত্ৰীয়ে। বিজেপিৰ শুৱালকুছি মণ্ডল কাৰ্যালয়টো অগপ আৰু কংগ্ৰেছৰ মুখ্য কাৰ্যালয়টোৰ দৰেই একেই। বিজেপিৰ শুৱালকুছিৰ সূত্ৰৰ মতে, কাৰ্যালয়টো নিৰ্মাণত ৩ কোটি টকাতকৈ অধিক টকা ব্যয় হৈছে। আনহাতে, হাজো ৰাজহ চক্ৰৰ শুৱালকুছিৰ মুখ্য গেটৰ সমীপৰ কোটিটকীয়া মূল্যৰ ৬ বিঘা চৰকাৰী মাটি বিজেপি চৰকাৰে শুৱালকুছি মণ্ডলৰ নামত আৱণ্টন দিয়ে। সেই ৬ বিঘা মাটি বছৰৰ পিছত বছৰ ধৰি কোনো লোকৰ দখলত আছিল যদিও বিজেপিয়ে মাটি আমাক দৰকাৰ বুলি কৈ নিজৰ নামত আৱণ্টন কৰি লয়। বছৰ বছৰ মাটি দখল কৰি থকা লোকে ভয়তে মাটি এৰি দিবলৈ বাধ্য হয়। ছয় বিঘা মাটিৰ সন্মুখভাগত কাৰ্যালয়টো দুই মহলীয়াকৈ নিৰ্মাণ কৰা হৈছে। বিজেপি দল তথা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই একেই আৰ্হিৰে সমগ্ৰ অসমৰ মণ্ডল সমিতিক একো একোটা কাৰ্যালয় স্থাপন কৰি দিব। আজি শুৱালকুছিৰ কাৰ্যালয় উদ্বোধন কৰি ২০২৬ৰ বিধানসভা নিৰ্বাচনৰ পূৰ্বে বিধানসভা সমষ্টিসমূহত মণ্ডল কাৰ্যালয় নিৰ্মাণৰ ঘোষণা কৰে খোদ মুখ্যমন্ত্ৰীয়ে। ৰাজ্যিক কাৰ্যালয়, জিলা কৰ্যালায়ৰ পিছতে মণ্ডল কাৰ্যালয় নিৰ্মাণ কৰিবলৈ সাজু হোৱা বিজেপিয়ে শুৱালকুছিৰ দৰে ছয়বিঘা বা তাতকৈ বেছি বা কম মাটিত কাৰ্যালয় নিৰ্মাণ কৰিব। যদি একেই আৰ্হিৰে প্ৰতিটো মণ্ডল কাৰ্যালয় নিৰ্মাণ কৰে, তেন্তে প্ৰতিটো কাৰ্যালয় নিৰ্মাণৰ নামত ৩ কোটিতকৈ অধিক খৰচ হ'ব। যদি সমগ্ৰ অসমৰ মণ্ডল সমিতিয়ে একোটো কৰ্যালয় নিৰ্মাণ কৰিবলগীয়া হয় তেন্তে সমগ্ৰ অসমত নিৰ্মাণ হ'ব ৪০৪টা মণ্ডল কাৰ্যালয়। যদি শুৱালকুছিৰ কাৰ্যালয়টোৰ দৰে কাৰ্যালয় নিৰ্মাণ কৰে তেন্তে মণ্ডল কাৰ্যালয় নিৰ্মাণৰ নামত প্ৰায় ১২০০ কোটি খৰচ হ'ব। খাদ্য সামগ্ৰীৰ মূল্যবৃদ্ধিৰ সময়ত তথা ঠিকাদাৰক সময়মতে বিল আদায় দিয়াত চৰকাৰ ব্যৰ্থ হোৱাৰ সময়তে বিজেপিয়ে ইমান টকা খৰচ কৰি বিলাসী কাৰ্যালয় নিৰ্মাণ কৰিবলৈ ওলোৱা কাৰ্যই সচেতন মহলৰ চকু কপালত তুলিছে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

# ১৬ জানুৱাৰীৰ পৰা ঐতিহাসিক জোনবিল মেলা, জাগীৰোডত প্ৰস্তুতি আৰম্ভ

**ই-সংবাদ, জাগীৰোড, ৮ ডিচেম্বৰঃ** পাহাৰ-ভৈয়ামৰ সম্প্ৰীতিৰ জোনবিল মেলা উদযাপন কৰিবলৈ যোৱা ৩ নৱেম্বৰত গোভা দেওৰজা ৰাজপৰিষদ, জোনবিল মেলা উন্নয়ন সমিতি আৰু ঐতিহাসিক তিৱা ৰাজদৰবাৰ অসমৰ 'দৰবাৰ' গোভা দেওৰজাৰ নখোলা ৰাজভৱনত অনুষ্ঠিত হয়। দৰবাৰৰ সিদ্ধান্ত মৰ্মে ২০২৫ বৰ্ষৰ ১৬, ১৭, আৰু ১৮ জানুৱাৰীত তিনিদিনীয়া পৰম্পৰাগত কাৰ্যসূচীৰে তিৱা জাতিৰ দলিল স্বৰূপ, তিৱা সংস্কৃতিৰ প্ৰাণ কেন্দ্ৰ, পাহাৰ-ভৈয়ামৰ মিলনৰ ক্ষেত্ৰ আৰু বিভিন্ন জাতি জনগোষ্ঠীৰ সমন্বয়ৰ প্ৰতীক জোনবিল মেলা জোনবিল পাৰত অনুষ্ঠিত হ'ব। আমচাই পিনুং, বৰমাৰ্জং পিনুং, চখা আমনি পিনুং, বালিখুঞ্জী পিনুং, বংখৈবাৰ, খাওঁৰাক্ৰাই, চিলাংখুঞ্জী, উঠাংখুঞ্জী, গমনাচাল, খেয়াপাত, আমদবা, মুগাগুৰি, হাদাউক্ৰাই, ভঙৰাগুৰি, নাট্ৰাল, উমৰবণ, ঔৰাগুৰি, থাৰাখুঞ্জী, মিছাকুংগুৰি, খুমৰাইখৰা, চিলিখাগুৰি, তিৰাচ'না, আমচপ্ৰা, চিগদা মাখা, আদিকে কৰি কাৰ্বিআংলংৰ পৰা প্ৰায় ৫৮ খন গাঁও আৰু মেঘালয়ৰ পৰা মায়ং পিনুং, মাগৰপিনুং, ছাগ্ৰাৱালী, আমডুবিঘাট, আমজং, লোমফৈ, উনট্ৰাই, উমদেন, উমলাপেৰ, আমখাং, ন-খাপ, মকেৰ মৰঙা, চিনাদন আদিকে কৰি প্ৰায় ২০ খন গাঁৱৰ পৰা পাহাৰৰ উৎপাদিত মেটমৰা সামগ্ৰী লৈ এই বছৰ পৰম্পৰাগত জোনবিল মেলাৰ বিনিময় প্ৰথাৰে নামি আহিব। তাৰোপৰি সমূহীয়া মাছ ধৰা পৰ্ব, কুকুৰা যুঁজৰ লগতে থাকিব বাণিজ্য মেলা। ১৭ জানুৱাৰীত জোনবিল মেলাত গোভা দেওৰজা 'দৰবাৰত' মুখ্য অতিথি হিচাপে অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাক আমন্ত্ৰণ জনাবলৈ সৰ্বসন্মতিক্ৰমে প্ৰস্তাৱ গ্ৰহণ কৰা হয় আৰু উক্ত দৰবাৰত উপস্থিত থকা ২২ জন তিৱা ৰজাক ৰাজভাট্টা প্ৰদান কৰিবলৈ আবেদন জনোৱা হ'ব। দৰবাৰত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব মন্ত্ৰী পীযুষ হাজৰিকা আৰু ৰনোজ পেগু। লগতে উপস্থিত থাকিব মৰিগাঁও সমষ্টিৰ বিধায়ক ৰমাকান্ত দেউৰী আৰু তিৱা স্বায়ত্ব পৰিষদৰ মুখ্য কাৰ্যবাহী সাদস্য জীৱন চন্দ্ৰ কোঁৱৰ। পাহাৰ-ভৈয়ামৰ সম্প্ৰীতিৰ এই জোনবিল মেলাত চলচিত্ৰ জগতৰ বিশিষ্ট অভিনেত্ৰী আইমী বৰুৱা আৰু তিৱা কথাছবিৰ পৰিচালিকা ৰজত কমল বঁটা প্ৰাপক ববি শৰ্মাক উষ্ম আদৰণি আৰু বিশেষ সম্বৰ্দ্ধনা জনাবলৈ দৰবাৰত সৰ্বসন্মতিক্ৰমে প্ৰস্তাৱ গ্ৰহণ কৰা হয়। জোনবিল মেলাৰ ইতিহাস বিশ্বত প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে আগন্তুক মেলাত আঞ্চলিক আৰু ৰাষ্ট্ৰীয় পৰ্যায়ৰ বিশিষ্ট সাংবাদিকক আমন্ত্ৰণ জনাই বিশেষ আলোচনা সভাৰ আয়োজনৰ সিদ্ধান্ত লোৱা হয়। লগতে দেশী-বিদেশী পৰ্যটকসকলৰ লগত বাৰ্তালাপৰ তিৰা পৰম্পৰা মেলৰ আয়োজন কৰা হৈছে। সমন্বয়ৰ এই জোনবিল মেলাত প্ৰতিবছৰে দেশ বিদেশৰ পৰ্যটক আৰু পাহাৰ-ভৈয়ামৰ ৫-৬ লাখ লোক সমবেত হয়। বৰ্তমান জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে সকলো জনগোষ্ঠীয়ে ইতিহাস প্ৰসিদ্ধ জোনবিল মেলাক আকোৱালি লৈছে। এনে মহান ঐতিহ্য বহন কৰা জোনবিল মেলাত অহা বছৰৰ পৰা এটা বন্ধৰ দিন ঘোষণা কৰিবলৈ দৰবাৰে অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাক আবেদন জনাবলৈকো সৰ্বসন্মতিক্ৰমে প্ৰস্তাৱ গ্ৰহণ কৰে। গোভা দেওৰজা ৰাজপৰিষদ, জোনবিল মেলা উন্নয়ন সমিতিৰ উদ্যোগত আৰু মাৰকাংকুছি তিৱা কাণ্ঠিচ্যুৰী চ্যমতৰ সহযোগত এইবেলি জোনবিল মেলাত ১৭ জানুৱাৰীত "জোনবিল সাংস্কৃতিক উৎসৱৰ আয়োজন কৰা হৈছে। উক্ত সাংস্কৃতিক উৎসৱত অসমৰ বিশিষ্ট সামাজিক ব্যক্তি আৰু প্ৰশাসনীয় বিষয়া সকল উপস্থিত থাকিব। যোৱা কেইবছৰৰ দৰে এইবাৰো জোনবিল মেলাত এনইজেদচিচি, ডিমাপুৰ, ভাৰতৰ বিভিন্ন ৰাইজৰ সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰিছে। আজিৰ দৰবাৰত পৰম্পৰাগত জোনবিল মেলাত সকলোকে যোগদান কৰিবলৈ আহ্বান জনায় মেলা উন্নয়ন সমিতিয়ে।

# নগাঁৱৰ মাজপাঠৰীত 'বিশ্ব প্ৰতিবন্ধী দিৱস' পালন

**ই-সংবাদ, পুৰণিগুদাম, ৮ ডিচেম্বৰঃ** বিশেষভাৱে সক্ষম লোকসকলৰ প্ৰতি সহমৰ্মিতা আৰু পাৰস্পৰিক সহযোগিতা প্ৰদৰ্শনৰ এক বিশেষ দিন "বিশ্ব প্ৰতিবন্ধী দিৱস"টি নগাঁও জিলাৰ মাজপাঠৰী উচ্চ মাধ্যমিক বিদ্যালয় প্ৰাংগণত দুদিনীয়াকৈ বিস্তৃত কাৰ্যসূচীৰে আজি অনুষ্ঠিত হৈ যায়। মানুহৰ শাৰীৰিক, মানসিক আৰু বৌদ্ধিক বিকাশত বাধাগ্ৰস্ত হৈ প্ৰতিবন্ধকতাৰ মাজেৰে জীৱন অতিবাহিত কৰা লোকসকলক এখন উমৈহতীয়া মঞ্চ দিয়াৰ সৎ উদ্দেশ্য আগত ৰাখি ২০২১ চনত প্ৰতিষ্ঠা লাভ কৰা নগাঁও প্ৰতিবন্ধী দিৱস উদ্‌যাপন সমিতিৰ উদ্যোগত আৰু ৰাইজৰ সহযোগত আজি পুৱা ৯-৩০ বজাত বিনামূলীয়া চিকিৎসা শিবিৰ উদ্বোধনেৰে দিনযোৱা বৰ্ণাঢ্য কাৰ্য্যসূচী শুভাৰম্ভ কৰা হয়।নগাঁও জিলা আয়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহে শুভ উদ্বোধন কৰাৰ পিছতে বিনামূলীয়া চিকিৎসা শিবিৰত চাৰিগৰাকী চিকিৎসক ক্ৰমে ডাঃ বীণাপানি নেওগ, ডাঃ কবিতা বৰুৱা, ডাঃ নিবিড় শইকীয়া আৰু ডাঃ সৌৰভ কাকতিৰ লগতে চিকিৎসা কৰ্মীসকলে শতাধিক ৰোগীক সাধাৰণ ৰোগৰ চিকিৎসা সেৱা আগবঢ়োৱাৰ লগতে বিনামূলীয়াকৈ ঔষধ বিতৰণ কৰা হয়। পুৱা ১০ বজাৰ পৰা প্ৰতিবন্ধীসকলৰ নাম পঞ্জীয়নভুক্ত কৰাৰ লগতে প্ৰতিবন্ধীসকলৰ চিনাকি পৰ্বৰ লগতে আদৰণি জনোৱা হয়। তাৰ পাছত প্ৰতিবন্ধীসকলৰ প্ৰতিভা বিকাশ প্ৰদৰ্শনৰ এক মননশীল অনুষ্ঠান অনুষ্ঠিত হয়। উক্ত অনুষ্ঠানত নগাঁও-বটদ্ৰৱা বিধানসভা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাই মুখ্য অতিথি হিচাপে উপস্থিত থাকি অনুষ্ঠানটি শুভ উদ্বোধন কৰাৰ লগতে বিশেষভাৱে সক্ষম ঋত্বিক হাজৰিকাৰ দৃষ্টিনন্দন সত্ৰীয়া নৃত্য আৰু প্ৰাপ্তিলিকা বৰাৰ বিহুনৃত্য প্ৰত্যক্ষ কৰি ভূয়সী প্ৰশংসা কৰে। বিধায়কগৰাকীয়ে নগাঁও প্ৰতিবন্ধী দিৱস উদযাপন সমিতিৰ এনে যোগাত্মক কাৰ্যসূচী সফল ৰূপায়ণৰ বাবে অনাগত দিনত সহায়ৰ আশ্বাস প্ৰদান কৰে। ইয়াৰ পাছতে নগাঁৱৰ জ্যেষ্ঠ সাংবাদিক কনক হাজৰিকাৰ সভাপতিত্বত এখন মুকলি সভা অনুষ্ঠিত হয়। উক্ত অনুষ্ঠানতে স্মৰণিকা "প্ৰত্যাশা"ৰ তৃতীয় সংখ্যাটো উন্মোচন কৰা হয়। স্মৰণিকা সমিতিৰ সভাপতি মুকুল শৰ্মা, সম্পাদকদ্বয় নীলৰঞ্জন শৰ্মা আৰু জয়ন্ত বৰাৰ সম্পাদনাত প্ৰকাশ পোৱা "প্ৰত্যাশা" উন্মোচন কৰে নগাঁও মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ, বিশিষ্ট সাহিত্যিক ডঃ শৰৎ বৰকটকীয়ে। ডঃ বৰকটকীয়ে তেওঁৰ ভাষণ প্ৰসংগত স্মৰণিকাখনি সৰ্বাংগসুন্দৰ হোৱা বুলি প্ৰশংসা কৰাৰ লগতে কেইবাগৰাকী প্ৰতিবন্ধী লোকৰ সৈতে তেওঁৰ বহু স্মৃতি জড়িত হৈ থকা বুলি বক্তব্য আগবঢ়ায়। উক্ত অনুষ্ঠানত বঢ়মপুৰ অন্ধ উচ্চ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰীসকলে ড০ ভূপেন হাজৰিকাৰ কালজয়ী গীত "মানুহে মানুহৰ বাবে" পৰিৱেশন কৰি মুকলি সভাৰ কাৰ্যক্ৰমণিকা আৰম্ভ কৰে। নগাঁও প্ৰতিবন্ধী দিৱস উদযাপন সমিতিৰ সাধাৰণ সম্পাদক জয়ন্ত বৰাই সামগ্ৰিকভাৱে আঁট ধৰা এই অনুষ্ঠানত কাৰাগাৰ বিভাগৰ ডি আই জি গৌতম বৰাই দিৱসৰ সৈতে সংগতি ৰাখি বক্তব্য প্ৰদান কৰে। নগাঁও প্ৰতিবন্ধী দিৱস উদযাপন সমিতিৰ সভাপতি গোলাপ চন্দ্ৰ কলিতা, কাৰ্যকৰী সভাপতি মুকুল শৰ্মা, অৱসৰপ্ৰাপ্ত শিক্ষক পুণিৰাম শইকীয়া, বঢ়মপুৰ অন্ধ উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী গুণ বৰা, লেখিকা নিজৰা হাজৰিকা প্ৰমুখ্যে বহুকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে। উক্ত অনুষ্ঠানতে আৰোহণ ফাউণ্ডেচনৰ তৰফৰ পৰা আগবঢ়োৱা হুইল চেয়াৰ কেইবাগৰাকী প্ৰতিবন্ধী লোকক প্ৰদান কৰা হয়। সন্ধ্যা বন্তি প্ৰজ্বলনেৰে আলোকিত পৰিবেশৰ মাজতে উদযাপন সমিতিৰ প্ৰতিষ্ঠাপক কাৰ্যকৰী সভাপতি জিতু শৰ্মা আৰু উপদেষ্টা শ্ৰীমন্ত ভূঞাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰা হয়। সন্ধিয়াৰ পৰা অনুষ্ঠিত হোৱা "স্নেহবন্ধন" শীৰ্ষক সাংস্কৃতিক অনুষ্ঠানত কেইবাগৰাকী প্ৰতিবন্ধী শিল্পীৰ লগতে আন কেইবাগৰাকী শিল্পীয়ে গীত পৰিবেশনেৰে কেইবাশতাধিক শ্ৰোতা-দৰ্শকক সন্মোহিত কৰে। অনুষ্ঠানটি সুকলমে সম্পন্ন কৰাৰ ক্ষেত্ৰত সকলোৱে সহায়-সহযোগিতাৰ বাবে অভ্যৰ্থনা সমিতিৰ সভাপতি গুণকান্ত বৰা আৰু সম্পাদক হৰেশ্বৰ শইকীয়াই ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছে।

## ব্যৱহাৰৰ পূৰ্বে ভাঙিলে একাধিক পকী গাৰ্ডাৰ, কোটি কোটি টকাৰ শৰাধ

# শিৱসাগৰত ফ'ৰলেন নিৰ্মাণত বৃহৎ অনিয়ম



**ই-সংবাদ, শিৱসাগৰ, ৮ ডিচেম্বৰঃ** শিৱসাগৰ জাঁজীৰ পৰা ডিমৌলৈকে চাৰিলেনযুক্ত পথ আৰু সংযোগী দলং নিৰ্মাণত যে বিয়াগোম কেলেংকাৰী হ'ল, ৰাজকোষৰ কোটি কোটি টকা এটা চক্ৰই শৰাধ কৰিলে সেয়া অধিক স্পষ্ট হৈ পৰিছে। এইবাৰ খোদ ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণৰ নিৰ্দেশনা অনুসৰিয়েই দলঙত ব্যৱহাৰ কৰাৰ আগেয়ে নতুন ঠিকাদাৰ প্ৰতিষ্ঠানে ভাঙি পেলাইছে পূৰ্বৰ ঠিকাদাৰ প্ৰতিষ্ঠানে নিৰ্মাণ কৰি থৈ যোৱা বহু সংখ্যক গাৰ্ডাৰ। কোটি কোটি টকা সৰকাই ২০২১ চনতে পলায়ন কৰা জিডিচিএল আৰু তাৰ অধীনত কাম কৰা ভিএছডি নামৰ ঠিকাদাৰ প্ৰতিষ্ঠান দুটাই কাম এৰাৰ আগেয়ে কেইবাখনো নিৰ্মীয়মান দলঙত ব্যৱহাৰ কৰিবলৈ নিৰ্মাণ কৰিছিল কেতবোৰ পকী গাৰ্ডাৰ। ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথ সংযোগী দিখৌ নদীৰ ওপৰত থকা গেমন দলং, দৰিকা নদীৰ ওপৰত থকা দৰিকা দলঙৰ কাষতে নতুনকৈ নিৰ্মাণ কৰি থকা হৈছে একোখনকৈ পকী দলং। চাৰিলেনযুক্ত পথৰ লগত সংগতি ৰাখি নিৰ্মাণ কৰি থকা এই দলংসমূহত ব্যৱহাৰ কৰিবলৈকে বহু সংখ্যক গাৰ্ডাৰ নিৰ্মাণ কৰিছিল জিডিচিএল আৰু ভিএছডি নামৰ প্ৰতিষ্ঠা নদুটাই। বৰ্তমান সেই গাৰ্ডাৰসমূহত পৰিছে হাতুৰী আৰু এক্সেভেটৰৰ কোব। এটা এটা গাৰ্ডাৰৰ বাবদ নিৰ্মাণ ব্যয় দেখুৱাইছিল ৫০ৰ পৰা ৭০-৮০ লাখ টকা পৰ্যন্ত। কিন্তু পৰৱৰ্তী পৰ্যায়ত ফ'ৰষ্টাৰ ঠিকাদাৰ প্ৰতিষ্ঠানটোৱে চাৰিলেনযুক্ত পথটোৰ নিৰ্মাণৰ নিবিদা লাভ কৰাৰ সময়তে পোহৰলৈ আহে ভয়ংকৰ তথ্য। জিডিচিএলে নিৰ্মাণ কৰি থৈ যোৱা গাৰ্ডাৰসমূহ অতি নিম্নমানৰ আৰু দলঙত ব্যৱহাৰৰ অনুপযোগী বুলি পৰীক্ষাগাৰত প্ৰমাণিত হয়। অথচ সেইবিলাক গাৰ্ডাৰ উন্নতমানৰ বুলি ভুৱা প্ৰতিবেদন, ভুৱা বিল জমা দি বহু কোটি টকা উলিয়াই নিছিল জিডিচিএল আৰু ভিএছডিয়ে। ৰহস্যজনক কাৰণত এই খবৰ গোপনে ৰাখিবলৈ এনএইছআইডিচিএলে চেষ্টা কৰিছিল যদিও সংবাদ মাধ্যমত সকলো ফাদিল হয়। উপায়হীন হৈ শিৱাসৱলালকাৰ ঠিকাদাৰ প্ৰতিষ্ঠানকে সেই গাৰ্ডাৰ ভাঙি নতুনকৈ নিৰ্মাণৰ নিৰ্দেশ দিছিল যদিও প্ৰতিষ্ঠানটোৱে তাৰ বাবদ হোৱা খৰচ বহন কৰিবলৈ অস্বীকাৰ কৰি কাম এৰি দিয়ে। ফলত এক বছৰ ধৰি নিৰ্মাণকাৰ্য বন্ধ হৈ থকাত বৰ্তমান নতুন ঠিকাদাৰ প্ৰতিষ্ঠানে দ্ৰুত গতিত কাম আৰম্ভ কৰিছে। লক্ষণীয়ভাৱে জিডিচিএলে নিৰ্মাণ কৰি থৈ যোৱা নিম্নমানৰ, ব্যৱহাৰৰ অনুপযোগী গাৰ্ডাৰসমূহ এটা এটাকৈ বৰ্তমান ভাঙি পেলোৱা পৰিলক্ষিত হৈছে। দৰিকাপাৰত ৰাষ্ট্ৰীয় ঘাইপথৰ কাষত থকা চাৰিটা গাৰ্ডাৰৰ দুটা, বেতবাৰী শুকান পুখুৰীৰ সমীপত ঘাইপথৰ কাষত থকা দুটা গাৰ্ডাৰ বৰ্তমান চূৰমাৰ কৰি ভাঙি পেলালে। সেইদৰে অচিৰেই ভাঙিব আৰু বহুকেইটা গাৰ্ডাৰ। তাৰ ঠাইত নতুন নতুন গাৰ্ডাৰ নিৰ্মাণ আৰম্ভ কৰিছে। কিন্তু যিবিলাক গাৰ্ডাৰ নিম্নমানৰ হোৱা বাবে ভাঙিবলগীয়া হৈছে তাৰ বাবদ ইতিমধ্যেই জিডিচিএলে উলিয়াই নিয়া ১৭ কোটিৰো অধিক টকা ঘূৰাই আনিব পাৰিবনে? জিডিচিএল আৰু ভিএছডিএ সেই সময়ত গাৰ্ডাৰসমূহ নিৰ্মাণ কৰোঁতে কিয় ৰাষ্ট্ৰীয় ঘাইপথ আন্তঃগাঁথনি উন্নয়ন প্ৰাধিকৰণে ভালদৰে নীৰিক্ষণ কৰা নাছিল? গাৰ্ডাৰ সমূক্ষ পৰীক্ষা নকৰাকৈ কিয় ধন মোকলাই দিলে? অতি সম্প্ৰতি এই প্ৰশ্ন সমূহ উঠিছে যদিও নীৰৱে আছে ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণ। সেই সময়ত এনএইচআইডিচিএলৰ বিষয়া, অভিযন্তায়ো ঠিকাদাৰৰ পৰা কমিচন লৈয়ে জিডিচিএলক চকু মুদি ধন মোকলাই দিছিল নেকি বুলিও প্ৰশ্ন উত্থাপন কৰিছে ৰাইজে। ব্যৱহাৰ কৰাৰ আগেয়ে নৱনিৰ্মিত গাৰ্ডাৰ ভাঙিবলগীয়া হোৱা দৃশ্য দেখি বৰ্তমান বেতবাৰী মৌজাৰ ৰাইজ হতভম্ব হৈ পৰাৰ লগতে ইয়াৰ এক উচিত তদন্তৰ দাবী তুলিছে।

# কোচ-ৰাজবংশীবিহীন মন্ত্ৰীসভা, কমতাপুৰ স্বায়ত্ব শাসিত পৰিষদৰ অধ্যক্ষ হিতেশ্বৰ বৰ্মনে উজাৰিলে ক্ষোভ

**ই-সংবাদ, কোকৰাঝাৰ, ৮ ডিচেম্বৰঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত শৰ্মাৰ মন্ত্ৰীসভাত এজনো কোচ-ৰাজবংশী জনগোষ্ঠীৰ প্ৰতিনিধিয়ে স্থান লাভ নকৰাত দুখ, ক্ষোভ আৰু প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে কমতাপুৰ স্বায়ত্ব শাসিত পৰিষদৰ অধ্যক্ষ হিতেশ্বৰ বৰ্মনে। আজি কোকৰাঝাৰত সংবাদমাধ্যমৰ আগত কমতাপুৰ স্বায়ত্বশাসিত পৰিষদৰ অধ্যক্ষ হিতেশ্বৰ বৰ্মনে কয় যে যোৱা ৬ ডিচেম্বৰত মন্ত্ৰীসভাৰ যি ৰদ-বদল হ'ল তাত কোচ-ৰাজবংশী সম্প্ৰদায়ৰ কোনো এজনো প্ৰতিনিধি অন্তৰ্ভুক্ত নহল।মুখ্যমন্ত্ৰী ড° হিমন্ত শৰ্মাৰ মন্ত্ৰীসভাত কোচ-ৰাজবংশী সম্প্ৰদায়ৰ পৰা এজনে স্থান লাভ কৰিব বুলি আমি আশা কৰিছিলো আৰু এই সন্দৰ্ভত জাতীয় সংগঠন আৰু কমতাপুৰ স্বায়ত্ব শাসিত পৰিষদৰ ফালৰ পৰাও আহ্বান জনোৱা হৈছিল। কিন্তু দুখ আৰু পৰিতাপৰ বিষয় যে কোচ-ৰাজবংশী সম্প্ৰদায়ৰ পৰা ৪ গৰাকী জনপ্ৰতিনিধি থকা সত্বেও এজনকো মন্ত্ৰীত্ব দিয়া নহ'ল। প্ৰকৃততে কোচ-ৰাজবংশী সম্প্ৰদায়ৰ উপযুক্ত প্ৰতিনিধি থাকিলেও মন্ত্ৰীত্ব নিদিয়ে আৰু কেতিয়াবা দিলেও গুৰুত্বপূৰ্ণ বাব প্ৰদান নকৰে। এইবাৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কোচ-ৰাজবংশী সম্প্ৰদায়ৰ পৰা এজনক মন্ত্ৰীত্ব প্ৰদান কৰিব বুলি কোচ-ৰাজবংশী জনতাই আশা পালি আছিল যদিও চেচাপানী পৰিল। প্ৰকৃততে এয়া কৃপণালী আৰু জনগোষ্ঠীটোৰ প্ৰতি দৰদহীনতাৰ কথা প্ৰমাণ কৰে বুলি মন্তব্য কৰি হিতেশ্বৰ বৰ্মনে জনসংখ্যাৰ ভিত্তিত কোচ-ৰাজবংশীৰ পৰা এজনক হলেও মন্ত্ৰীত্ব প্ৰদান কৰিব লাগিছিল বুলি মন্তব্য কৰিছে। কোচ-ৰাজবংশী জনতাক এনেদৰে প্ৰতাৰণা সহি থকাতকৈ একত্ৰিতভাৱে যুঁজ দিবলৈ আহ্বান জনাইছে হিতেশ্বৰ বৰ্মনে। জাতি-মাটি- ভেটিৰ কথা কোৱা বিজেপি চৰকাৰখনে কোচ-ৰাজবংশী জনগোষ্ঠীক চূড়ান্ত অপমান কৰিছে বুলি মন্তব্য কৰি খিলঞ্জীয়াৰ কথা কোৱা বিজেপি চৰকাৰে এজনো খিলঞ্জীয়া জনগোষ্ঠীৰ জনপ্ৰতিনিধিক মন্ত্ৰীত্ব প্ৰদান নকৰিলে বুলি ক্ষোভ প্ৰকাশ কৰি অধিকাৰ ৰক্ষাৰ বাবে যুঁজ দিব লাগিব বুলি প্ৰকাশ কৰিছে। তদুপৰি কমতাপুৰ স্বায়ত্বশাসিত পৰিষদতো বহু বিভাগ হস্তান্তৰ কৰা নাই আৰু ৰাজ্যত কোচ-ৰাজবংশী জনতাৰ মাটিৰ অধিকাৰ খৰ্ব হৈছে বুলি মন্তব্য কৰি চিলিং এক্টৰ পিছতে কোচ-ৰাজবংশীৰ মাটি নাইকীয়া হ'ল আৰু তাত প্ৰৱজনকাৰী সোমাই পৰিল। অৱশ্যে কমতাপুৰ স্বায়ত্বশাসিত পৰিষদ গঠন কৰাত মুখ্যমন্ত্ৰীক ধন্যবাদ জ্ঞাপন কৰি কমতাপুৰ স্বায়ত্বশাসিত পৰিষদত অধিক ক্ষমতা হস্তান্তৰ কৰিবলৈ আহ্বান জনাইছে কমতাপুৰ স্বায়ত্ব শাসিত পৰিষদৰ অধ্যক্ষ হিতেশ্বৰ বৰ্মনে।

# যুৱ-ছাত্ৰ পৰিষদ দৰঙৰ প্ৰাক্তন সাংস্কৃতিক সম্পাদক তৰুণ চহৰীয়াৰ মৃত্যুত শোক

**ই-সংবাদ, ছিপাঝাৰ, ৮ ডিচেম্বৰঃ** ছিপাঝাৰৰ ভুক্তাবাৰীৰ (শীতলাবড়ী) প্ৰয়াত লক্ষীকান্ত চহৰীয়া আৰু কিৰণ চহৰীয়াৰ জ্যেষ্ঠ পুত্ৰ, জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ দৰং জিলা সমিতিৰ প্ৰাক্তন সাংস্কৃতিক সম্পাদক, বৰ্তমানৰ উপদেষ্টা, অসম চৰকাৰৰ ৰেচম বিভাগৰ প্ৰদৰ্শনকাৰী কৰ্মচাৰী তৰুণ চহৰীয়াৰ দেওবাৰে পুৱা প্ৰায় ৭ বজাত নিজা বাসগৃহত মৃত্যু হয়। যুৱ সংগঠকগৰাকীৰ অকাল মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে লগে তেওঁৰ বাসগৃহত উপস্থিত হয় বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, দল-সংগঠনৰ প্ৰতিনিধি আৰু গুণমুগ্ধসকল। তেওঁক শীতলাবড়ী চতুৰ্ভুজ সত্ৰ পৰিচালনা সমিতি, শীতলাবড়ী উন্নয়ন সমিতি, শীতলাবড়ী উত্তৰণ সংঘ, নেপথ্য ছিপাঝাৰ, জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ দৰং জিলা সমিতি, ঐক্যতান, অভিজ্ঞান জাতীয় বিদ্যালয় ছিপাঝাৰ, ছিপাঝাৰ প্ৰেছ গীল্ড, ছিপাঝাৰ ৰাসোৎসৱ উদ্‌যাপন সমিতি, ছিপাঝাৰ শাৰদীয় দুৰ্গোৎসৱ উদযাপন সমিত, বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, দল-সংগঠন, ব্যক্তি বিশেষে অন্তিম শ্ৰদ্ধা জ্ঞাপন কৰে। উল্লেখ্য যে ছিপাঝাৰ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষা, ছিপাঝাৰ মহাবিদ্যালয়ৰ পৰা উচ্চতৰ মাধ্যমিক পৰীক্ষা আৰু বি বৰুৱা মহাবিদ্যালয়ৰ পৰা কলাৰ স্নাতক ডিগ্ৰী লাভ কৰা মেধা সম্পন্ন যুৱকগৰাকী পৰৱৰ্তী সময়ত অসম চৰকাৰৰ ৰেচম বিভাগৰ প্ৰদৰ্শনকাৰী পদত নিযুক্ত হয়। এগৰাকী খ্যাতিমান সংগীত শিল্পী হিচাপে পৰিচিত তৰুণ চহৰীয়া আছিল সুদক্ষ সমাজ সংগঠক, সামাজিক-সাংস্কৃতিক কৰ্মী। সকলোৰে লগত সম্ভাৱ বৰ্তাই ৰখা সমাজ সচেতন সৰবৰহী যুৱকগৰাকীয়ে ছিপাঝাৰ তথা দৰং জিলাৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে জড়িত থাকি উত্তৰণৰ হকে সেৱা আগবঢ়াই আহিছিল। কিছুদিন ধৰি যকৃতজনিত ৰোগত ভুগি অৱশেষত অকাল মৃত্যুক সাবটি লোৱা সমাজ সংগঠক গৰাকীৰ মৃত্যুত বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, দল-সংগঠন আৰু ব্যক্তি বিশেষে গভীৰ শোক প্ৰকাশ কৰে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৫২ বছৰ। ইহ সংসাৰত তেওঁ মাতৃৰ লগতে পত্নীসহ এগৰাকী কণমানি পুত্ৰ সন্তান, ভাতৃ-ভগ্নীসহ গুণমুগ্ধক এৰি থৈ যায়।

## মুখ্যমন্ত্ৰীক আদৰিবলৈ সাজু বিজেপিৰ কাৰ্যকতা, অনুৰাগী

# আজি সৰুপথাৰলৈ মুখ্যমন্ত্ৰী, উদ্বোধন কৰিব ষ্টেডিয়াম-চিকিৎসালয়

**ই-সংবাদ, সৰুপথাৰ, ৮ ডিচেম্বৰঃ** এক বিস্তৃত কাৰ্যসূচীৰে সোমবাৰে দিনৰ ১১ বজাত সৰুপথাৰত উপস্থিত হ'ব মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা। সৰুপথাৰৰ কুশল কোঁৱৰ মিনি ষ্টেডিয়ামত নিৰ্মাণ কৰা অস্থায়ী হেলিপেডত অৱতৰণ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰথমে উদ্বোধন কৰিব সৰুপথাৰ ইন্দোৰ ষ্টেডিয়াম। পাছত ষ্টেডিয়াম প্ৰায় সমীপতে এটি ছুইমিং পুলৰ আধাৰশিলা স্থাপন কৰি সৰুপথাৰৰ দলীয় কাৰ্যালয়ত উপস্থিত হ'ব মুখ্যমন্ত্ৰীগৰাকী। কাৰ্যসূচী অনুসৰি ১২:১৫ বজাত ছেৰাগুৰিত নিৰ্মাণ কৰি উলিওৱা গ্ৰাম্য ষ্টেডিয়াম, সৰুপথাৰত থকা সমজিলা অসামৰিক চিকিৎসালয় উদ্বোধনৰ পাছত সৰুপথাৰৰ ৰাজহুৱা খেলপথাৰত অনুষ্ঠিত হৈ থকা অসম নেপালী সাহিত্য সভাৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰিব মুখ্যমন্ত্ৰীগৰাকীয়ে। ইয়াৰ পিছত আবেলি ২:৩৫ বজাত সৰুপথাৰৰ আৱৰ্ত ভৱনত কিছু সময় কটাই মুখ্যমন্ত্ৰীগৰাকী গুৱাহাটীলৈ উভতি যাব। মুখ্যমন্ত্ৰীগৰাকীৰ কাৰ্যসূচীক লৈ সৰুপথাৰ সমজিলাৰ প্ৰশাসনকে ধৰি স্থানীয় বিধায়ক আৰু দলীয় কাৰ্যকৰ্তাসকল অধিক তৎপৰ হৈ পৰিছে।




স্বাধীনতা আন্দোলন সংগ্ৰামী বীৰ তাপুক কৈৱৰ্তৰ স্মৃতি দিৱস উদযাপন, ফটো- ই-সংবাদ, পুৰণিগুদাম

# তামুলপুৰৰ বনভোজস্থলীত ডিজে জব্দ

**ই-সংবাদ, তামুলপুৰ, ৮ ডিচেম্বৰঃ** তামুলপুৰ জিলাৰ কুমাৰীকাটা ফৰেষ্ট ৰেঞ্জৰ অধীনৰ বগামাটিৰ লগতে তামুলপুৰ আৰু গোৰেশ্বৰ আৰক্ষী থানাৰ অধীনৰ বনভোজস্থলীসমূহত প্লাষ্টিক আৰু ছাউণ্ড ছীষ্টেমৰ প্ৰয়োগ নিষিদ্ধ কৰা হৈছে বুলি যোৱা ৪ ডিচেম্বৰত তামুলপুৰ জিলাৰ জিলা দণ্ডাধীশ পংকজ চক্ৰৱৰ্তীয়ে ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ১৬৩ ধাৰাৰ অধীনত এক নিষেধাজ্ঞা জাৰি কৰিছিল। উক্ত অঞ্চলসমূহত যাতে পাৰিপাৰ্শ্বিক তথা পাৰিস্থিতিক ভাৰসাম্য অটুট থাকে, তাৰ প্ৰতি লক্ষ্য ৰাখিয়েই জিলা দণ্ডাধীশগৰাকীয়ে এই পদক্ষেপ গ্ৰহণ কৰিছিল। তাৰ পাছতেই আৰক্ষী তথা বন বিভাগ সক্ৰিয় হোৱা পৰিলক্ষিত হৈছে। তেওঁলোকে যোৱা ৭ ডিচেম্বৰত বগামাটি অঞ্চললৈ বনভোজ খাবলৈ যোৱা দলৰ পৰা ছাউণ্ড ছীষ্টেম জব্দ কৰাৰ লগতে অঞ্চলটোত প্লাষ্টিক ব্যৱহাৰ নকৰিবলৈ বনভোজ দলৰ লোকসকলক বুজাই দিয়ে। এই অভিযান নিষেধাজ্ঞা উঠাই নোলোৱা পৰ্যন্ত অব্যাহত থাকিব। জিলাখনত চলি থকা হস্তী-মানুহৰ সংঘাত ৰোধ কৰাৰ লগতে প্ৰাকৃতিক পৰিৱেশ সুৰক্ষিত কৰি ৰখাৰ স্বাৰ্থত জিলা প্ৰশাসনে গ্ৰহণ কৰা এনে প্ৰচেষ্টাৰ শলাগ লৈছে সচেতন মহলে। উল্লেখ্য যে উক্ত অঞ্চলত ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ১৬৩ ধাৰাৰ অধীনত বনভোজ দলসমূহে পুৱা ৯ বজাৰ আগত বনভোজস্থলীত উপস্থিত হোৱাত বাধা আৰোপ কৰাৰ লগতে বনভোককাৰী দলে আবেলি ৪ বজাৰ আগতে বনভোজস্থলী ত্যাগ কৰিব লাগিব বুলি জাৰি কৰা নিষেধাজ্ঞা পৰৱৰ্তী জাননী নিদিয়া পৰ্যন্ত বাহাল থাকিব।

# দুধনৈত পৰম্পৰাগত হস্ততাঁত বস্ত্ৰ আৰু হস্তশিল্প প্ৰদৰ্শনী আৰম্ভ

**ই-সংবাদ, ধূপধৰা, ৮ ডিচেম্বৰঃ** ৰাভা হাছং পৰিষদীয় এলেকাৰ শিপিনীসকলৰ উৎপাদন আৰু উৎপাদিত সামগ্ৰীসমূহক এখন ভাল বজাৰ দিয়াৰ লগতে বিক্ৰীৰ পৰ্যাপ্ত সুবিধা দিয়াৰ উদ্দেশ্য আগত লৈ ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ অৰ্থ সাহায্য আৰু গোৱালপাৰা জিলা হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগৰ উদ্যোগত দুধনৈত আৰম্ভ হৈছে চতুৰ্থ বাৰৰ বাবে পৰম্পৰাগত হস্ততাঁত বস্ত্ৰ আৰু হস্তশিল্প প্ৰদৰ্শনী আৰু বিক্ৰীমেলা । ৭ ডিচেম্বৰৰ পৰা ১৬ ডিচেম্বৰলৈ অনুষ্ঠিত হ'বলগীয়া এই প্ৰদৰ্শনী আৰু বিক্ৰীমেলা উদ্বোধন কৰে ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাই। উদ্বোধনী ভাষণত ৰাভাই কয় যে অসমৰ স্বাভিমান বিভিন্ন জনগোষ্ঠীয় সাজ-পোচাকসমূহক এক বিশ্বমুখী মাত্ৰা প্ৰদান কৰাৰ বাবেই পৰিষদে ইতিমধ্যে অসমৰ লগতে দেশৰ বিভিন্ন ৰাজ্যত বিক্ৰীমেলা অনুষ্ঠিত কৰিছে। তেওঁ লগতে কয় যে ভাৰতবৰ্ষৰ অধিক সংখ্যক মহিলা হস্ততাঁত আৰু বস্ত্ৰশিল্পৰ লগত জড়িত। এনে শিপিনীসকলক উৎসাহিত কৰাৰ লগতে আৰ্থিকভাৱে স্বচ্ছল কৰাৰ বাবেই পৰিষদে গ্ৰহণ কৰা এনে পদক্ষেপত শিপিনীসকল উৎসাহিত হৈ পৰিছে।

# বৰথল দলৈগাওঁ উঃমাঃ বিদ্যালয়ৰ মহাৰজত জয়ন্তীৰ প্ৰস্তুতি

**ই-সংবাদ, লাহৰীঘাট, ৮ডিচেম্বৰঃ** মৰিগাঁও জিলাৰ মৈৰাবাৰী বৰথল দলৈগাওঁ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মহাৰজত জয়ন্তী সমাৰোহৰ প্ৰস্তুতি তুংগত হৈ উঠিছে। মহাৰজত জয়ন্তী সমাৰোহ সাফল্য মণ্ডিত কৰাৰ বাবে স্থানীয় ৰাইজ, বিদ্যালয়ৰ সকলো শিক্ষক-কৰ্মচাৰীয়ে পূৰ্ণোদ্যমে কাম চলাই নিছে। অহা ২১ ডিচেম্বৰত তিনিদিনীয়াকৈ বৰ্ণাঢ্য কাৰ্যসূচীয়ে অনুষ্ঠিত হ'ব এই মহাৰজত জয়ন্তী সমাৰোহ। এই সমাৰোহৰ মূল কমিটী আৰু উপ-কমিটিৰ বিষয়ববীয়া সকলে দিন-ৰাতি একাকাৰ কৰি কাম-কাজসমূহ নিয়াৰিকৈ চলাই নিয়া পৰিলক্ষিত হৈছে। বিদ্যালয়খনৰ চৌপাশৰ লগতে পকী দেৱালসমূহ পুনৰাই ৰং-তুলিকাৰে সজাই তোলা দেখা গৈছে। ১৯৪৭ চনত স্থাপিত এই দলৈগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মহাৰজত জয়ন্তী সমাৰোহত আগমন ঘটিব বহু লোকৰ। ইফালে এক ব্যাতিক্ৰমী ৰূপত সাংস্কৃতিক শোভাযাত্ৰা উলিওৱাৰ বাবে পৰিশ্ৰম অব্যাহত ৰাখিছে সাংস্কৃতিক উপ-সমিতিয়ে। কেৱল এয়াই নহয়, প্ৰত্যেকটো উপ-সমতিয়ে নিজৰ নিজৰ দায়িত্ব সাফল্যমণ্ডিত কৰাৰ বাবে চেষ্টা অব্যাহত ৰাখিছে।



গুৱাহাটীৰ বৰ্ষাপাৰাস্থিত অসম ক্ৰিকেট সন্থাৰ ক্ৰীড়াংগণত সত্ৰীয়া সাঁজত এটি কণমাণি



গুৱাহাটীৰ মহানগৰৰ বিভিন্ন চাফাই কৰ্মীসকলৰ কণ কণ ল'ৰা-ছোৱালীসকলক বিভিন্ন সাংস্কৃতিক কাৰ্যক্ৰমৰ দৃশ্য

## প্ৰকৃতিপ্ৰেমী বিধায়কৰ সন্তান বভ্ৰুবাহন শইকীয়াৰ প্ৰদক্ষেপ

# হাতী-মানুহৰ সংঘাত দূৰ কৰিবলৈ বিধায়ক পুত্ৰৰ অনন্য পদক্ষেপ

**ই-সংবাদ, খুমটাই, ৮ ডিচেম্বৰঃ** গোলাঘাটৰ এজন যুৱক, যিজন যুৱক চহা কৃষকৰ মাজত জনপ্ৰিয় আৰু চৰ্চাৰ কেন্দ্ৰবিন্দু হৈ পৰিছে। যি সময়ত হাতী-মানুহৰ সংঘাতে ভয়ংকৰ ৰূপ লৈছে, সেইসময়তে হাতী-মানুহৰ সংঘাতৰ অৱসান ঘটাই হাতী আৰু মানুহৰ মাজত বন্ধুত্ব গঢ়িবলৈ বাটকটীয়াৰূপে থিয় দিছে খুমটাই সমষ্টিৰ প্ৰকৃতিপ্ৰেমী বিধায়কৰ সন্তান বভ্ৰুবাহন শইকীয়াই। বভ্ৰুবাহনে সম্পূৰ্ণ নিজাববীয়াকৈ বনৰীয়া হাতীয়ে কৃষকৰ খেতি যেনে-ধান, সৰিয়হ আদি খেতি অনিষ্ট কৰি অহাৰ পৰা পৰিত্ৰাণ পাবৰ বাবে মাহেকজুৰি হাতীৰ বিচৰণ ভুমিত ট্ৰাকে ট্ৰাকে কলগছ যোগান ধৰি আহিছে। ইয়াৰ ফলত মৰঙী ,শাওঁতলী আৰৰ ঘাট, চিনাতলী আদি বিস্তৃত এলেকাত ধানখেতি নিৰাপদে চপাব পাৰি প্ৰতিজন কৃষকে এতিয়া স্বস্তিৰ নিশ্বাস পেলাইছে। বভ্ৰুবাহনে বিভিন্ন ঠাইৰ পৰা কলগছ সংগ্ৰহ কৰি নিজৰ বন্ধুৰ সহযোগত গোলাঘাট জিলাৰ কোৱানী, মুৰফুলনি, মৰঙী, পোৱাজংঘল আদি ঠাইত হাতীৰ প্ৰিয় খাদ্য কলগছ যোগান ধৰা পৰিলক্ষিত হৈছে। বভ্ৰুবাহন বৰ্তমান প্ৰজন্মৰ বাবে আদৰ্শ স্বৰূপ। বভ্ৰুবাহন যেন এতিয়া চহা কৃষকৰ বাবে নিৰাশাৰ মাজত এটি আশাৰ প্ৰদীপ। হাতী-মানুহৰ সংঘাত ৰোধ কৰিবলৈ পাহাৰৰ দাঁতিকাষৰীয়া অঞ্চলত পৰ্যাপ্ত পৰিমাণৰ কলগছ আৰু বাঁহ গছ ৰোপনৰ ব্যৱস্থা কৰিবলৈ দাবী জনাইছে ৰাইজে।

# নলবাৰীৰ ৰাজহুৱা শ্মশান চাফা কৰিলে ৰাইজে

**ই-সংবাদ, নলবাৰী, ৮ ডিচেম্বৰঃ** চৰকাৰৰ সংশ্লিষ্ট বিভাগৰ উদাসীন মনোভাৱত অতিষ্ঠ হৈ পূব নলবাৰীৰ দীঘেলিত অৱস্থিত ৰাজহুৱা শ্মশানখন চাফা কৰিবলৈ ওলাই আহিল ৰাইজ। দেওবাৰে বহুকেইজন স্থানীয় লোকে চাফা কৰে শ্মশানখন। উল্লেখ্য যে চৰকাৰৰ চকুমুদা কুলিৰ ভাৱৰ বাবে শ্মশানখন ঘন জংঘলৰে আৱৰি ধৰিছিল। কেৱল সেয়াই নহয়, শ্মশানখনত এতিয়া কোনো কোনোৱে পেলাই থৈ যায় গৰু-ছাগলীৰ মৃতদেহ। মন কৰিবলগীয়া যে শ্মশানখন উন্নয়নৰ বাবে পূৰ্বে তিনিবাৰকৈ পঞ্চায়তৰ পৰা ধন আৱণ্টন হৈছিল যদিও সেই ধন সংশ্লিষ্ট পঞ্চায়ত প্ৰতিনিধি, বিষয়া-কৰ্মচাৰীৰ জেপত সোমোৱাৰ অভিযোগ উঠিছে। আজি দীঘেলি মালিকুছিৰ একাংশ যুৱকৰ নেতৃত্বত এই চাফাই অভিযান চলোৱা হয়। যুৱ সমাজৰ এই পদক্ষেপ সকলোৱে আদৰণি জনাইছে।

# বৰপেটাত পলিঅ' প্ৰতিষেধক অভিযান আৰম্ভ

**ই-সংবাদ, বৰপেটা, ৮ ডিচেম্বৰঃ** বৰপেটাৰ স্বাস্থ্য সেৱাৰ যুটীয়া সঞ্চালকৰ কাৰ্যালয়ত দেওবাৰে উপ-ৰাষ্ট্ৰীয় প্ৰতিষেধক দিৱস (পলিঅ') অভিযান আৰম্ভ কৰা হয়। বৰপেটা জিলাৰ সহকাৰী আয়ুক্ত, সংস্কৃতি সোমানী, আই এ এছ (পি), বৰপেটা জিলাৰ ভাৰপ্ৰাপ্ত যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ হাছমত আলী আৰু অন্যান্য বিষয়াসকল এই কাৰ্যসূচীত অংশগ্ৰহণ কৰে। জিলাব্যাপী চলিবলগীয়া এই গুৰুত্বপূৰ্ণ পদক্ষেপৰ লক্ষ্য হৈছে জনসংখ্যাৰ ১৪.৯% প্ৰতিনিধিত্ব কৰা পাঁচ বছৰৰ তলৰ ৩,০৭,৩৭৩ টা শিশুক পলিঅ'ৰ বিৰুদ্ধে প্ৰতিষেধক প্ৰদান কৰা। এই অভিযানত পলিঅ' নিৰ্মূল আৰু কোনো শিশু যাতে পিছ পৰি নাথাকে তাৰ প্ৰতি প্ৰদক্ষেপ লোৱা হৈছে। ভাৰপ্ৰাপ্ত যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ হাছমত আলীয়ে কয় যে স্থানীয় অংশীদাৰসকলৰ সহযোগত এই অভিযান সফল কৰাৰ বাবে অক্লান্তভাৱে কাম কৰি আছে। যুটীয়া স্বাস্থ্য সঞ্চালকে প্ৰতিটো শিশুৰ ওচৰলৈ যোৱাটো নিশ্চিত কৰাৰ বাবে বিস্তৃত পৰিকল্পনাৰ বিষয়ে আৰু বিশদভাৱে আলোকপাত কৰে। সমগ্ৰ জিলাখনত ১১২৫টা পলিঅ' বুথ স্থাপন কৰা হৈছে, য'ত ৬২টা ট্ৰেনজিট পইণ্ট টিকাকৰণৰ বাবে নিৰ্ধাৰণ কৰা হৈছে। তদুপৰি সহজতে পাবৰ বাবে দহটা মেলা বা বজাৰ চিনাক্ত কৰা হৈছে। ইফালে দূৰৱৰ্তী আৰু অভাৱগ্ৰস্ত অঞ্চলসমূহ সামৰি ল'বলৈ ২৭টা ভ্ৰাম্যমাণ দল নিয়োগ কৰা হৈছে আৰু মুঠ ৪,৭১৬জন ক্ষেত্ৰ কৰ্মীক ঘৰে ঘৰে প্ৰতিষেধক প্ৰদানৰ বাবে নিয়োজিত কৰা হৈছে। ইয়াৰ উপৰি জিলাখনৰ প্ৰত্যাহ্বান এলেকাসমূহ মোকাবিলা কৰিবলৈ ২৬টা ইটাৰ ভঁৰাল আৰু ২০৩টা কঠিন বুথৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰি কাৰ্যসূচীটোৰ সফল ৰূপায়ণ নিৰীক্ষণ আৰু নিশ্চিত কৰিবলৈ ২৫৬জন তত্বাৱধায়ক নিযুক্তি দিয়া হৈছে। এই উন্মোচনী অনুষ্ঠানত জিলা প্ৰতিষেধক বিষয়া ডাঃ আব্দুৰ ৰছিদ ভ্যান আৰু জিলা তথ্য আৰু জনসংযোগ বিষয়া ৰাণা প্ৰতাপ শইকীয়াৰ লগতে ডি পি এম ইউৰ বিষয়াসকলো থাকে।

# বামুন্দী তৰুণী সংঘ আৰু পুথিভঁৰালৰ ৩৬ তম দ্বি-বাৰ্ষিক অধিবেশন




**ই-সংবাদ, হাজো, ৮ ডিচেম্বৰঃ** কামৰূপ জিলাৰ অন্তৰ্গত বামুন্দীৰ শৈক্ষিক, সাংস্কৃতিক আৰু সামাজিক অনুষ্ঠান বামুন্দী তৰুণী সংঘ আৰু পুথিভঁৰালৰ ৩৬ তম্ দ্বি-বাৰ্ষিক অধিবেশন আৰু উত্তম চন্দ্ৰ শৰ্মা সোঁৱৰণী মঞ্চ উদ্বোধন। যোৱা কালি পতাকা উত্তোলন, পৰিবেশ নিকাকৰণ, বন্তি প্ৰজ্বলন আৰু বিষয় বাচনি সভা অনুষ্ঠিত কৰা হয়। অঞ্চলটোৰ বিশিষ্ট সমাজকৰ্মী বলেন চন্দ্ৰ দাসৰ সভাপতিত্বত অনুষ্ঠিত সভাত সম্পাদকীয় প্ৰতিবেদন পাঠ কৰে সম্পাদক অৰূপজ্যোতি কলিতাই। আনহাতে বামুন্দী তৰুণী সংঘ আৰু পুথিভঁৰালৰ সংবিধান পাঠ কৰে সহকাৰী সম্পাদক পংকজ কলিতাই। ইয়াৰ পিছতে পুৰণি সমিতিৰ হৈ বামুন্দী তৰুণ সংঘ আৰু পুথিভঁৰালৰ সভাপতি জ্যোতিষ চন্দ্ৰ কলিতাই পদত্যাগ কৰাৰ লগে লগে পৰৱৰ্তী দুই বছৰৰ কাৰ্যকালৰ বাবে মনোৰঞ্জন শৰ্মাক সভাপতি, মাধৱ চন্দ্ৰ কলিতাক কাৰ্যকৰী সভাপতি, বৰদা কান্ত শৰ্মাক সম্পাদক, সুৰজিত কলিতাক সহকাৰী সম্পাদক, নয়নজ্যোতি কলিতাক পুথিভঁৰাল সম্পাদক আৰু সুবোধ কলিতাক সাংস্কৃতিক সম্পাদক হিচাপে মুঠ ৩১ জনীয়া কাৰ্যকৰী সমিতি গঠন কৰা হয়। ইয়াৰ পিছতে আজি বিয়লি ভাগত মুকলি সভা আৰু উত্তম চন্দ্ৰ শৰ্মা সোঁৱৰণী মঞ্চ উদ্বোধন কৰা হয়। সোঁৱৰণী মঞ্চ উদ্বোধন কৰে অসম সাহিত্য সভাৰ সভাপতি ড° সূৰ্য্যকান্ত হাজৰিকাই আৰু প্ৰয়াত উত্তম চন্দ্ৰ শৰ্মাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে শচী প্ৰভা দেৱীয়ে। আজিৰ মুকলি সভাত সভাপতিত্ব কৰে বামুন্দী তৰুণী সংঘ আৰু পুথিভঁৰালৰ সভাপতি জ্যোতিষ চন্দ্ৰ কলিতাই, মুখ্য অতিথি হিচাপে উপস্থিত থাকে অসম সাহিত্য সভাৰ সভাপতি ড° সূৰ্য্যকান্ত হাজৰিকা, বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে এমট্ৰনৰ উপ প্ৰবন্ধক দিনমণি ভাণ্ডাৰ কায়স্থ, নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে হালোগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ইংৰাজী বিভাগৰ শিক্ষক গৌৰাংগ বড়া, সন্মানীয় অতিথি হিচাপে উপস্থিত থাকে বিশিষ্ট শিক্ষাবিদ সূৰ্যকান্ত কলিতা, আৰু বিশিষ্ট চিকিৎসক অনিল কুমাৰ শৰ্মাৰ লগতে বামুন্দী অঞ্চলৰ শতাধিক ৰাইজ।

## ৩০ আগষ্টত বীৰত্বৰ দিন, পুৰণিগুদাম নাগৰিক সভাৰ উদ্যোগ

# স্বাধীনতা আন্দোলনৰ সংগ্ৰামী বীৰ তাপুক কৈৱৰ্তৰ স্মৃতি দিৱস উদযাপন


**ই-সংবাদ, পুৰণিগুদাম, ৮ ডিচেম্বৰঃ** ভাৰত ত্যাগ আন্দোলনৰ পূৰ্বৱৰ্তী সময়ত নিচেই কোমল বয়সতে বুটি কোৰেৰে ইংৰাজ চাহাবৰ মূৰত প্ৰহাৰ কৰি আৰু মূৰৰ টুপি কাঢ়ি বিচাৰাধীন হোৱা আৰু সেই বিচাৰ প্ৰক্ৰিয়াৰ জৰিয়তে বৃটিছ সংসদৰ মজিয়া কপোঁৱা নগাঁও জিলাৰ পুৰণিগুদাম চলচলিৰ নিবাসী বীৰ যোদ্ধা তাপুক কৈৱৰ্তৰ আজি স্মৃতি দিৱসটো পুৰণিগুদাম নাগৰিক সভাৰ উদ্যোগত পুৰণিগুদাম বালিজুৰিত উদযাপন কৰে। পুৰণিগুদাম কবি সন্মিলনৰ সভাপতি নবীন কলিতাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা স্মৃতি দিৱসৰ সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে পুৰণিগুদাম নাগৰিক সভাৰ সম্পাদক চন্দন ফুকনে। উদ্বোধনী ভাষণ আগবঢ়াই চাপানালা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ পাৰুল গায়নে। স্মৃতি দিৱসৰ সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি ভাষণ প্ৰদান কৰে নগাঁও সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সদস্য কবি কবিন পাটৰ, বিশিষ্ট কবি কুমাৰ বিভূতি, পুৰণিগুদাম কবি সন্মিলনৰ কাৰ্যকৰী সভাপতি প্ৰফুল্ল বৰা, চামগুৰি সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক অসীম বৰা, বিশিষ্ট লেখিকা গোলাঘাটৰ পৰশমণি শইকীয়া, সমাজকৰ্মী সৰ্বেশ্বৰ বৰা, শিশুবন্ধু দুলাল বৰা, যুৱনেতা ৰঞ্জিত বৰা, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, নগাঁও জিলা সমিতিৰ যুটীয়া সম্পাদক দিব্যজ্যোতি হাজৰিকা, পুৰণিগুদাম আঞ্চলিক সমিতিৰ সভাপতি প্ৰাণকৃষ্ণ ডেকাই বীৰজনাৰ বীৰত্বৰ কথা সোঁৱৰণ কৰে। আজিৰ স্মৃতিসভাত ৩০ আগষ্টৰ দিনটো বীৰত্বৰ দিন হিচাপে পালন কৰাৰ লগতে বীৰগৰাকীৰ এখন জীৱনী গ্ৰন্থ প্ৰকাশ কৰি উলিওৱাৰ এক সিদ্ধান্ত গ্ৰহণ কৰা হয় বুলি উদ্যোক্তাসকলে জানিবলৈ দিয়ে।উক্ত পদক্ষেপক নগাঁও জিলা মুক্তিযুঁজাৰু সন্মিলনৰ তৰফৰ পৰা আদৰণি জনায়।

# আলহাজ গোলাম হুছেইনৰ দেহাৱসান

**ই-সংবাদ, খাৰুপেটীয়া, ৮ ডিচেম্বৰঃ** শনিবাৰে এগৰাকী স্বাস্থ্য কৰ্মচাৰী আৰ্শ্বাদ আলীক হেৰুৱাৰ পিছত দেওবাৰে পুনৰ বৃহত্তৰ খাৰুপেটীয়া অঞ্চলৰ ৰাইজে হেৰুৱায় আন এজন বিশিষ্ট ব্যক্তি তথা ডাক্তৰ লুৎফুৰ ৰহমানৰ পিতৃ আলহাজ গোলাম হুছেইন খলিফাক। খাৰুপেটীয়াৰ নিকটৱৰ্তী নিজ বৰুৱাঝাৰ গাঁৱৰ নিবাসী লহাজ গোলাম হুছেইনে সম্পূৰ্ণ কৰিছিল এশ বছৰ। উল্লেখ্য যে বহুদিনৰ পৰাই অসুস্থ হৈ থকা গোলাম হুছেইনে দেওবাৰে পুৱা ৭:৩০ বজাত নিজ বাসভৱনত ইহলীলা সম্বৰণ কৰে। আবেলি ২:৩০ বজাত তেখেতক নিজ বাসস্থানৰ সমীপৰ কবৰস্থানত জানাজা সম্পন্ন কৰা হয়। মৃত্যুৰ সময়ত তেওঁ পৰিয়ালৰ লোকৰ লগতে অজস্ৰ গুণমুগ্ধক এৰি যায়।

# এপিএছচিত নগৰবেৰাৰ অবিনাশ মেধিৰ সফলতা

**ই- সংবাদ, নগৰবেৰা ৮ ডিচেম্বৰঃ** সদ্যঘোষিত এপিএছচি পৰীক্ষাৰ ফলাফলত কামৰূপ জিলাৰ বকো সমষ্টিৰ অন্তৰ্গত নগৰবেৰাৰ এগৰাকী মেধাৱী শিক্ষাৰ্থীয়ে উত্তীৰ্ণ হৈ সমগ্ৰ নগৰবেৰা অঞ্চলবাসীক গৌৰৱান্বিত কৰি তুলিছে। নগৰবেৰাৰ অবিনাশ মেধিয়ে এপিএছচি পৰীক্ষাত সহকাৰী একাউন্ট বিষয়া হিচাপে উত্তীৰ্ণ হবলৈ সক্ষম হৈছে। নগৰবেৰা পুখুৰীপাৰা গাঁৱৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক অমিয় কুমাৰ মেধি আৰু শিক্ষয়িত্ৰী জোৎস্না দাসৰ সুসন্তান অবিনাশ মেধি। অবিনাশ মেধিৰ এই কৃতিত্বত অঞ্চলবাসী ৰাইজ উৎফুল্লিত হৈ পৰিছে। উল্লেখ্য যে মেধাৱী ছাত্ৰজনে ২০১৩ চনত গুৱাহাটীৰ শংকৰ একাডেমীৰ পৰা উচ্চতৰ মাধ্যমিক চূড়ান্ত



পৰীক্ষা সুখ্যাতিৰে উত্তীৰ্ণ হোৱাৰ পিছত আৰ্য্য মহাবিদ্যালয় পৰা স্নাতক আৰু কটন বিশ্ববিদ্যালয়ৰ পৰা সুখ্যাতিৰে গণিত বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিবলৈ সক্ষম হৈছিল।

# কেঁকোহাটীত মলমূত্ৰ শোধন প্ৰকল্প উদ্বোধন

**ই-সংবাদ, ৰঙিয়া, ৮ ডিচম্বৰঃ** ৰঙিয়াৰ কেঁকোহাটীত শনিবাৰে বিয়লি মলমূত্ৰ শোধন প্ৰকল্পৰ শুভ উদ্বোধন কৰা হয়। ১ কোটি ১৬ লাখ টকা ব্যয় সাপেক্ষে নৱনিৰ্মিত ৫ কে এল ডি (FSTP) মলমূত্ৰ শোধন প্ৰকল্পটিৰ আনুষ্ঠানিকভাৱে মুকলি কৰে ৰাজ্যিক বিজেপিৰ সভাপতি ভৱেশ কলিতাই। নোনা নদীৰ পাৰৰ কাষত কেঁকুৰাহাটী অঞ্চলৰ ১ বিঘাৰো অধিক চৰকাৰী ভূমিত ৰাজ্য চৰকাৰৰ পৰা আবন্টিত ধনেৰে নিৰ্মাণ কৰি উলিওৱা হৈছে এই প্ৰকল্পটো। নৱনিৰ্মিত প্ৰকল্পটিৰ কাষতে বৃহৎ এলেকা সামৰি ৰঙিয়া নগৰৰ জাবৰ আৰু পেলনীয়া সামগ্ৰীসমূহ পেলোৱাৰ এক বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে ৰঙিয়া পৌৰ সভাই। পঞ্চদশ বিত্তীয় আয়োগৰ ধনেৰে নৱনিৰ্মিত প্ৰকল্পটোৰ জৰিয়তে নগৰবাসীয়ে মলমূত্ৰ পৰিষ্কাৰ কৰাৰ ক্ষেত্ৰত ডাঙৰ সকাহ পোৱাই নহয়, ই চহৰৰ প্ৰদূষণ নিয়ন্ত্ৰণটো সহায় কৰিব বুলি মন্তব্য কৰে ৰঙিয়া সমষ্টিৰ বিধায়ক কথা ৰাজ্যিক বিজেপিৰ সভাপতি ভৱেশ কলিতাই। এই অনুষ্ঠানত অতিৰিক্ত আয়ুক্ত প্ৰণৱ দত্ত গোস্বামী, ৰঙিয়া পৌৰসভাৰ পৌৰপতি অমৰেন্দ্ৰ লহকৰ, উপ-পৌৰপতি বিদ্যুৎ ডেকা, পৌৰসভাৰ কাৰ্যবাহী অভিযন্তা বসন্ত ডেকাকে ধৰি বহু কেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# জ্ঞান ভাৰতী প্ৰাঃ বিদ্যালয়ত ককা-আইতা আৰু নাতিৰ মেল

**ই-সংবাদ, চতিয়া, ৮ ডিচেম্বৰঃ** "আজিৰ শিশু কাইলৈ দেশৰ ভৱিষ্যৎ। শিশুক সৰ্বতোপ্ৰকাৰে গঢ় দিয়াৰ প্ৰধান দায়িত্ব পিতৃ-মাতৃৰ লগতে ককা-আইতাকৰো। কেৱল শৈক্ষিক ক্ষেত্ৰত শিক্ষিত মানেই উপযুক্ত ব্যক্তি নহ'বও পাৰে। সেয়ে শিক্ষসকলক ভৱিষ্যতে এজন উপযুক্ত ব্যক্তি হোৱাত শিশু অৱস্থাতেই ঘৰখনে দায়িত্ব লোৱাৰ প্ৰয়োজন।" দেওবাৰে চতিয়াৰ অন্যতম আগশাৰীৰ ব্যক্তিগত শিক্ষা অনুষ্ঠান জ্ঞান ভাৰতী পাব্লিক বিদ্যালয়ত অনুষ্ঠিত হোৱা 'ককা-আইতা আৰু নাতিৰ মেল' শীৰ্ষক অনুষ্ঠানত এই মন্তব্য আগবঢ়াই বিদ্যালয়খনৰ অধ্যক্ষ অতুল চন্দ্ৰ বৰাই। প্ৰায় শতাধিক ককা-আইতা উপস্থিত থকা এই অনুষ্ঠানত ককা আৰু আইতাৰ লগত নাতি-নাতিনীৰ সম্পৰ্কৰ কথা কৈ শিক্ষক মৃণাল গোস্বামীয়ে শ্ৰীমন্ত শঙ্কৰদেৱ আৰু বুঢ়ীমাক খেৰসুঁতীৰ প্ৰসংগ উল্লেখ কৰে। অনুষ্ঠানত কণ কণ ছাত্ৰ-ছাত্ৰীসকলে নিজৰ ককা-আইতাক কাষত পাই আনন্দত আত্মহাৰা হৈ পৰা পৰিলক্ষিত হয়। সভাত ককা-আইতাসকলৰ উপৰি বিভিন্ন অঞ্চলৰ বহু গণ্য-মান্য ব্যক্তি উপস্থিত থাকে ।

# সাংবাদিক মনোজ দত্তক সাদিন-প্ৰতিদিন গোষ্ঠীৰ বঁটা

**ই-সংবাদ, ডুমডুমা, ৮ ডিচেম্বৰঃ** আজিৰ পৰা ২৫ বছৰৰ আগতে আৰম্ভ হোৱা সাদিন-প্ৰতিদিনৰ ডিব্ৰুগড় সংস্কৰণৰ সোণালী জয়ন্তী বৰ্ষৰ লগত সংগতি ৰাখি নাহৰৰ দেশ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ৰংঘৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হোৱা সাদিন-প্ৰতিদিন গোষ্ঠীৰ 'এছিভাৰ এৱাৰ্ডছ-২০২৪'ৰ অনুষ্ঠানত অসমীয়া প্ৰতিদিনৰ ডুমডুমাৰ সাংবাদিক মনোজ দত্তক বিশেষ বঁটাৰে সন্মানিত কৰা হয়। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° জিতেন হাজৰিকাই ফুলাম গামোচা আৰু স্মাৰকেৰে সাংবাদিক মনোজ দত্তক এই বঁটা প্ৰদান কৰে। অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ লগতে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° জিতেন হাজৰিকা সন্মানিত অতিথি হিচাপে উপস্থিত থাকে। অনুষ্ঠানত সাদিন-প্ৰতিদিন গোষ্ঠীৰ স্বত্বাধিকাৰ জয়ন্ত বৰুৱা উপস্থিত আছিল। উল্লেখ্য যে অসমীয়া প্ৰতিদিনৰ ডুমডুমাৰ সাংবাদিক মনোজ দত্ত অসমীয়া প্ৰতিদিনৰ সৈতে জন্মলগ্নৰে পৰা জড়িত। ডুমডুমা প্ৰেছ ক্লাবৰ সভাপতি তথা তিনিচুকীয়া জিলা সাংবাদিক সন্থাৰ প্ৰাক্তন সম্পাদক মনোজ দত্ত এজন নিৰন্ধকাৰো। ডুমডুমা অঞ্চলৰ অগ্ৰণী শিক্ষানুষ্ঠান ৰূপাই হাইস্কুলৰ পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰা সাংবাদিক মনোজ দত্ত হৈছে ডুমডুমাৰ সমাজ জীৱনৰ অন্যতম পুৰোধা ব্যক্তি প্ৰয়াত ভোলা দত্তৰ পুত্ৰ।

# বাঘমাৰা চৰত নিপুণ অসমৰ বুনিয়াদী সাক্ষৰতা আৰু সাংখ্যিকতাৰ প্ৰশিক্ষণ

**ই-সংবাদ, শিমলীতোলা, ৮ ডিচেম্বৰঃ** বৰপেটা জিলাৰ মন্দিয়া শিক্ষাখণ্ডৰ অন্তৰ্গত চৰাঞ্চল প্ৰায় ১২ খন মণ্ডল সমল কেন্দ্ৰৰ অৰ্ধশতাধিক শিক্ষক-শিক্ষয়িত্ৰীৰ উপস্থিতিত বাঘমাৰা চৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত নিপুণ অসম অভিযানৰ বুনিয়াদী সাক্ষৰতা-সাংখ্যিকতা ৰূপায়ণ আৰু ইয়াৰ শিক্ষণ-শিকন সামগ্ৰীৰ উপযুক্ত ব্যৱহাৰ সন্দৰ্ভত ৫ ডিচেম্বৰ পৰা আৰম্ভ হোৱা তিনিদিনীয়া ব্লক পৰ্যায়ৰ দ্বিতীয় পৰ্যায়ৰ শিক্ষক প্ৰশিক্ষণ শিবিৰৰ দেওবাৰে অন্ত পৰে। প্ৰশিক্ষণৰ সময়ছোৱাত প্ৰতিদিনে প্ৰশিক্ষণগ্ৰহণকৰী শিক্ষক-শিক্ষয়িত্ৰী ক্ৰমে কিশোৰ কুমাৰ দাস, শ্বাবানা ইয়াছমিনে প্ৰতিবেদন দাখিল কৰে। সমন্বয়ক বাহাৰুল ইছলাম আৰু অমিনুল ইছলামৰ তত্ত্বাৱধানত লগতে কেন্দ্ৰৰ পৰ্যৱেক্ষক মিৰ হুছেইনৰ উপস্থিতিত আফজাৰুল ইছলাম, ছৈয়দ আলী আৰু মহিদুল ইছলামে সমল ব্যক্তি হিচাপে অনুষ্ঠানত উপস্থিত থাকি বিষয়বস্তুৰওপৰত প্ৰশিক্ষণ আগবঢ়ায়। এই প্ৰশিক্ষণত বিভিন্নধৰণৰ শিক্ষণ-শিকন সামগ্ৰী প্ৰস্তুতৰো জ্ঞান দিয়া হয়। প্ৰশিক্ষণৰ সময়ছোৱাত বহুতো শিক্ষণ-শিকন সামগ্ৰী প্ৰশিক্ষাৰ্থী শিক্ষক-শিক্ষয়িত্ৰীসকলে প্ৰস্তুত কৰি উলিয়ায়। এই প্ৰশিক্ষণৰ আৰম্ভণি অনুষ্ঠানত ৩গৰাকী সমল ব্যক্তিৰ লগতে আমন্ত্ৰিত আৰু স্থানীয় অতিথিসকলক তত্ত্বাৱধায়কে সম্বৰ্ধনা জনোৱাৰ পিছত বাঘমাৰা চৰ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ অধ্যক্ষ তাইজ উদ্দিনে শিক্ষাৰ ক্ষেত্ৰত বিভিন্ন দিশক সাঙুৰি উদ্বোধনী ভাষণ প্ৰদান কৰে। তদুপৰি বাঘমাৰা চৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ খুলিলুৰ ৰহমানৰ লগতে জমশ্বেৰ আলী আহমেদ, ওচমান আলী ফকিৰ, আৰফান আলী আহমেদ, আকমল হকৰ লগতে আমন্ত্ৰিত আৰু স্থানীয় অতিথিসকল উপস্থিত থাকি প্ৰশিক্ষণৰ লগত সংগতি ৰাখি বক্তব্য আগবঢ়ায়।

# আদৰ্শ কৃষক হেমেন চন্দ্ৰ নাথৰ মৃত্যু

**ই-সংবাদ, শুৱালকুছি, ৮ ডিচেম্বৰঃ** কামৰূপ জিলাৰ বংশৰ গন্ধমৌ নাথ চুবা নিবাসী বিশিষ্ট কৃষক, বয়োজ্যষ্ঠ নাগৰিক হেমেন চন্দ্ৰ নাথ (৮০) ৰ আজি ( ৮ ডিচেম্বৰ) পুৱা প্ৰায় ১০.০০ বজাত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় চিকিৎসালয়ত দেহাৱসান ঘটে। মৃত্যুৰ আগমূহুৰ্তলৈকে নিৰোগী দেহেৰে কৃষি কৰ্মত আত্মনিয়োগ কৰি থকা নাথ ৬ ডিচেম্বৰত নিজ খেতিপথাৰত কৰ্মৰত হৈ থকা অৱস্থাত উচ্চ ৰক্তচাপজনিত কাৰণত অচেতন হৈ পৰিছিল। স্থানীয় লোকে ততাতয়াকৈ তেখেতক শুৱালকুছি মহাত্মা গান্ধী ৩০ খন বিচনাযুক্ত চিকিৎসালয়ত ভৰ্তি কৰিছিল যদিও উন্নত চিকিৎসাৰ বাবে লগে লগে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰা হয়। মৃদুভাষী নাথ এগৰাকী সহজ-সৰল, অভিমানহীন আদৰ্শ কৃষক হিচাপে স্থানীয় অঞ্চলত জনপ্ৰিয় আছিল। তেখেতৰ আকস্মিক মৃত্যুত বৃহত্তৰ বংশৰ অঞ্চলৰ লগতে গন্ধমৌ নাথ চুপাত গভীৰ শোকৰ ছাঁ পৰিছেল । মৃত্যুৰ সময়ত তেখেতে দুগৰাকী পুত্ৰ-বোৱাৰী, দুগৰাকী বিবাহিত কন্যা, জোঁৱাই,নাতি-নাতিনী আৰু বহুসংখ্যক আত্মীয়-স্বজন ইহসংসাৰত এৰি থৈ গৈছে।

# চৰাইদেউত পলিঅ' অভিযানৰ শুভাৰম্ভ

**ই-সংবাদ, সোণাৰি, ৮ ডিচেম্বৰঃ** ৰাজ্যৰ অন্যান্য ঠাইৰ লগতে চৰাইদেউ জিলাতো আজিৰেপৰা আৰম্ভ হৈছে বিশেষ প'লিঅ' প্ৰতিষেধক অভিযান। এই উপলক্ষে আজি পুৱা সোণাৰি নগৰ স্বাস্থ্য কেন্দ্ৰত জিলা পৰ্যায়ৰ এক উদ্বোধনী সভাৰ আয়োজন কৰা হয়। জ্যেষ্ঠ স্বাস্থ্য কৰ্মী ৰূপম ফুকনে আঁত ধৰা অনুষ্ঠানটিত বিশিষ্ট অতিথি হিচাপে উপস্থিত থকা চৰাইদেউ জিলা স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক ডাঃ জ্যোতিৰ্ময় শৰ্মা বৰুৱাই এক চমু ভাষণেৰে তিনিদিনীয়া এই অভিযানৰ শুভাৰম্ভ কৰে। অনুষ্ঠানত মুখ্য চিকিৎসা আৰু স্বাস্থ্য বিষয়া ডাঃ বেণুধৰ দুৱৰা, সাপেখাতি খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ মহকুমা স্বাস্থ্য আৰু চিকিৎসা বিষয়া ডাঃ চন্দন বৰবৰা, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ জিলা আঁচনি পৰিচালক অভিজিত শৰ্মাই ভাষণ দিয়ে। ইয়াৰ পিছতে অতিথি সকলৰ দ্বাৰা উপস্থিত শূন্যৰ পৰা পাঁচ বছৰৰ শিশু সকলক দুটুপালকৈ পলিঅ'ৰ প্ৰতিষেধক খুৱাই অভিযানৰ শুভাৰম্ভ কৰা হয়। সভাত জিলা প্ৰতিষেধক বিষয়া ডাঃ সুনীল কুমাৰ হাজং প্ৰামুখ্যে স্বাস্থ্য বিভাগৰ ভালে সংখ্যক বিষয়া-কৰ্মচাৰী উপস্থিত থাকে। উল্লেখ্য যে, চৰাইদেউ জিলাত মুঠ ৬৮,৯৭১ গৰাকী শূন্যৰ পৰা ৫ বছৰ বয়সৰ শিশুক এই বিশেষ অভিযানৰ জৰিয়তে সামৰি লোৱা হব। ৩৯২ টা পলিঅ' বুথত ৮ ৰ পৰা ১০ ডিচেম্বৰ পৰ্যন্ত এই প্ৰতিষেধক প্ৰদান কৰা হ'ব।

# লাহৰীঘাটত ধৃত ড্ৰাগছ সৰবৰাহকাৰী

**ই-সংবাদ, লাহৰীঘাট, ৮ ডিচেম্বৰঃ** মৰিগাঁও জিলাৰ লাহৰীঘাটত আৰক্ষীয়ে অব্যাহত ৰাখিছে ড্ৰাগছ, গাঞ্জা, আদিকে ধৰি বিভিন্ন মাদক দ্ৰব্যৰ বিৰুদ্ধে নিৰন্তৰ অভিযান। ইয়াৰ মাজতে, আজি সন্ধিয়া লাহৰীঘাট থানাৰ অধীনস্থ মৰিতলি গাঁৱত মৰিগাঁও আৰক্ষী এটি বিশেষ শাখা আৰু লাহৰীঘাট আৰক্ষীৰ এটি দলে নিষিদ্ধ ড্ৰাগছৰ বিৰুদ্ধে অভিযান চলাই মহিলা সহ দুই ড্ৰাগছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। অভিযানকাৰী দলটোৱে লাহৰীঘাট থানাৰ এলেকাধীন মৰিতলি গাঁৱত অভিযান চলাই এগৰাকী মহিলা সহ এটা ড্ৰাগছ সৰবৰাহকাৰী পৰা ড্ৰাগছ সহ হাতেলোটে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। আৰক্ষীৰ জালত পৰা সৰবৰাহকাৰী কেইটা ক্ৰমে মৰিতলি গাঁৱৰ ধৃত ইজাজুল হক আৰু মাৰুফা বেগম বুলি জানিব পৰা গৈছে। উল্লেখযোগ্য যে, আৰক্ষীৰ উমান পাই সৰবৰাহকাৰী কেইটাই পলায়নৰ চেষ্টা কৰিছিল যদিও সৰবৰাহকাৰী কেইটাক মৰিগাঁও আৰক্ষীৰ বিশেষ শাখাই দৌৰাই দৌৰাই কৰায়ত্ত কৰিবলৈ সক্ষম হয়। ধৃত ড্ৰাগছ সৰবৰাহকাৰীকেইটাৰ পৰা ড্ৰাগছ ভৰ্তি ৩০ টা কণ্টেইনাৰৰ লগতে নগদ ৯ হাজাৰ টকা জব্দ কৰে আৰক্ষীয়ে। বৰ্তমান দুয়োকে লাহৰীঘাট আৰক্ষীয়ে অধিক তথ্যৰ আহৰণৰ বাবে সোধা-পোছা অব্যাহত ৰাখিছে।

# চৰ-চাপৰিৰ লোকৰ উন্নয়নৰ বাবে শিল্পবিদ শিক্ষাবিদৰ সৈতে মত-বিনিময় সাংসদ ৰকিবুল হুছেইনৰ

**ই-সংবাদ, নগৰবেৰা, ৮ ডিচেম্বৰঃ** বৰপেটা জিলাৰ চেঙা সমষ্টিৰ অন্তৰ্গত ড০ জাকিৰ হুছেইন উচ্চতৰ মাধ্যমিক বিদ্যালয় আলোপতিত দেওবাৰে ধুবুৰী সংসদীয় সমষ্টিৰ বিভিন্ন প্ৰান্তৰ পৰা অহা বিভিন্ন ক্ষেত্ৰৰ ব্যক্তিসকলৰ সৈতে এক মত-বিনিময় অনুষ্ঠানত ভাগ লয় ধুবুৰীৰ সাংসদ ৰকিবুল হুছেইনে। ধুবুৰী সংসদীয় সমষ্টিৰ অন্তৰ্গত প্ৰতিটো বিধানসভা সমষ্টিৰ পৰা অহা পাঁচ শতাধিক কৃষক, শিক্ষাবিদসকলৰ উপস্থিতিত সাংসদ ৰকিবুল হুছেইনে ফলাফলমুখী মত-বিনিময় অনুষ্ঠানত নাৰী শিক্ষাৰ প্ৰতি গুৰুত্ব আৰোপ কৰি ভাষণ প্ৰদান কৰে। এসময়ত নাৰী শিক্ষাৰ প্ৰতি উদাসীন চৰ-চাপৰিৰ লগতে ভিতৰুৱা গ্ৰামাঞ্চলৰ লোকসকলক নাৰী শিক্ষাৰ প্ৰতি অনুপ্ৰাণিত কৰিবলৈ প্ৰয়াত মুখ্যমন্ত্ৰী তৰুণ গগৈয়ে গ্ৰহণ কৰা একাধিক ফলপ্ৰসূ আঁচনিৰ গ্ৰহণ কৰাৰ বাবেই আজি এনেবোৰ অঞ্চলত নাৰী শিক্ষাৰ ব্যাপক প্ৰসাৰতা বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। নিজৰ ভাষণত সাংসদ ৰকিবুল হুছেইনে সংসদীয় সমষ্টিটোৰ বিভিন্ন চৰ-চাপৰি অঞ্চলত ব্যাপকভাৱে উৎপাদন হোৱা মাকৈৰ পৰা উৎপন্ন হোৱা অন্যান্য খাদ্য-সামগ্ৰী যাতে স্থানীয় অঞ্চলতে তৈয়াৰ কৰিব পাৰি আৰু তাৰ পৰা কৃষকসকলে যাতে অধিক লাভৱান হ'ব পাৰে, তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। চৰ-চাপৰি অঞ্চলৰ কৃষকসকলে উৎপাদন কৰা কৃষিজাত সামগ্ৰীসমূহ যাতে মধ্যভোগীৰ জৰিয়তে বিক্ৰী কৰি অধিক লাভৰ পৰা বঞ্চিত হ'বলগীয়া নহয়, তাৰ বাবে ব্যৱস্থা গ্ৰহণৰ প্ৰয়াস কৰা হৈছে। চৰ-চাপৰিৰ কৃষকসকলৰ উৎপাদিত প্ৰতিবিধ কৃষিজাত সামগ্ৰীৰ ক্ৰয়-বিক্ৰয় স্থানীয়ভাৱে সমাপন কৰিবলৈ বিভিন্ন উদ্যোগৰ শিল্পপতিসকলক এনে অঞ্চললৈ আনি কৃষকসকলৰ অধিক লাভান্বিত কৰাৰ লক্ষ্যৰে নতুন কৌশল প্ৰৱৰ্তনৰ ব্যৱস্থা কৰাৰ প্ৰয়াস কৰা হৈছে। সাংসদ, বিধায়কসকলে পূৰ্বৰ গতানুগতিক উন্নয়নমূলক কাম কৰাৰ পৰিৱৰ্তে কৃষি প্ৰধান অঞ্চলসমূহত কৃষকসকলে উৎপাদন কৰা কৃষিজাত সামগ্ৰী সহজে বিক্ৰী আৰু উচিত মূল্য পোৱাৰ ব্যৱস্থা কৰি তেওঁলোকক আগুৱাই নিলেই অঞ্চলসমূহৰ সামগ্ৰীক উন্নয়ন হব বুলি কয় সাংসদ ৰকিবুল হুছেইনে। শিক্ষাৰ ক্ষেত্ৰত সাংসদ ৰকিবুল হুছেইনে গুৰুত্বপূৰ্ণ ভাষণ প্ৰদান কৰি কয় যে যিয়ে শিক্ষাৰ প্ৰতি আগ্ৰহী তেওঁলোকক সেই ক্ষেত্ৰত আগুৱাই নিবলৈ উৎসাহিত কৰাৰ লগতে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। সভাত নগাঁৱৰ দাসনী ক্লাছেছৰ পৰিচালন সঞ্চালক ড০ প্ৰাঞ্জল বৰাই কয় যে শিক্ষা নাথাকিলে আজিৰ যুগত কৃষক আৰু উদ্যোগপতি সৃষ্টি হ'ব নোৱাৰে। আজিৰ প্ৰতিযোগিতাপূৰ্ণ ব্যৱস্থাপনাত আধুনিক কৃষি ক্ষেত্ৰত শিক্ষাৰ প্ৰয়োজন অপৰিহাৰ্য বুলি কয় প্ৰাঞ্জল বৰাই। সভাত অনলাইনযোগে কেইবাগৰাকী উদ্যোগপতিয়ে ভাষণ প্ৰদান কৰি চৰ-চাপৰি অঞ্চলত উৎপাদিত মাকৈ চৰকাৰী নিৰ্ধাৰিত ন্যূনতম সমৰ্থন মূল্যত ক্ৰয় কৰাৰ লগতে ২৪ ঘণ্টাৰ ভিতৰতে কৃষকসকলক প্ৰাপ্য মূল্য আদায় দিয়াৰ আশ্বাস প্ৰদান কৰে। সভাত বিধায়ক ওৱাজেদ আলী চৌধুৰী, আফতাব উদ্দিন মোল্লা, এ কে ৰশ্বিদ আলম, আব্দুৰ ৰহিম আহমেদ, আব্দুল বাতেন খন্দকাৰ, আব্দুল ছোৱাহান সৰকাৰ উপস্থিত থাকে। এই মত-বিনিময় অনুষ্ঠানটো অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত অধিবক্তা তথা অসম প্ৰদেশ কংগ্ৰেছৰ মুখপাত্ৰ ও সম্পাদক ৰফিকুল ইছলামে সহযোগিতা আগবঢ়ায়। যুটীয়া সমন্বয়ক ৰফিকুল হাছান আৰু গাজী ৰহমানে অনুষ্ঠানটো পৰিচালনা ক্ষেত্ৰত সহযোগ কৰে।

# অষ্টলক্ষ্মী মহোৎসৱত বিশেষভাৱে সমাদৃত অসমৰ পুথিচিত্ৰ প্ৰদৰ্শনী

**ই-সংবাদ, বেৰেজীয়া, ৮ ডিচেম্বৰঃ** উত্তৰ-পূব ভাৰতৰ সমৃদ্ধিশালী সংস্কৃতি আৰু সম্ভাৱনাময় অৰ্থনীতি প্ৰদৰ্শনৰ লক্ষ্যৰে ৰাজধানী নতুন দিল্লীত অনুষ্ঠিত হৈছে অষ্টলক্ষ্মী মহোৎসৱ । উত্তৰ-পূব ভাৰতৰ পৰম্পৰাগত শিল্পকলা, বস্ত্ৰ উদ্যোগ, পৰ্যটন, জি আই আই টেগ সামগ্ৰীক প্ৰাধান্য দিয়া এই অষ্টলক্ষ্মী মহোৎসৱৰ দেওঁবাৰে অন্তিম দিন । ভাৰত চৰকাৰৰ ড'নাৰ মন্ত্ৰালয়ৰ দ্বাৰা তথা উত্তৰ-পূব হস্তশিল্প আৰু হস্ততাঁত উন্নয়ন নিগমে আয়োজন কৰা এই অষ্টলক্ষ্মী মহোৎসৱত বিশেষভাৱে সমাদৰ লাভ কৰে অসমৰ পুথিচিত্ৰ প্ৰদৰ্শনীয়ে । এইবাৰ নতুন দিল্লীৰ ভাৰত মণ্ডপমত অনুষ্ঠিত মহোৎসৱৰ পাৰম্পৰিক কলা প্ৰদৰ্শনীত অংশগ্ৰহনৰ বাবে অসমৰ পৰা নিমন্ত্ৰণ লাভ কৰে বিশিষ্ট চিত্ৰ শিল্পী সুজিত দাসে । চিত্ৰ শিল্পী দাসে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ তথা বৈষ্ণৱ যুগত সৃষ্ট এই প্ৰাচীন শিল্পকলাৰ প্ৰদৰ্শনীৰ লগতে হেঙুল হাইতাল, ধলমাটি, নীল, বেলৰ আঠা আদি প্ৰাকৃতিক উপাদানৰে সাঁচিপাতত কেনেদৰে এই চিত্ৰ শিল্প প্ৰস্তুত হয় তাক হাতে-কামে প্ৰদৰ্শন দাঙি ধৰে ।




# 'উম' শীৰ্ষক প্ৰকল্পৰ যোগেদি দৰিদ্ৰ লোকৰ মাজত গৰম বস্ত্ৰ বিতৰণ কাৰ্যসূচী

**ই-সংবাদ, গেলেকী, ৮ ডিচেম্বৰঃ** মহিলাৰ সজাগতা আৰু গ্ৰাম্য উন্নয়নৰ ক্ষেত্ৰখনত কাম কৰি অহা সংস্থা 'ৱাৰিয়ৰ্ছ'ৰ শিৱসাগৰ জিলাৰ অন্তৰ্গত গেলেকী আঞ্চলিক সমিতিয়ে গ্ৰহণ কৰিছে বিশেষ পদক্ষেপ। সংস্থাটোৰ উদ্যোগত সমগ্ৰ ৰাজ্যজুৰি "উম" কাৰ্য্যসূচীৰ যোগেদি দৰিদ্ৰ লোকৰ মাজত ব্যৱহাৰ্য গৰম বস্ত্ৰ বিতৰণ কাৰ্যসূচী হাতত লোৱা হৈছে। কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি আজি ৱাৰিয়ৰ্ছ গেলেকী আঞ্চলিক সমিতিয়ে গেলেকী বাগিচাৰ ৬ নং লাইনত "উম" শীৰ্ষক কাৰ্য্যসূচী হাতত লয়। উল্লেখ্য যে শীতৰ প্ৰকোপৰ পৰা ৰক্ষা পাবলৈ ৱাৰিয়ৰ্ছৰ উদ্যোগত সমগ্ৰ অসমতে আজি "উম" প্ৰকল্প নামেৰে আৰ্তজনৰ মাজত ব্যৱহাৰ্য বস্ত্ৰ বিতৰণ কাৰ্য্যসূচী হাতত লৈছিল। গেলেকী বাগিচাৰ ৬ নং লাইনত ৰূপায়ন কৰা এই কাৰ্য্যসূচীত বিপুল সংখ্যক মহিলা আৰু শিশুৰ মাজত গৰম বস্ত্ৰ বিতৰণ কৰা হয়। এই কাৰ্যসূচীৰ যোগেদি আজি প্ৰায় শতাধিক লোকৰ মাজত বস্ত্ৰ বিতৰণ কৰা হয়। এই কাৰ্যসূচীৰ দ্বাৰা বহু দৰিদ্ৰ পৰিয়ালে কিছু সকাহ লাভ কৰাৰ লগতে এই কাৰ্যসূচী ৰূপায়ণ কৰাৰ বাবে ৱাৰিয়ৰ্ছ গেলেকী আঞ্চলিক সমিতিক ধন্যবাদ জ্ঞাপন কৰে স্থানীয় ৰাইজে। এই কাৰ্যসূচীত উপস্থিত আছিল উপদেষ্টা আব্দুল হেলিম, উপদেষ্টা মফিদা বেগম, সভানেত্ৰী ফৰিদাউল্লাহ, উপ সভাপতি ৰাহিদ আলী, সম্পাদিকা পূৰবী নেওগ, বিত্ত সম্পাদিকা তনুজা বেগম, সদস্যা দীপামণি মৰাণৰ লগতে উপস্থিত থাকে সংগীতা শইকীয়া আৰু বেনজিৰ নাৰফা আজম।

# নৱবৰ্ষৰ প্ৰতি লক্ষ্য ৰাখি কামৰূপ জিলা প্ৰশাসনৰ বিশেষ নিৰ্দেশনা

**ই-সংবাদ, বাইহাটা চাৰিআলি, ৮ ডিচেম্বৰঃ** নৱবৰ্ষৰ প্ৰাকক্ষণত আৰু নৱবৰ্ষ উদযাপনৰ বাবে ৰাইজৰ সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি কামৰূপ জিলাৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই ৬ ডিচেম্বৰত এলানি বিশেষ নিৰ্দেশাৱলী জাৰি কৰিছে। সেই অনুসৰি কামৰূপ জিলাৰ অধীনৰ প্ৰতিটো ৰাজহ চক্ৰৰ চক্ৰ বিষয়াসকলক নিজ নিজ চক্ৰত স্থানীয় পিকনিক পৰিচালনা সমিতি, গাঁও প্ৰধান, গাঁওৰক্ষী বাহিনী, আৰক্ষীৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়াসকলৰ লগত আলোচনাত মিলিত হৈ পিকনিকথলীত সুৰাপান কৰি গাড়ী নচলোৱাৰ বাবে পৰ্যাপ্ত সজাগতা সৃষ্টি কৰিবলৈ নিৰ্দেশ প্ৰদান কৰা হৈছে। একেদৰে কামৰূপ জিলাৰ আৰক্ষী অধীক্ষকক জিলা পৰিবহণ বিষয়াৰ সৈতে একেলগে আলোচনাত মিলিত হৈ সঘনাই দুৰ্ঘটনা সংঘটিত হোৱা ঠাইসমূহ বিশেষকৈ ৰাষ্ট্ৰীয় ঘাইপথত দুৰ্ঘটনা সংঘটিত হোৱা ঠাইসমূহ চিনাক্ত কৰিবলৈ আৰু তেনে স্থানসমূহত দুৰ্ঘটনা প্ৰতিৰোধৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ প্ৰদান কৰা হৈছে। একেদৰে জিলাখনৰ নদী আৰু হ্ৰদৰ কাষত থকা পিকনিকথলীসমূহত যাতে পিকনিকলৈ অহা লোক পানীত পৰাৰ দৰে ঘটনা সংঘটিত নহয় তাৰ বাবে কামৰূপ জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ মুখ্য কাৰ্যবাহী বিষয়াক নদী বা হ্ৰদৰ কাষত থকা পিকনিকথলীসমূহত এছডিআৰএফৰ কৰ্মচাৰী নিয়োগ কৰিবলৈ নিৰ্দেশ প্ৰদান কৰা হৈছে। চলিত বৰ্ষৰ ৩১ ডিচেম্বৰ আৰু ২০২৫ বৰ্ষৰ পহিলা জানুৱাৰীৰ নিশা দুৰ্ঘটনা সংঘটিত হ'ব পৰাৰ সম্ভাৱনীয়তালৈ লক্ষ্য ৰাখি কামৰূপ জিলাৰ যুটীয়া স্বাস্থ্য সেৱা সঞ্চালকক জিলা চিকিৎসালয়সমূহত তৎকালীনভাৱে চিকিৎসা সেৱা আগবঢ়াব পৰাকৈ চিকিৎসকৰ উপলব্ধতা নিশ্চিত কৰিবলৈ আৰু প্ৰয়োজনত এম্বুলেঞ্চ সাজু কৰি ৰাখিবলৈও নিৰ্দেশ প্ৰদান কৰা হৈছে। নিৰ্দেশনাটোত জিলা তথ্য আৰু জনসংযোগ বিভাগক মদ্যপান কৰি তীব্ৰগতিত বাহন চলোৱাৰ দৰে অভ্যাস এৰাই চলিবলৈ আহ্বান জনাই ৰাইজৰ মাজত স্থিৰ অনুভাষ যন্ত্ৰ, মোবাইল মাইকিঙৰ জৰিয়তে সজাগতা সৃষ্টিৰ বাবে নিৰ্দেশ প্ৰদান কৰা হৈছে। সমগ্ৰ জিলাতে ২৮ ডিচেম্বৰৰ পৰা পহিলা জানুৱাৰীৰপৰ্যন্ত মদ্যপান কৰি গাড়ী চলোৱাসকলৰ বিৰুদ্ধে তীব্ৰ অভিযানৰ নিৰ্দেশ প্ৰদান কৰি ইয়াৰ বাবে ৰাজহ চক্ৰসমূহত সংশ্লিষ্ট চক্ৰ বিষয়াৰ নেতৃত্বত আৰক্ষী, পৰিবহন আৰু আবকাৰী বিভাগৰ এনফৰ্চমেণ্ট স্কোৱাডকলৈ ৰাজহ চক্ৰ পৰ্যায়ৰ যুটীয়া টাস্ক ফৰ্চ গঠন কৰা হৈছে। এই যুটীয়া টাস্ক ফৰ্চসমূহৰ নেতৃত্বত চক্ৰ বিষয়াসকল থাকিব আৰু জিলা পৰিবহণ বিষয়া আৰু আবকাৰী বিষয়াই চক্ৰ বিষয়াৰ সৈতে আলোচনামৰ্মে এজনকৈ এম ভি আই আৰু এজনকৈ আবকাৰী বিষয়া টাস্ক ফৰ্চৰ বাবে নিয়োগ কৰিব। তেওঁলোকৰ সৈতে সংশ্লিষ্ট আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়াসকলেও টাস্ক ফৰ্চত কাম কৰিব। ইয়াৰ উপৰি কামৰূপ জিলা প্ৰশাসনে জিলাখনৰ ১৮ টা পিকনিকথলী বিশেষকৈ যিসমূহত ৩১ ডিচেম্বৰ আৰু ১ জানুৱাৰীৰ দিনকেইটাত বৃহৎ সংখ্যক লোকৰ আগমন হয়, তেনে ১৮ টা পিকনিকথলী চিনাক্ত কৰি উলিয়াইছে। এইসমূহৰ ভিতৰত আছে চানডুবি বিল, উকিয়াম, আমৰেংকোণা, হাঁহিম, ৰাণীখামাৰ, আজ্ঞাঠুৰি, তামুলবাৰী(কুৰুৱা), মদন কামদেৱ, মালাং, লৱাৰ লাম্পি, তপোবন, উমছিয়াঙ, দখলা ভিউপইণ্ট, ৰকভেলী পিকনিকথলী, শৰাইঘাট/দীৰ্ঘেশ্বৰী, গন্ধমৌ, দীঘেলী বিল, গণেশতোলা। ৰাজহ চক্ৰ পৰ্যায়ৰ যুটীয়া টাস্ক ফৰ্চসমূহক জিলাৰ বিভিন্ন স্থানত থকা পিকনিকথলীলৈ ভোজ খাবলৈ যোৱা গাড়ীসমূহৰ চালকৰ লগতে বিশেষকৈ এই ১৮ টা পিকনিকথলীলৈ যোৱা গাড়ীসমূহৰ চালকৰ ওপৰত চোকা নজৰ ৰাখিবলৈ আৰু মদ্যপান কৰি গাড়ী চলোৱা চালকৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ প্ৰদান কৰা হৈছে। জিলা পৰিবহণ বিষয়াক এইসমূহ পিকনিকথলীত গাড়ীচালক উপলব্ধ কৰিবলৈ নিৰ্দেশ প্ৰদান কৰা হৈছে। লগতে যুটীয়া টাস্ক ফৰ্চসমূহক মদ্যপান কৰি গাড়ী চলোৱা, তীব্ৰ গতিত গাড়ী চলোৱা আৰু আইন উলংঘাকাৰীৰ বিৰুদ্ধে যান-বাহন আইন অনুসৰি উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিবলৈ, মদ্যপান কৰি যাতে কোনেও দুচকীয়া আৰু চাৰিচকীয়া বাহন নচলাই তাৰ বাবে চালকৰ মাজত উপযুক্ত সজাগতা সৃষ্টি কৰিবলৈ, দুচকীয়া বাহনৰ চালক আৰু আৰোহী দুয়ো হেলমেট পৰিধান কৰাটো নিশ্চিত কৰিবলৈ আৰু এই নিয়ম উলংঘা কৰা লোকৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ প্ৰদান কৰা হৈছে। লগতে টাস্ক ফৰ্চসমূহক ব্ৰেথ এনালাইজাৰৰ জৰিয়তে মদ্যপান কৰি গাড়ী চলোৱা চালকৰ বিৰুদ্ধে অভিযান চলাবলৈ আৰু জৰিমনা বিহাৰ দিশত তৎকালীনভাৱে ব্যৱস্থা গ্ৰহণ কৰিবলৈও নিৰ্দেশ প্ৰদান কৰা হৈছে।

## ব'ল-ব'ম কাণ্ডৰ পৰা শিক্ষা নল'লে আৰক্ষী-প্ৰশাসনে

# তালাপত অচিনাক্ত বাহনৰ খুন্দাত শিশু নিহত

**ই-সংবাদ, ডুমডুমা, ৮ ডিচেম্বৰঃ** ডুমডুমাৰ নিলগৰ তালাপ আৰক্ষী চকীৰ অন্তৰ্গত তালাপ বালিবজাৰস্থিত কালীবাড়ীৰ সমীপৰ ছৈখোৱাঘাট অভিমুখী ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথত আজি দিনৰ দুই মান বজাত সংঘটিত এক পথ দুৰ্ঘটনাত এগৰাকী দুবছৰীয়া কন্যা শিশুৱে থিতাতে মৃত্যুক আঁকোৱালি লবলগীয়া হোৱা ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। ঘটনাৰ বিৱৰণী অনুসৰি, ছৈখোৱাস্থিত কেচাঁখাইটী শালৰ " বাবু পূজা " ৰ উপলক্ষে ছৈখোৱাঘাট অভিমুখী ৰাষ্ট্ৰীয় ঘাইপথচোৱা অত্যাধিক ভিৰৰ সময়তে কন্যা শিশুটিয়ে মাকৰ সৈতে ৰাষ্ট্ৰীয় ঘাইপথটো অতিক্ৰম কৰিবলৈ লওঁতেই এখন তীব্ৰবেগী অচিনাক্ত বাহনে শিশুটিক খুন্দিওৱাৰ ফলত শিশুটি চিটিকি পৰাত ঘটনাস্থলীতে শিশুটিৰ মৃত্যু ঘটে। মৃত শিশুটিক তালাপ আৰক্ষী চকীৰ অন্তৰ্গত মিচিমিকটা গাঁৰৰ বালিয়া প্ৰজাৰ দুবছৰীয়া কন্যা অনিশা প্ৰজা বুলি চিনাক্ত কৰা হ'য়। দুৰ্ঘটনাটোত শিশুটিৰ মাতৃ মমী প্ৰজা কম-বেছি পৰিমাণে আহত হোৱাৰ কথা জানিব পৰা গৈছে। মৃত শিশুটিক তালাপ আৰক্ষীয়ে উদ্ধাৰ কৰি মৰোণোত্তৰ পৰীক্ষাৰ বাবে তিনিচুকীয়ালৈ প্ৰেৰণ কৰাৰ বিপৰীতে আহত মাতৃক ৰূপাই চাইডিংস্থিত ডাঃ ডি চি বৰা নাৰ্চিং হোমত ভৰ্তি কৰাৰ কথা জানিব পৰা গৈছে। উক্ত ঘটনাৰ পূৰ্বে ৰাষ্ট্ৰীয় ঘাইপথত উদণ্ড বাইক আৰোহীৰ খুন্দাত আন এজন বাইক আৰোহী গুৰুতৰ ভাৱে আহত হোৱাৰ কথাও জানিব পৰা গৈছে। আৰক্ষী-প্ৰশাসনৰ চকুৰ সন্মুখতেই এচাম উদণ্ড বাইক চালক-আৰোহীয়ে আজি ঘাইপথচোৱাত দৌৰাত্ম্য প্ৰদৰ্শনেৰে দূৰ-দূৰণিৰ পৰা পূজালৈ অহা ভক্তক সমস্যাত পেলোৱাৰ অভিযোগ উত্থাপিত হৈছে। ব'ল-ব'ম কাণ্ডৰ পৰা অকণো শিক্ষা নোলোৱা আৰক্ষী-প্ৰশাসনৰ দুৰ্বল ভূমিকাক এতিয়া সকলোৱে গৰিহণা দিয়াৰ লগতে আৰক্ষী-প্ৰশাসনৰ সুমতি কামনা কৰিছে।


• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নম্বৰত যোগাযোগ কৰক।

# ঐতিহাসিক লংছাই জলাশয় পুতি অ'এনজিচিয়ে নিৰ্মাণ কৰিছে পথ, ক্ষুব্ধ ৰাইজ

**ই-সংবাদ, শিৱসাগৰ, ৮ ডিচেম্বৰঃ** শিৱসাগৰ কোঁৱৰপুৰ মৌজাৰ ঐতিহাসিক দিচাংমুখৰ সমীপৰ জলাশয় পুতি অ'এনজিচিয়ে উলিয়াইছে পথ। উদেশ্যে তৈল খাদৰ খনন। ইয়াকে লৈ এতিয়া জাঙুৰ খাই উঠিছে স্থানীয় ৰাইজ। শিৱসাগৰৰ চহৰৰ সমীপতে আছে ঐতিহাসিক লংছাই বিল সংযোগী এটা বহু পুৰণি জলাশয় তথা খাৰৈ। এই জলাশয় তথা খাৰৈটো পুতি অ'এনজিচি-এ নিৰ্মাণ কৰিছে এটা পথ। ইয়াৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ প্ৰকাশ কৰিছে এতিয়া স্থানীয় ৰাইজে। অ'এনজিচিৰ এটা নতুনকৈ স্থাপন কৰিবলগীয়া তৈল খাদলৈ অহা যোৱা কৰিবৰ বাবেই পানী অহা যোৱা কৰা জলাশয় তথা খাৰৈ পুতি পেলোৱাৰ ফলত পাৰিপাৰ্শ্বিকতা ধ্বংস হোৱাৰ লগতে খেতি পথাৰত ব্যাপক কু-প্ৰভাৱ পৰা বুলি ক্ষোভ প্ৰকাশ কৰিছে ৰাইজে। সম্পূৰ্ণ মাটিৰে পুতি পেলোৱাৰ ফলত স্থানীয় ৰাইজৰ অতিকৈ আপোন, মৎস্য উৎপাদনৰ স্থলী ৰংচাই বিলখনকো ধ্বংসৰ মুখলৈ ঠেলি দিয়া হৈছে। ইয়াৰ পাৰিপেক্ষিতত সম্পূৰ্ণ মাটিৰে জলাশয় তথা খাৰৈ পুতি অহা-যোৱা কৰা পথ নিৰ্মাণৰ পৰিৱৰ্তে পানী অহা-যোৱা কৰিব পৰাকৈ সৰুকৈ হ'লেও দলং নিৰ্মাণ কৰাৰ দাবী জনাইছে ৰাইজে। উক্ত স্থানত দলং নিৰ্মাণ কৰিলেই অ'এনজিচিৰ গাড়ী অহা যোৱা কৰিব পাৰিব আৰু জলাশয়ৰ পানীও বৈ যোৱাত বাধা নাথাকিব। কিন্তু এই দাবী ন্যাসাৎ কৰি অ'এনজিচি কৰ্তৃপক্ষই খাৰৈ পুতি দিয়া বুলি ক্ষোভ প্ৰকাশ কৰিছে ৰাইজে। দাবী মানি নললে ৰাইজে তীব্ৰ প্ৰতিবাদ কৰাৰ হুংকাৰ দিছে।

## ৰঙিয়াত চেতনা দিৱস, লেখা আহ্বান

**ই-সংবাদ, ৰঙিয়া, ৮ ডিচেম্বৰঃ** অসম কেশৰী অম্বিকাগিৰী ৰায়চৌধুৰীদেৱৰ ১৪০ সংখ্যক জন্ম জয়ন্তী উপলক্ষে অসম সাহিত্য সভাৰ উদ্যোগত কেন্দ্ৰীয় জাতীয় চেতনা দিৱস অহা ১৮ ডিচেম্বৰত পালন কৰিবলৈ লোৱা হৈছে। উক্ত কাৰ্যসূচীৰ আধাৰত অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি অম্বিকাগিৰী ৰায়চৌধুৰীদেৱৰ ১৪০ তম্ জন্ম-জয়ন্তীৰ অনুষ্ঠানসূচী ৰঙিয়াৰ ৰণ্দিয়া (শতদল) সাহিত্য সভাৰ উদ্যোগত আৰু কামৰূপ জিলা সাহিত্য সভাৰ সহযোগত পালনৰ দিহা কৰা হৈছে। দিনযোৰা কাৰ্যসূচীৰে পালন কৰিব লগা চেতনা দিৱসৰ লগত সংগতি ৰাখি বৰেণ্য ব্যক্তিজনৰ জীৱনৰ প্ৰায় প্ৰতিটো দিশ সামৰি প্ৰকাশ পাবলগীয়া স্মাৰকগ্ৰন্থ "অসম কেশৰী অম্বিকাগিৰী"ৰ বাবে ইচ্ছুক লেখক লেখিকা তথা বিশেষজ্ঞ সকলৰ পৰা লেখা আহ্বান কৰা হৈছে। অসম সাহিত্য সভাৰ দ্বাৰা আৰু মাতৃভাষা-ৰাজ্যভাষা প্ৰয়োগ সমিতিৰ আহ্বায়ক তথা বিশিষ্ট সাহিত্যকৰ্মী হেমন্ত কলিতাৰ সম্পাদনাত প্ৰকাশ পাবলগীয়া স্মাৰকগ্ৰন্থখনৰ বাবে ইচ্ছুক লিখক লেখিকাক লিখনিসমূহ অহা ১০ ডিচেম্বৰ বা তাৰ আগতে hemantarangia@gmail.com ত মেইলযোগে প্ৰেৰণ কৰিবলৈ আহ্বান জনাইছে। জাতীয় জীৱনৰ এই মহান অনুষ্ঠানটিৰ সমূহ কাৰ্যসূচীতে উপস্থিত থাকি অনুষ্ঠান সাফল্যমণ্ডিত কৰিবলৈ সৰ্বস্তৰৰ সাহিত্যানুৰাগীলৈ আৱাহনী শৰাই আগবঢ়াইছে সভাৰ সভাপতি আৰু সম্পাদক ক্ৰমে জয়ন্তজিত কলিতা আৰু উজ্জ্বল ডেকা তথা অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক ড° উপেন্দ্ৰজিৎ শৰ্মাই। সবিশেষ তথ্যৰ বাবে ৯১০১২-৬৪২৫৬ ভ্ৰাম্যভাষ যোগে যোগাযোগ কৰিবলৈ আহ্বান জনাইছে।

## বঙাইগাঁও জিলাৰ চিকিবিকি আঞ্চলিক আক্ৰাছুৰ সমিতি গঠন

**ই-সংবাদ, বঙাইগাঁও, ৮ ডিচেম্বৰঃ** বঙাইগাঁও জিলাৰ অন্তৰ্গত নাচনকুটি হৰিমন্দিৰ প্ৰাংগণত দেওবাৰে প্ৰকাশ চন্দ্ৰ ৰায়ৰ সভাপতিত্বত অনুষ্ঠিত এখন সাধাৰণ সভাৰ জৰিয়তে চিকিবিকি আঞ্চলিক কোচ ৰাজবংশী ছাত্ৰ সন্থা আৰু চিকিবিকি আঞ্চলিক কোচ ৰাজবংশী মহিলা সমিতি দুখন নতুনকৈ শক্তিশালী ৰূপত গঠন কৰা হয়। পৰেশ বৰ্মণক সভাপতি আৰু উৎপল বৰ্মনক সাধাৰণ সম্পাদক হিচাপে লৈ গঠন কৰা চিকিবিকি আঞ্চলিক কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ সমিতিখনত ধীৰেশ্বৰ ৰায়, বসন্ত কুমাৰ ৰায়, শংকৰ বৰ্মন, নিপুণ বৰ্মন, প্ৰানেশ্বৰ ৰায়, প্ৰসেনজিৎ ৰায়, প্ৰফুল্ল কুমাৰ ৰায়, প্ৰকাশ চন্দ্ৰ বৰ্মন, সূৰ্য্যকান্ত ৰায়, নবীন অধিকাৰী, কেশৱ অধিকাৰী আৰু কুঞ্জমোহন বৰুৱাক উপদেষ্টা হিচাপে ৰখা হয়। আনহাতে কোচ ৰাজবংশী মহিলা সমিতিৰ সভানেত্ৰী হিচাপে নিৰ্বাচিত হয় নিয়তি অধিকাৰী আৰু সাধাৰণ সম্পাদিকা হিচাপে নিৰ্বাচিত হয় অনিমা বৰ্মন। নতুন সমিতি গঠনৰ বাবে অনুষ্ঠিত এই সাধাৰণ সভাখনত সদৌ বঙাইগাঁও জিলা কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ সভাপতি সঞ্জীৱ কোচৰ লগতে ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক উত্তম বৰুৱা, সাংগঠনিক সম্পাদক বিজু ৰায়, খগৰপুৰ আঞ্চলিক সমিতিৰ সাধাৰণ সম্পাদক অৰূপ ৰায়ৰ আৰু আক্ৰাছুৰ বিষয়ববীয়া সকল উপস্থিত থাকে।




ডিব্ৰুগড়ত অনুষ্ঠিত সাদিন-প্ৰতিদিন গোষ্ঠীৰ 'এচিভাৰ এৱাৰ্ডছ-২৪'ৰ এটি বিশেষ মুহূৰ্ত, দেওবাৰে

# মিছাজনত প্ৰাইজমণি ধান দোৱা প্ৰতিযোগিতাৰ সফল সামৰণি

**ই-সংবাদ, আমগুৰি, ৮ ডিচেম্বৰঃ** শিৱসাগৰ জিলাৰ নামতিৰ মিছাজনত আজি অনুষ্ঠিত হোৱা সদৌ অসম ভিত্তিত প্ৰাইজমণি ধান দোৱা প্ৰতিযোগিতাৰ সফল সামৰণি পৰে। উল্লেখ্য যে, নৱপ্ৰজন্মক কৰ্মসংস্কৃতি প্ৰতি আগ্ৰহী কৰাৰ মানসেৰে আদৰ্শৱান কৃষক, বিশিষ্ট সমাজকৰ্মী হৰেণ কলিতাৰ সবল নেতৃত্বত, শিৱসাগৰ জিলাৰ মিছাজান যুৱ সমাজৰ উদ্যোগত আৰু স্থানীয় ৰাইজৰ সহযোগত অনুষ্ঠিত হোৱা এই প্ৰতিযোগিতা বিভিন্ন প্ৰান্তৰ প্ৰায় দুই শতাধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিছিল। সমাজৰ নেতৃস্থানীয় ভালেকেইগৰাকী ব্যক্তিৰ লগতে গ্ৰামাঞ্চলৰ ডেকা, গাভৰু, বোৱাৰীৰ পৰা কণ-কণ ছাত্ৰ-ছাত্ৰীলৈকে সহস্ৰাধিক লোক উপস্থিত থকা অনুষ্ঠানটোত সকলোৱে একেলগে ৰাবাব টেঙাৰ জুতি বিভিন্ন অসমীয়া খাদ্য সামগ্ৰীৰ জুতি লয়। ইফালে, উক্ত ধান দোৱা প্ৰতিযোগিতাতে কুৰিৰো অধিক ব্যক্তি সম্বৰ্ধনা জনায়।

### আগৰ তুলনাত আজি আমাৰ বহুত আছে, তথাপি হতাশ হওঃ সমাজকৰ্মী ছফি

# বৰপেটাৰ ৰৌমাৰীত সমাজপ্ৰিয় লাইব্ৰেৰীৰ সোণালী জয়ন্তী উৎসৱ পালন

**ই-সংবাদ, চেঙা, ৮ ডিচেম্বৰঃ** বাণীকান্ত কাকতিক স্কুললৈ পঠিয়াই আইতাকে কান্দিছিল। কাৰণটো আছিল স্কুললৈ যোৱা বাট-পথ দুৰ্গম আছিল। বাটত বাঘ বা আন আন জীৱ-জন্তুৰ ভয় আছিল। স্কুললৈ গৈ জীৱিত অৱস্থাত মোৰ নাতিটো উভতি আহিব পাৰিব নে নাই তাকে ভাবি আইতাকে কান্দিছিল। সেই সময়ত শিক্ষা লৈ তেওঁ জগতবিখ্যাত পণ্ডিত হৈ পৰে। আজিৰ সময়ত সেই সময়ৰ তুলনাত আমাৰ বহুত আছে। কিন্তু তাৰ পিছতো আমি হতাশ হওঁ।- এই তাৎপৰ্যপূৰ্ণ মন্তব্য বিশিষ্ট সমাজকৰ্মী তথা কংগ্ৰেছ নেতা ছফি জামাল হুছেইনৰ। বৰপেটা জিলাৰ ৰৌমাৰী অঞ্চলৰ সোণালী জয়তী বৰ্ষ গৰকা ৰৌমাৰী গাঁও সমাজপ্ৰিয় লাইব্ৰেৰীৰ সোণালী বৰ্ষ উদযাপনৰ চতুৰ্থ দিনটোত সাংস্কৃতিক সন্ধিয়াৰ মঞ্চ মুকলি কৰি এই মন্তব্য কৰে সমাজকৰ্মী ছফি জামাল হুছেইনে। বাণীকান্ত কাকতিৰ জন্মস্থান বাটিকুৰিহাৰ সমীপৰৰ্তী ঠাই ৰৌমাৰীৰ সমাজপ্ৰিয় লাইব্ৰেৰীৰ সোণালী জয়ন্তী উৎসৱৰ সাংস্কৃতিক সন্ধিয়াৰ মঞ্চ মুকলি কৰি ছফি জামাল হুছেইনে কয় যে সাহিত্য-সংস্কৃতিৰ একনিষ্ঠ সেৱক ড০ বাণীকান্ত কাকতিৰ ঘৰ আমাৰ ওচৰৰ বাটিকুৰিহাত। সেই সময়ত অধ্যয়নৰ সকলো ব্যৱস্থা, সা-সৰঞ্জাম নাছিল। কিন্তু তাহানিতে শিক্ষা গ্ৰহণ কৰি নামজ্বলা গৱেষক, ভাষাবিদ, সম্পাদক, সমালোচক হিচাপে খ্যাতি লাভ কৰিছিল। কলকাতাৰ প্ৰেচিডেন্সি কলেজৰ পৰা তেওঁ ইংৰাজী সাহিত্যত এম এ ডিগ্ৰী লাভ কৰি ঐতিহ্যমণ্ডিত কটন কলেজ, গুৱাহাটী বিশ্ববিদ্যালয়ত অধ্যাপনা কৰিছিল। কিন্তু আজি আমাৰ সকলো সা-সুবিধা থকাৰ পিছতো আমি উপযুক্ত শিক্ষাগ্ৰহণ কৰি আগুৱাই কিয় যাব নোৱাৰো বুলি তেওঁ প্ৰশ্ন কৰে। সমাজপ্ৰিয় লাইব্ৰেৰীক পূৰ্বৰ দৰেই জ্ঞানৰ প্ৰসাৰ, শিক্ষাৰ হকে কাম কৰিবলৈ আহ্বান জনায় ছফি জামালে। তেওঁ কয় যে পূৰ্বপুৰুষে ১৯৫৭ চনতে পুথিভঁড়াল স্থাপন কৰি থৈ গৈছে। এইটো পুথিভঁড়াল নহয়, এইটো জ্ঞানৰ কোষহে। ১৯৫৭ চনতে স্থাপিত এই পুথিভঁড়ালটো আজিও প্ৰাসংগিক। গ্ৰন্থ এখন জ্ঞানৰ ৰহঘৰা। এটি গ্ৰন্থগাৰক মৌ-বাহৰ ভঁড়াল বুলিও কয় ছফি জামালে। বৰপেটা জিলাৰ ৰৌমাৰীৰ 'ৰৌমাৰী গাঁও সমাজপ্ৰিয় লাইব্ৰেৰী'-এ ৫০টা সোণসেৰীয়া বছৰ পাৰ কৰাত মহাধুমধামেৰে সোণালী জয়ন্তী বৰ্ষ পালন কৰে। ৫ দিনীয়া বৰ্ণিল কাৰ্যসূচীৰে ৰৌমাৰী গাঁও সমাজপ্ৰিয় লাইব্ৰেৰীৰ সোণালী জয়ন্তী বৰ্ষ পালন কৰা হয়। ৪, ৫, ৬, ৭ আৰু ৮ ডিচেম্বৰত পাঁচদিনীয়া কাৰ্যসূচীৰে পালন কৰা কাৰ্যসূচী অনুসৰি ৪ ডিচেম্বৰত পুৱা ছাফাই অভিযান, পতাকা উত্তোলন, মূল দ্বাৰ উদঘাটন, স্মৃতি তৰ্পণ, প্ৰাচীৰ পত্ৰিকা উন্মোচন, প্ৰদৰ্শনীৰ দ্বাৰ উদঘাটন আদিৰ লগতে সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। দুপৰীয়া লোকনৃত্য প্ৰতিযোগিতা, আবেলি ভলীবল প্ৰতিযোগিতা অনুষ্ঠিত হয়। ৫ ডিচেম্বৰত স্বচ্ছ অভিযানৰ পিছতে গছপুলি ৰোপণ কৰা হয়। ইয়াৰ পিছত ছেলফিজ'ন উদ্বোধন, কবিগান, যুৱ প্ৰজন্মৰ আড্ডা, কেৰাৎ পাঠ, মঞ্চ উদ্বোধনৰ লগতে সংগীত সমাৰোহ অনুষ্ঠিত হয়। সন্ধিয়া স্মৃতিগ্ৰন্থ 'ছাপৰিৰ ছাঁ' উন্মোচন কৰা হয়। নিশা সাংস্কৃতিক সন্ধিয়া অনুষ্ঠিত হয়। ৬ ডিচেম্বৰত ছাফাই অভিযান, মুকলি কুইজ প্ৰতিযোগিতা, অকণিৰ মেল, বাৰেবৰণীয়া গীত-মাতৰ অনুষ্ঠান অনুষ্ঠিত হয়। ৭ বজাত বিশেষ আলোচনা চক্ৰ অনুষ্ঠিত হয়। 'ব্ৰহ্মপুত্ৰৰ খহনীয়াৰ সমস্যাই অসমৰ ধৰ্মীয় সংখ্যালঘু সমাজৰ উন্নয়নৰ ক্ষেত্ৰত প্ৰধান অন্তৰায়' শীৰ্ষক বিষয়ত অনুষ্ঠিত আলোচনা চক্ৰত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা আব্দুল লতিফ, আব্দুৰ ৰহমান সিকদাৰ, হাচিনা আহমেদ, বাহাৰুল ইছলাম উপস্থিত থাকে। নিশা মুকলি নৃত্য প্ৰতিযোগিতা আৰু বিশেষ সাংস্কৃতিক সন্ধিয়া অনুষ্ঠিত হয়। ৭ ডিচেম্বৰত ছাফাই অভিযান, ভেশচন প্ৰতিযোগিতা, স্থনীয় শিল্পীৰ বাৰেবৰণীয়া গীত-মাতৰ অনুষ্ঠান, গীত প্ৰতিযোগিতা, কবি সম্মিলন আৰু বিশেষ সাংস্কৃতিক সন্ধিয়া অনুষ্ঠিত হয়। বিশেষ সাংস্কৃতিক সন্ধিয়াৰ মঞ্চ উদ্বোধন কৰে বিশিষ্ট সমাজকৰ্মী তথা প্ৰদেশ কংগ্ৰেছৰ মিডিয়া বিভাগৰ সম্পাদক ছফি জামাল হুছেইনে। ৮ ডিচেম্বৰত পুৱা স্বচ্ছতাৰ অনুষ্ঠানৰ পিছতে মুকলি সভা অনুষ্ঠিত হয়। মুকলি সভাত সভাপতিত্ব কৰে চিৰাজুল হক চৌধুৰীয়ে। মুখ্য অতিথি হিচাপে স্থানীয় বিধায়কসহ কেইবাগৰাকী লোক উপস্থিত থাকে। স্থানীয় শিল্পীৰ গীত-মাত, নৃত্যনুষ্ঠানৰ লগতে বিশেষ সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হয়। নিশা অনুষ্ঠিত হয় সাংস্কৃতিক সন্ধিয়া। চিকিৎসক ডাঃ হাফিজুৰ ৰহমানে উদ্বোধন কৰা সাংস্কৃতিক সন্ধিয়াত কলকাতা আৰু কোচবিহাৰৰ শিল্পীয়ে গীত-মাত পৰিৱেশ কৰে। চেঙা সমষ্টিৰ কেইবাগৰাকী জ্ঞানী-গুণী তথা শিক্ষাৰ মোল বুজা মানুহে ১৯৫৭ চনতে ৰৌমাৰী গাঁও সমাজপ্ৰিয় লাইব্ৰেৰী প্ৰতিষ্ঠা কৰিছিল। ৰৌমাৰী গাঁও সমাজপ্ৰিয় লাইব্ৰেৰীক গ্ৰন্থৰ ভঁড়াল হিচাপে গণ্য কৰা হৈছিল। এই লাইব্ৰেৰীটোৱে গ্ৰন্থ অধ্যয়নৰ প্ৰতি আকৰ্ষিত কৰি অহাৰ লগতে অঞ্চলটোৰ মাইলৰ খুঁটি হিচাপে চিহ্নিত হৈছে।

# ছৈখোৱাৰ কেঁচাখাইটী শালৰ 'বাবু পূজা' সম্পন্ন

**ই-সংবাদ, ডুমডুমা, ৮ ডিচেম্বৰঃ** উজনি অসমৰ তিনিচুকীয়া জিলাৰ প্ৰান্তৰৱৰ্তী ছৈখোৱাস্থিত ঐতিহাসিক কেঁচাখাইটী শালৰ চলিত বৰ্ষৰ " বাবু পূজা " ভাগ আজি সুকলমে অনুষ্ঠিত হৈ যায়। আজিৰ পূজা ভাগলৈ অসমৰ বিভিন্ন প্ৰান্তৰৰ লগতে চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশৰ উপৰিও ভাৰতৰ চুবুৰীয়া ৰাষ্ট্ৰ নেপালৰ পৰাও ভক্ত আহি গোসাঁনীলৈ পূজা-অৰ্চনা আগবঢ়ায়। বিশেষকৈ, পুৱতি নিশাৰ পৰা আৰম্ভ কৰি দুপৰীয়া পৰ্যন্ত ভক্তৰ লানি নিছিগা সোঁত বয় শাললৈ। প্ৰতি বছৰৰ দৰে এইবাৰো এক প্ৰকাৰ বীৰ দি বাট নোপোৱা অৱস্থা হ'য় আজিৰ পূজা ভাগত। শান্তিপূৰ্ণভাৱে সম্পন্ন হোৱা আজিৰ বাবু পূজাত ভক্তপ্ৰাণ ৰাইজে চাকি-বন্তি, ধূপ-ধুনা, নৈবেদ্যৰে গোসাঁনীৰ নামত পূজা-অৰ্চনা আগবঢ়োৱাৰ উপৰিও শালৰ পৰম্পৰাগতভাৱে অনুষ্ঠিত হোৱা বলি-বিধান কাৰ্যত পঠা ছাগলী, আমৰুলি হাঁহ আদি বলি দিয়াৰ বিপৰীতে পাৰ চৰাই গোসাঁনীৰ নামত মন্দিৰৰ চৌহদত উৎসৰ্গা কৰে। মাজ নিশাৰ পৰাই ভক্ত প্ৰাণ ৰাইজে শালত উপস্থিত হৈ ধূপ-ধুনা, চাকি-বন্তিৰে পূজা অৰ্চনা কৰিবলৈ আৰম্ভ কৰে যদিও পুৱা ৮ বজাত অনুষ্ঠিত হোৱা পূজাৰ সমূহীয়া আশীৰ্বাদ প্ৰদান অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানত শালৰ মূল পূজাৰীয়ে পূজা-অৰ্চনা কৰি সকলোকে সমূহীয়াভাৱে আশীৰ্বাদ প্ৰদান কৰাৰ পাছতেই ছাগলী আৰু হাঁহ বলি কাৰ্য আৰম্ভ হ'য়। ভক্তপ্ৰাণ লোকে হাতে-হাতে হাঁহ, ছাগলী লৈ বলিৰ বাবে শাৰী পতা পৰিলক্ষিত হ'য়। আজিৰ পূজা ভাগত ৮৪ টা পঠা ছাগলী, ১০১৭ টা আমৰুলি হাঁহ গোসাঁনীৰ নামত বলিৰ বাবে আগবঢ়োৱাৰ উপৰিও ১৬০ যোৰাতকৈ অধিক পাৰ গোসাঁনীৰ নামত উৎসৰ্গা কৰি উৰুৱাই দিয়ে বুলি শাল তথা পূজা পৰিচালনা সমিতিয়ে জানিবলৈ দিয়ে। উল্লেখ্য যে, বৰলুইতৰ পাৰত অৱস্থিত ছৈখোৱাৰ কেঁচাখাইটী গোসাঁনী শালখন অসমৰ এক অন্যতম শক্তিপীঠ শদিয়াৰ চাৰিশাল গোসাঁনীৰ অংশবিশেষ। শদিয়াৰ কেঁচাখাইটী গোসাঁনী শালখন পূৰ্বতে অৰুণাচল প্ৰদেশৰ লোহিত জিলাৰ ডিগাৰু নদীৰ অৱবাহিকা পাইয়া  নামৰ এক অটব্য দুৰ্গম অঞ্চলত আছিল। পিছত ৰাজনৈতিক অস্থিৰতাৰ বাবে নিয়মিত পূজা-অৰ্চনা কৰিবৰ বাবে ইয়াৰ এটা অংশ ছৈখোৱাৰ উক্ত স্থানলৈ স্থানান্তৰিত কৰা হয়। উল্লেখ্য যে, ছৈখোৱাৰ কেঁচাখাইটী গোসাঁনীৰ অস্তিত্বৰ আলম লৈ বৰলুইতৰ উত্তৰ পাৰৰ শদিয়াৰ কুণ্ডিল নৈৰ দাঁতি কাষৰীয়া পুৰণি লখিমপুৰীয়া গাঁৱঁতো নতুনকৈ মন্দিৰ স্থাপন কৰি নিয়মিতভাৱে পূজা-অৰ্চনা কৰি অহা হৈছে বিগত বহু বছৰৰ পৰা। এইবাৰো এই বাবু পূজালৈ সোঁত বয় ভিন্ন প্ৰান্তৰ অগণন ভক্তৰ।

# অইল সদৌ অসম জুনিয়ৰ টেনিছ সম্পন্ন

**ই-সংবাদ, দুলীয়াজান, ৮ ডিচেম্বৰঃ** অইল ইণ্ডিয়া লিমিটেডৰ পৃষ্ঠপোষকতাত আৰু সদৌ অসম টেনিছ সন্থাৰ তত্বাৱধানত দুলীয়াজানৰ জালনী ক্লাবৰ টেনিছ কৰ্টত অনুষ্ঠিত অইল সদৌ অসম জুনিয়ৰ টেনিছ চেম্পিয়নশ্বিপৰ সফল সামৰণি পৰিছে। প্ৰতিযোগিতাখনৰ ১২ বছৰৰ অনুৰ্ধ্ব ল'ৰাৰ শাখাত ঈশানদীপ বড়ো, ১২ বছৰৰ অনুৰ্ধ্ব ছোৱালী শাখাত কৃষ্টি হালৈ, ১৪ বছৰৰ অনুৰ্ধ্ব ছোৱালী শাখাত সংস্কৃতি এছ বৰা, ১৪ বছৰৰ অনুৰ্ধ্ব ল'ৰাৰ শাখাত ছান্দোজ্ঞ টি পাঠক, ১৮ বছৰৰ অনুৰ্ধ্ব ছোৱালী শাখাত নবিহা মৰিয়ম আৰু ১৮ বছৰৰ অনুৰ্ধ্ব ল'ৰাৰ শাখাত ৰিয়ান কাশ্যপে বিজয়ীৰ খিতাপ দখল কৰিবলৈ সক্ষম হৈছে। প্ৰতিযোগিতাৰ অন্তত আজি দুপৰীয়া অনুষ্ঠিত বঁটা প্ৰদান অনুষ্ঠানত বিজয়ী আৰু বিজিত খেলুৱৈসকলক ট্ৰফীসহ মানপত্ৰ আৰু চেক প্ৰদান কৰা হয়।

# শিৱসাগৰত শক্তি উত্তোলন প্ৰতিযোগিতা



**ই-সংবাদ, শিৱসাগৰ, ৮ ডিচেম্বৰঃ** শিৱসাগৰ নগৰৰ কেপিএম হলৰ চৌহদত আজি দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হয় প্ৰথম বাৰ্ষিক শিৱসাগৰ জিলাভিত্তিক মুকলি শক্তি উত্তোলন প্ৰতিযোগিতা।শিৱসাগৰ জিলা শক্তি উত্তোলন একাডেমীৰ উদ্যোগত আৰু স্বেচ্ছাসেৱী অনুষ্ঠান 'চাপ'ৰ সহযোগত অনুষ্ঠিত হোৱা এই প্ৰতিযোগিতাত ২০০ৰো অধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। বিজয়ী প্ৰতিযোগী সকলক ট্ৰফী, মানপত্ৰ, মেডেল আদিৰে পুৰস্কৃত কৰা হয়। প্ৰতিযোগিতাৰ মাজতে ৰাষ্ট্ৰীয় আৰু আন্ত:ৰাষ্ট্ৰীয় প্ৰতিযোগিতাত বিগত সময়ছোৱাত পদক লাভেৰে শিৱসাগৰলৈ গৌৰৱ কঢ়িয়াই অনা কেইবাগৰাকী খেলুৱৈক সম্বৰ্ধনা জনোৱা হয়। প্ৰতিযোগিতাখনত অতিথি হিচাপে উপস্থিত থাকে শিৱসাগৰ ছোৱালী কলেজৰ অধ্যাপক ড° প্ৰবীণ শৰ্মাই।মহিলাৰ বিভিন্ন শাখাত পুৰস্কাৰ লাভ কৰা সকলৰ একাংশৰ হৈছে বাসৰী বৰপাত্ৰগোঁহাই, প্ৰিয়ংকা দাৰিগ, চুম্পী মেচ, আইনু বৰুৱা, চাকিলা চোনাৱী, অমিয়া কুৰ্মী, শিখামণি চুতীয়া, ৰুমি গড়, জামিনী গগৈ, আফ্ৰিজা আহমেদ, বৰ্ণালী বৰুৱা, দৃষ্টিপৰ্ণা কলিতা, বৰ্ণালী দত্ত, চুৰিনেণী ৰাও, বৃষ্টি বৰা, সুদৰ্শনা বড়ো।

## দুৰ্দান্ত প্ৰত্যাৱৰ্তনেৰে শৃংখলাত সমতা স্থাপন অষ্ট্ৰেলিয়াৰ

# এডিলেইড টেষ্টত দহ উইকেটত পৰাস্ত টীম ইণ্ডিয়া

**এডিলেইড, ৮ ডিচেম্বৰঃ** ৬ ডিচেম্বৰত আৰম্ভ হোৱা মেচখন শেষ হোৱাৰ কথা আছিল ১০ ডিচেম্বৰত। কিন্তু ৫ দিনীয়া মেচখন ৩দিন সম্পূৰ্ণ হোৱাৰ পূৰ্বেই অন্ত পৰে। ঘৰুৱা দল অষ্ট্ৰেলিয়াৰ বিধ্বংসী বলিঙৰ ফলত অতি সহজেই আত্মসমৰ্পণ কৰিবলৈ বাধ্য হৈ পৰে প্ৰথমখন টেষ্টত জয়লাভ কৰা ভ্ৰমণৰত ভাৰতে। মেচখনত অষ্ট্ৰেলিয়াই পূৰ্বৰ পৰাজয়ৰ পোতক তুলি ভাৰতৰ বিৰুদ্ধে ১০ উইকেটৰ বিশাল ব্যৱধানত জয়ী হয়। প্ৰথম ইনিংছত মিশ্বেল ষ্টাৰ্কৰ পিছত দ্বিতীয় ইনিংছত পেট কামিন্সৰ বলিঙে ধুমুহাৰ ৰূপ লয়। ফলত আজি তৃতীয় দিনা ভাৰতে কালিৰ ৫ উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ১২৮ ৰানৰ পৰা খেল আৰম্ভ কৰি বাকীকেইটা উইকেটো অতি কম সময়ৰ ভিতৰতে হেৰুৱায়। দলটোৱে মাত্ৰ ১৭৫ ৰানতে আটাইকেইটা উইকেট হেৰুৱাবলগীয়াত পৰে। নীতিশ কুমাৰ ৰেড্ডিয়ে ৪২ ৰান কৰাৰ বাদে আটাইকেইজন বেটাৰ ব্যৰ্থ হয়। অষ্ট্ৰেলিয়াৰ হৈ কামিন্সে সৰ্বাধিক ৫টা, বলাণ্ডে ৩টা আৰু ষ্টাৰ্কে ২টা উইকেট লাভ কৰে। ইয়াৰ পিছত মাত্ৰ ১৯ ৰানৰ বিজয় লক্ষ্য আগত লৈ অষ্ট্ৰেলিয়াই সেয়া মাত্ৰ ৩.২ অভাৰতে অতিক্ৰম কৰি জয়ী হয়। শতকীয় ইনিংছ উপহাৰ দি দলক জয়ী কৰোৱা ট্ৰেভিছ হেডে লাভ কৰে শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান। আজিৰ এই জয়েৰে অষ্ট্ৰেলিয়াই শৃংখলাটোত ১-১ৰ সমতা স্থাপন কৰিবলৈ সমৰ্থ হৈছে।

# ৭৬ সংখ্যক স্বাধীনতা দিৱস কাপ ফুটবলত চেম্পিয়ন আচুফী

**ই-সংবাদ ক্ৰীড়া সেৱা, নগাঁও, ৮ ডিচেম্বৰঃ** মণিপুৰৰ আচুফী ফুটবল একাডেমীয়ে নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত নুৰুল আমিন ষ্টেডিয়ামত আজি সফলতাৰে সামৰণি পৰা ৭৬ সংখ্যক সৰ্বভাৰতীয় আমন্ত্ৰণমূলক স্বাধীনতা দিৱস কাপ প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাত চূড়ান্ত বিজয়ী খিতাপ অৰ্জন কৰিছে। ঐতিহ্যমণ্ডিত এই প্ৰতিযোগিতাৰ আজিৰ ফাইনেলত আচুফী ফুটবল একাডেমীয়ে চমকপ্ৰদ প্ৰদৰ্শনেৰে ডিফেণ্ডিং চেম্পিয়ন দুলীয়াজানৰ অইল ইণ্ডিয়া এফ চিক ২-১ গ'লত পৰাজিত কৰে। আক্ৰমণ-প্ৰত্যাক্ৰমণৰে ভৰপূৰ তুমুল প্ৰতিদ্বন্দ্বিতামূলক খেলখনৰ ২১ মিনিটতে আচুফী ফুটবল একাডেমীৰহৈ বিজয় মকটানে গ'ল দি বিৰতিলৈ নিজ দলক ১-০ গ'লত আগবঢ়াই নিয়ে। সতীৰ্থ কাইছি ফিমুয়ে ৰাইট ফ্লেংকৰ পৰা দিয়া বল আচুফী ফুটবল একাডেমীৰ বিজয় মকটানে গ'ললৈ ৰূপান্তৰিত কৰিছিল। বিৰতিৰ পিছতে স্থানীয় ক্ৰীড়াপ্ৰেমীৰ প্ৰিয় দল অইল ইণ্ডিয়াৰ খেলুৱৈসকলে সংঘবদ্ধতাৰে কৌশলগতভাৱে খেলি ৭৫ মিনিটত অইল ইণ্ডিয়াৰহৈ পৰিৱৰ্তিত খেলুৱৈ সুদীপ্ত কোঁৱৰে গ'ল দি খেলখনত সমতা স্থাপিত কৰে। সুদীপ্তক সতীৰ্থ সন্দীপ থাপাই মিড ফিল্ডৰ পৰা বলটো উলিয়াই দিছিল। আচুফী ফুটবল একাডেমী দলটোৱে খেলৰ আক্ৰমণ অব্যাহত ৰাখি দলটোৰ অভিজ্ঞতা সম্পন্ন খেলুৱৈ যজ্ঞগিন কুকিয়ে বিপক্ষৰ বক্সত উলিয়াই দিয়া বল অৰক্ষিত অৱস্থাত থকা ছৰৰমিয়ে আয়ত্তলৈ আনি কোবাল শ্বট্‌ৰে ৮০ মিনিটত বিজয়সূচক গ'লটো দিয়ে। মনকৰিবলগীয়া যে, অইল ইণ্ডিয়া এফ চি দলটোৱে অন্তিম সময়ত গ'ল দিয়াৰ দুটাকৈ সহজ সুযোগ নষ্ট কৰে। প্ৰাক্তন ৰাষ্ট্ৰীয় ৰেফাৰী নাচিৰউদ্দিন আহমেদ মেচ কমিচনাৰৰূপে থকা খেলখন পৰিচালনা কৰাত ৰেফাৰী আব্দুল মজিদ চৌধুৰীক সহায় কৰে




ৰূপম বৰদলৈ, কৃষ্ণকান্ত দাস আৰু চাহজাহান আলি চৌধুৰী (চতুৰ্থ) য়ে। আজি খেলৰ আৰম্ভণিতে নগাঁও ক্ৰীড়া সংস্থাৰ সভাপতি তথা স্থানীয় বিধায়ক ৰূপক শৰ্মাৰ উপৰি আন অতিথিসকলক দুয়ো দলৰ খেলুৱৈ আৰু ৰেফাৰীসকলৰ লগত পৰিচয় কৰি দিয়া হয়। খেলৰ অন্তত নগাঁও ক্ৰীড়া সংস্থাৰ সাধাৰণ সম্পাদক তপন কুমাৰ দাসে আঁত ধৰি আগবঢ়াই নিয়া সামৰণি অনুষ্ঠানত নগাঁও পৌৰসভাৰ পৌৰপতি অম্বিকা মজুমদাৰ, বিশিষ্ট সমাজকৰ্মী মণিমাধৱ মহন্ত, ৰবিশংকৰ মজুমদাৰ, অৰূপ ভজংকা, সীমান্ত বৰা, এছ বি আইৰ বিষয়া পি পি শৰ্মা, কৰ্ণেল সিং আৰু জ্যেষ্ঠ সাংবাদিক কনক হাজৰিকাৰ লগতে নগাঁও ক্ৰীড়া সংস্থাৰ বিষয়ববীয়াসকলে বিভিন্ন বঁটাসমূহ বিতৰণ কৰে। প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ খেলুৱৈ আচুফীৰ যজ্ঞগিন কুকি আৰু সৰ্বোচ্চ গ'লদাতাৰ বঁটা নগাঁৱৰ ষ্টাৰ স্প'ৰ্টিং ক্লাবৰ প্ৰতিভাবান খেলুৱৈ বিভানজ্যোতি লস্কৰে লাভ কৰে। ক্ৰীড়া সংগঠক উজ্জল বৰুৱাই শলাগৰ শৰাই আগবঢ়োৱা আজিৰ সামৰণি অনুষ্ঠানত খাইষ্টজ্যোতি স্কুলৰ ছাত্ৰ-ছাত্ৰীসকলে বেণ্ড বাদন কৰাৰ লগতে গায়ক পংকজ ডেকাই গীত পৰিবেশন কৰে। উল্লেখ্য যে, ক্ৰীড়াপ্ৰেমীয়ে আশা কৰা মতেই আজিৰ ফাইনেল খেলখন যথেষ্ট উপভোগ্য হৈ উঠিছিল।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com,
যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)
কাৰ্যবাহী সম্পাদক
ধ্ৰুৱজ্যোতি ধনন্তৰি